
## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakhinath Bezborah | |
| Title: বাঁহী | |
| Transliterated Title: Baanhi | |
| Translated Title: | |
| Place of Publication: Calcutta (Kolkata) | Publisher: Editor |
| Year: 1925 (1847 Sak) | Edition: |
| Size: 22½ cms - 722 pages | Genre: Magazine |
| Volumes: 15 (1, 2, 3, 4, 5, 6, 7, 8, 9, 10, 11, 12, 15th) | Condition of the original: Brittle. |
| Remarks: Illustd. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |




পঞ্চদশ বছৰ

৭ম সংখ্যা

১৮৪৭ শক

কাতি

"ন হি জ্ঞানেন সদৃশং পবিত্রমিহ বিদ্যতে।"

# বিশ্ব-বাঁহী

(গীত)

এই বিৰাট শূন্য পোহৰ কৰি কি সুন্দৰ ছবি ৰাজে;
ই গহীন নিতাল নিশাৰ তন্দ্ৰা ভাঙি কোন সৰগৰ বাঁহী বাজে।

সুৰৰ ভৰত কঁপে বসুন্ধৰা,
নাচে আকাশ-চন্দ্ৰ-গ্ৰহ-তৰা,
ইঁহে বিশ্ব-বাণীৰ প্ৰাণৰ দৰা অশৰীৰী মোহন সাজে;
মোৰ শূন্য কুটীৰ পূৰ্ণতাৰে ইঁহে ৰঙ্গে মাজে মাজে।
(মোৰ) হৃদয় দুৱাৰ-দলিত কোনে
(কয়) গভীৰস্বৰে সংগোপনে,--
"সেৰিলে নৰনাৰায়ণে সাৰটিব বিশ্ব ৰাজে।"—
পলাল পলাল চিন্তা পলাল ভ্ৰান্তি,—
এয়ে এয়ে স্বৰ্গ, এয়ে শান্তি;
জিলিকিছে আশাৰ বন্তি যদিও কদ্ৰ মেঘে গাজে।
আপোন হিয়াত পালে কান্তি পাবা নিখিল ধৰা মাজে॥

শ্ৰীপদ্মধৰ চালিহা

---

# আল্-মামুনৰ ভ্ৰাতৃ-প্ৰেম

জগদ্বিখ্যাত খলিফা হাৰুণ-অল্-ৰছিদৰ দুজনা বেগম। দুই ৰাণীৰ গৰ্ভত দুটি পুত্ৰ জন্মে— আল্-আমিন আৰু আল্-মামুন; আল্-আমিন বয়সে ডাঙৰ আৰু আল্-মামুন সৰু। মৰণৰ সময়ত হাৰুণ-অল-ৰছিদে এনে সু-বন্দোবস্ত কৰি যায় যে তেওঁৰ অবিহনে আল্-আমিন খলিফা হব আৰু আল্-আমিনৰ মৰণৰ পিছত আল্-মামুন সেই গাদিত বহিব; কিন্তু দুৰ্ভাগ্যবশতঃ পিতাকৰ মৃত্যুৰ লগে লগে দুয়ো ভায়েক-ককায়েকৰ ভিতৰত মনোমালিন্য ঘটিবলৈ ধৰে।

সৰুকালতে উভয়ৰ ভাব-গতি দেখি সুবিজ্ঞ হাৰুণ-অল্-ৰছিদে দুয়ো পুতেকক পবিত্ৰ মক্কাধামলৈ নি এইদৰে প্ৰতিজ্ঞাবদ্ধ কৰায় যে এজনে আনজনৰ কেতিয়াও অহিত নিচিন্তিব। কিন্তু বাপেক চকুৰ আগৰপৰা আঁতৰ হৈ গলতে তেওঁবিলাকে পূৰ্ব্বৰ প্ৰতিজ্ঞা ভঙ্গ কৰি ভীষণভাৱে খোৱা-কামোৰা লগাবলৈ ধৰিলে। যি মহা-বংশৰ গৌৰৱত গোটেই পৃথিবীৰ মছলমান গৌৰৱান্বিত, যিজন খলিফাৰ ন্যায়পৰায়ণতা বিশ্বব্যাপী, সেই বংশৰ খলিফাৰ ঔৰসজাত পুত্ৰসকলে হীন স্বাৰ্থৰ বশীভূত হৈ এজনে আনজনৰ সৰ্ব্বনাশ সাধিবলৈ দৃঢ়সঙ্কল্প, ই বাস্তবিক অনুতাপৰ বিষয়।

লৰাকালৰে পৰা আল্-আমিন বিবেচনাশূন্য, চঞ্চল আৰু বিলাসপ্ৰিয়, কিন্তু আল্-মামুনৰ চৰিত্ৰ ঠিক বিপৰীত। ন্যায়ৰ পক্ষপাতিনী কৰ্ত্তব্য-পৰায়ণা মহাৰাণী জোবেদাৰ গৰ্ভত যদিও আল্-আমিনৰ জন্ম, তথাপি সৰু কালৰেপৰা শাসন আৰু সজশিক্ষাৰ অভাৱত তেওঁৰ স্বভাৱ অমাৰ্জ্জনীয় হৈ উঠিছিল। যিজন শিক্ষকৰ হাতত শিক্ষাৰ অৰ্থে তেওঁক গতাই দিয়া হৈছিল, তেওঁ ছাত্ৰৰ নৈতিক শিক্ষা সম্বন্ধে সম্পূৰ্ণ উদাসীন। কিন্তু সেই বুলি তেওঁ যে মূৰ্খ বা যুদ্ধ বিদ্যাত অনভিজ্ঞ, সেই কথা কোৱা নাই। আল্-মামুন এজনা পাৰস্য দেশীয় ৰাণীৰ গৰ্ভত জন্ম গ্ৰহণ কৰে আৰু এজন উপযুক্ত শিক্ষকৰ হাতত অৰ্পিত হয়। তেওঁ বিদ্যা আৰু ৰণকৌশলত বাজেও যথেষ্ট নৈতিক শিক্ষা লাভ কৰে। সেই নিমিত্তে তেওঁৰ স্বভাৱ আন ধাতুৰে গঢ়া আৰু সেইবাবেই তেওঁ পিছত ন্যায়বান আদৰ্শ খলিফাৰূপে বিশ্বমানৱৰ আশীষ লভিব পাৰিছিল।

হাৰুণ-অল্-ৰছিদৰ মৰণ কালত সম্ৰাজ্ঞী জোবেদা ৰাক্কা নগৰত, জ্যেষ্ঠপুত্ৰ আল্-আমিন বোগদাদত আৰু কনিষ্ঠ পুত্ৰ আল্-মামুন মাৰ্ভ নগৰত আছিল। স্বামীৰ মৰণ বাতৰি পাই পতিপ্ৰাণা জোবেদাই ৰাক্কা এৰি বোগদাদৰ ফালে যাত্ৰা কৰিলে। ইফালে আল্-মামুনেও পিতাৰ অবিহনে ককায়েকক খলিফা স্বীকাৰ কৰি মাৰ্ভ নগৰৰ পৰা নতুন খলিফালৈ সন্মানৰ চিঠি আৰু ভেঁটি পঠিয়ালে। বাটত আল্-আমিন যি ঠাইত জননীৰ অভ্যৰ্থনাৰ অৰ্থে অপেক্ষা কৰি আছিল, ঘটনাক্ৰমে সেই ঠাইতে মহাৰাণীৰ লগত মাৰ্ভৰ পৰা অহা মানুহৰ দেখা-সাক্ষাত হয়। আল্-মামুনৰ সজ স্বভাৱ, উদাৰতা আৰু ন্যায়পৰায়ণতা দেখি মহাৰাণীয়ে আগৰেপৰা তেওঁক ভাল পাইছিল। আজি আকৌ জ্যেষ্ঠৰ প্ৰতি তেওঁৰ এই আসক্তি দেখি শোকৰ মাজেদিও শান্তি ধাৰা তেওঁৰ হিয়াত বৈ গল।

যেতিয়া নতুন খলিফা আল্-আমিনে ভায়েকৰ ভক্তিপূৰ্ণ উপহাৰৰ ফালে উলটিকে নেচালে, কেৱল মাকক্হে মহাসমাৰোহে ৰাজধানী বোগদাদলৈ নিবলৈ আয়োজন কৰিলে, তেতিয়া সম্ৰাজ্ঞীয়ে মৰণান্তিক বেজাৰ পাই পুতেকক কলে,— “এই সমাৰোহৰ উদ্দেশ্য কি, মই বুজিব পৰা নাই। তুমি মোক খলিফাৰ মাতৃ বুলি সন্মান কৰিবলৈ আহিছানে? সেয়ে যদি হয়, তেন্তে তোমাৰ এই কাৰ্য্যত গৰিমাময় পিতৃকুলৰ মৰ্য্যাদা ক্ষুন্ন হৈছে; ময়ো আজি খলিফা জননীৰ গৰ্ব্ব হৃদয়ত ধাৰণা কৰি বোগদাদলৈ যাব খোজা নাই। স্বামী শোকাতুৰা, সন্তপ্ত বিধবা মই, পতিৰ চৰণতীৰ্থত নাৰীজীৱনৰ সকলো কামনা, সকলো সম্পদ বিসৰ্জ্জন দিবলৈ আহিছো— সন্মানৰ বা অভ্যৰ্থনাৰ কোনো প্ৰয়োজন মোৰ নাছিল, তথাপি তুমি মোক মহাসমাৰোহে অৰ্দ্ধেক পথৰ পৰা আগবঢ়াই নিবলৈ আহিছা,—আৰু যি তোমাৰ একান্ত স্নেহৰ পাত্ৰ, ভৱিষ্যতও



যাৰ দ্বাৰা বোগদাদৰ মহাবংশৰ গৌৰৱ ৰক্ষা পৰিব, সেই ভ্ৰাতাৰ ভক্তিপূৰ্ণ উপহাৰ নিষ্ঠুৰভাৱে পদদলিত কৰিলা। শুনা পুত্ৰ, যি গৌৰৱময় পুণ্য সিংহাসনত মোৰ স্বামী ন্যায়ৰ পূৰ্ণ প্ৰতিমূৰ্ত্তি, বিশ্বপ্ৰাণী পূজ্য তোমাৰ স্বৰ্গীয় পিতৃয়ে খলিফাৰূপে এদিন বহিছিল, আজি বহু পুণ্যৰ ফলত তুমি সেই দেৱবাঞ্ছিত সিংহাসন অধিকাৰ কৰিছা। মনত ৰাখিবা, যদি তুমি সিংহাসনত বহাত আল্-মামুনৰ মৰ্য্যাদা নষ্ট হয়, তেন্তে কুলকীৰ্ত্তি মহাপুৰুষসকলৰ অভিসম্পাত স্বৰ্গৰপৰা শতধাৰে তোমাৰ মূৰত বৰষিব।” জননীৰ ভৰ্ৎসনাত আল্-আমিনে লাজত তলমূৰ কৰিলে আৰু কোনো কথাৰ উত্তৰ নিদি ভায়েকে পঠিওৱা উপহাৰ ৰাখিবলৈ আদেশ দিলে।

আল্-আমিনে সিংহাসন লাভ কৰাৰ কিছুদিন পিছত তেওঁৰ দৰবাৰত কিছুমান কূটবুদ্ধি দিওতা বিষয়াৰ আবিৰ্ভাৱ হল। আটাইবিলাকৰ ভিতৰত ৰাজ-ভঁড়ালৰ অধ্যক্ষ ফজল-বিন-ৰাবিৰ নাম উল্লেখযোগ্য। তেওঁ বহুতদিন আগৰেপৰা আল্-মামুনৰ প্ৰতি বিমুখ আছিল। কিয়নো, আল্-মামুনৰ ন্যায়পৰায়ণতা আৰু তেজস্বিতাৰ আগত তেওঁৰ কূট যুক্তি তিষ্টিব নোৱাৰিছিল। এতিয়া সুযোগ বুজি তেওঁ আল্-মামুনৰ অনিষ্ট সাধনত তৎপৰ হল। অৱশেষত খলিফাক নিজৰ কুমন্ত্ৰণাত দীক্ষিত কৰি বহুকলীয়া হেঁপাহ পূৰাবলৈ কৃতসঙ্কল্প হল। ওপৰত উল্লেখ কৰি অহা হৈছে যে আল্-আমিন চঞ্চল আৰু বিবেচনাশূন্য লোক, সুতৰাং হিতাহিত বিবেচনা নকৰি তেওঁ চক্ৰান্তকাৰীসকলৰ উপদেশ অনুযায়ী কাম কৰিবলৈ ধৰিলে। গুপ্ত মন্ত্ৰণা এনে ভাৱে স্থিৰ কৰা হল যে আল্-মামুনক বোগদাদৰ ৰাজ-প্ৰসাদলৈ মাতি আনি ৰাতি গোপনে বধ কৰা হব। যেনে কথা, তেনে কাম। যথা সময়ত দূত নিমন্ত্ৰণ পত্ৰ লৈ খোৰাচানৰ ফালে খোজ ললে।

মহাৰাণী জোবেদাই প্ৰথমে এই ঘটনাৰ কথা একোকে নেজানিছিল। খলিফাই ভয়ত মাকক কোনো কথা নোসোধে, কোনো পৰামৰ্শও নলয়, কিয়নো তেওঁ চিৰকাল সত্য আৰু ন্যায়ৰ পক্ষপাতিনী, সুতৰাং এনে গুৰুতৰ কাণ্ডৰ ঠাৰে-ঠিয়াৰে গম পালেও উদ্দেশ্য বিফল হব ভাবি যতদূৰ সম্ভৱ, গোপনে সকলো কাৰ্য্য সমাধা কৰিবলৈ আল্-আমিনে স্থিৰ কৰিলে। সেই সময়ত তেওঁ কিন্তু মুহূৰ্ত্তলৈকো ভাবি নেচালে যে ধৰ্ম্মৰ জয় চিৰকালেই, পাপকাৰ্য্য কেতিয়াও লুকাই নেথাকে। কেইদিনমানৰ ভিতৰতে সকলো কথা সম্ৰাজ্ঞীৰ কাণত পৰিলগৈ। প্ৰথমে তেওঁ এনে অমানুষিক ঘটনাৰ কথা বিশ্বাস কৰিব খুখুজিছিল। কাৰণ তেওঁৰ ধাৰণা তেওঁৰ গৰ্ভজাত পুত্ৰৰ দ্বাৰা এনে নীচ কাম সম্ভৱপৰ নহয়। কিন্তু যেতিয়া তেওঁ সঠিক বাতৰি পালে, তেতিয়া তেওঁৰ হিয়া ভাগি গল আৰু ধনিষ্ঠামান সময়ো নষ্ট নকৰি খোৰাচানলৈ দূত পঠিয়ালে। দূতক আদেশ দিয়া হল যেন তেওঁ দ্ৰুতগামী অশ্ব লৈ অবিলম্বে বোগদাদ এৰি যায়।

গভীৰ নিশা। গোটেই জগত নিতাল। দিনৰ দোৰ্ঘোৰ পৰিশ্ৰম পাহৰি সকলো প্ৰাণীয়ে নিদ্ৰাদেৱীৰ শান্তিময় কোলাত আশ্ৰয় লৈছে। এনে দুপৰ নিশা খোৰাচান ৰাজ-অট্টালিকাত আল্-মামুন অকলশৰে বহি গভীৰ চিন্তাত মগ্ন, তেওঁৰ চিন্তাৰ কাৰণ কি, তাক তেওঁ নিজেই থিৰ কৰিব নোৱাৰিছিল। ৰাতি পুৱালেই তেওঁ খলিফাৰ নিমন্ত্ৰণ ৰক্ষা কৰিবৰ অৰ্থে বোগদাদলৈ যাত্ৰা কৰিব, তাত খলিফাই মহাসমাৰোহেৰে ভায়েকক আদৰ-অভ্যৰ্থনা জনাব, এনে সৌভাগ্যৰ কথা পাহৰি আজি তেওঁ কিয় চিন্তা-সাগৰত বুৰ মাৰিছে? কিবা এটা অভাৱনীয় আশঙ্কাত থাকি থাকি তেওঁৰ গোটেই গা শিয়ৰি উঠিছে, হঠাৎ কাৰ পদশব্দত তেওঁৰ চিন্তাৰ সোঁতত বাধা পৰিল; উলটি চাই দেখে, পতিপ্ৰাণা খোদেজা বিষণ্নমনে তেওঁৰ পিছত থিয় হৈ আছে। আজি স্বামী-স্ত্ৰী দুয়োৰো মনত অজ্ঞান আশঙ্কাই সঘনে খুন্দিয়াইছে। খোদেজা যদিও অসাধাৰণ বুদ্ধিমতী, তথাপি তেওঁ ভাবি-চিন্তি একোকে স্থিৰ কৰিব পৰা নাছিল। স্বামীৰ বোগদাদ যাত্ৰাৰ কথা শুনি তেওঁ ম্ৰিয়মানা। আল্-মামুনে খোদেজাক ওচৰত বহিবলৈ ইঙ্গিত কৰি কলে,—“প্ৰিয়তমে! ভাবি পোৱা নাই, কিয় আজি মোৰ মনত এনে চাঞ্চল্য উপস্থিত হৈছে, অনেক প্ৰকাৰে চেষ্টা কৰিও মনত শান্তি পোৱা নাই। কিবা

এটা অপায়-অমঙ্গল ঘটিব যেন পাওঁ।" খোদেজাই সহানুভূতি প্ৰকাশ কৰি উত্তৰ দিলে, "মোৰো মনত সন্দেহ জন্মিছে; অথচ তাৰ কাৰণ ভাবি নেপাওঁ। যি হওক এতিয়া কি কৰিবলৈ স্থিৰ কৰিছে?" ইয়াৰ অলপ সময়ৰ পিছতে দাসী আহি সংবাদ দিলে যে বোগদাদৰপৰা মহাৰাণীৰ পত্ৰ লৈ দূত আহি সাক্ষাত কৰিবৰ অভিপ্ৰায়ে বাহিৰত অপেক্ষা কৰিছে। এই কথা শুনি খোদেজাক আঁতৰি যাবলৈ কৈ আল্-মামুনে দূতক ভিতৰলৈ মাতি আনিবলৈ দাসীক হুকুম দিলে।

দূত সন্মুখত থিয় হৈ সসম্ভ্ৰমে তেওঁৰ হাতত মহাৰাণীৰ চিঠিখন দিলে। পত্ৰ পাঠ কৰি তেওঁৰ গোটেই গা থৰহৰ কঁপি উঠিল। দূতক বিশ্ৰাম কৰিবলৈ বিদায় দি তেওঁ প্ৰিয়তমা পত্নী খোদেজাক মাতিলে। খোদেজাই ভিতৰ সোমাই স্বামীৰ মুখলৈ চাই আচৰিত হ'ল। অতি নম্ৰভাৱে সুধিলে, "পত্ৰৰ মৰ্ম্ম কি?" আল্-মামুনে সকলো কথা ভাঙ্গি কলত খোদেজাৰ গা শিয়ঁৰি উঠিল এতিয়াহে তেওঁ বুজিব পাৰিলে, কিয় স্বামীক বিদায় দিবলৈ তেওঁৰ মন আগ নেবাঢ়িছিল। ভায়েকৰ প্ৰতি ককায়েকৰ এনে নিৰ্ম্মম ব্যৱহাৰ দেখি তেওঁৰ প্ৰাণত দাৰুণ আঘাত লাগিল; তথাপি মনৰ ভাব মনতে মাৰ নিয়াই স্বামীক স্নেহপূৰ্ণ কথাৰে সান্ত্বনা দিবলৈ ধৰিলে। আল্-মামুনৰ অন্তৰত শান্তিৰ ভাব দেখা নগল। তেওঁ খোদেজাক সম্বোধন কৰি কলে, "তুমি ৰমণী, সংসাৰ কাক বোলে নেজানা, সৰুৰেপৰা স্নেহৰ কোলাত ডাঙ্গৰ-দীঘল হৈছা, জীৱনৰ মধুময় কাল অন্তঃপুৰত ৰং-ধেমালি কৰি কটালা, যৌৱনত নাৰী জীৱনৰ চিৰবাঞ্ছিত পতি-প্ৰেমৰ অধিকাৰিনী হৈ পৃথিৱীত এটি মহান্ আদৰ্শ গাঢ় তুলিছা, কিন্তু তুমি নেজানা—বাহিৰত দৈত্যৰ কি ভীষণ তাণ্ডৱ নৃত্য—হিংসাদ্বেষৰ কি ভয়ঙ্কৰ অভিনয় চলিব লাগিছে। খোদাৰ কৃপাত তুমি নাৰী মূৰ্ত্তি ধৰি নশ্বৰ পৃথিৱীত জন্ম লৈছা, এই নিষ্ঠুৰ সংসাৰৰ কূটনীতি কেনেকৈ বুজিবা দেখি!" পতিপ্ৰাণা সতীয়ে স্বামীৰ এই বেদনা-পূৰ্ণ কথা শুনি তেওঁৰ সেই সময়ৰ মনৰ অৱস্থা সম্পূৰ্ণ-ৰূপে হৃদয়ঙ্গম কৰিব পাৰিলে আৰু বুজনি দিবৰ মনেৰে নম্ৰভাৱে কলে,—"যদি খলিফাই অন্যায়ো কৰি থাকে, তথাপি তেওঁ আপোনাৰ জ্যেষ্ঠ—পূজ্য—মাননীয়, সুতৰাং তেওঁৰ ওপৰত খং কৰা আপোনাৰ নিচিনা জ্ঞানীৰ উচিত নহয়।"

আল্-মামুনে পত্নীৰ কথাৰ একো উত্তৰ নিদি এটি দীঘল হুমুনিয়াহ কাঢ়ি কলে,—"হায় ককাই! তুচ্ছ ৰাজ্য লোভত পবিত্ৰ ভ্ৰাতৃ-স্নেহ বিসৰ্জ্জন দিলা?" ইয়াৰ পাছত গভীৰ চিন্তাত ডুবি ৰাতিটো কটালে।

পুৱা উঠি আল্-মামুনে বোগদাদলৈ এই মৰ্ম্মে এখন চিঠি পঠিয়ালে যে তেওঁ ৰাজ্যত এতিয়াও সম্পূৰ্ণৰূপে শৃঙ্খলা আনিব পৰা নাই, এনে অৱস্থাত ৰাজধানী এৰি গলে অনেক বেমেজালি ঘটিব বুলি ভাবি ইচ্ছাসত্ত্বেও তেওঁ খলিফাৰ আদেশ পালিব নোৱাৰিলে।

যথা সময়ত সেই চিঠি খলিফাৰ হাতত পৰিল। কূট বুদ্ধি দিওঁতা মন্ত্ৰীসকলে তেওঁক বুজাই দিলে যে আল্-মামুনে তেওঁক খলিফা স্বীকাৰ নকৰি তেওঁৰ আদেশ অমান্য কৰিছে। ইয়াৰ বিহিত বিচাৰ সময় থাকোঁতেই নকৰিলে তেওঁক ৰাজপাটৰ পৰা খহাই আল্-মামুন স্বয়ং খলিফা হব। আল্-আমিনে যদিও ভায়েকৰ হিয়া ভালকৈ চিনি পাইছিল, তথাপি ষড়যন্ত্ৰকাৰীসকলৰ কূট-নীতিত তেওঁ কেনিবাদি উটি গল। দুষ্ট মন্ত্ৰীসকলে তেওঁক এনেদৰে বশীভূত কৰিছিল যে তেওঁবিলাকৰ পৰামৰ্শ মতে ঘোৰ অন্যায় কাম কৰিবলৈকো তেওঁ কেঁচ নেখাইছিল।

কেদিনমানৰ পাছত আল্-মামুনলৈ খলিফাৰ এখন আদেশ-পত্ৰ পঠোৱা হল। পত্ৰ পঢ়ি তেওঁ বুজিলে যে তেওঁক ৰাজ্যচ্যুত কৰা হৈছে। সপোনতো তেওঁ ভবা নাছিল যে তেওঁৰ ককায়েক, এক পিতৃৰ ঔৰসজাত, লৰাকালৰ প্ৰিয় লগৰী—চিৰ দুৰ্ল্লভ ভ্ৰাতৃত্বৰ পৱিত্ৰ বন্ধনত যাৰ লৈতে তেওঁ আবদ্ধ—সেই ককায়েকৰ পৰা তেওঁ এনে নিষ্ঠুৰ ব্যৱহাৰ পাব। ইতিপূৰ্ব্বে মহাৰাণীৰ চিঠি পাই তেওঁ বুজিছিল যে কুমন্ত্ৰীসকলৰ চক্ৰান্তত ভোল গৈ খলিফাই তেওঁৰ প্ৰতি অন্যায় ব্যৱহাৰ কৰিছে, কিন্তু আজি বুজিলে যে প্ৰকৃততে সি নহয়। খলিফাই নিজ ইচ্ছামতে এই কাৰ্য্যত হাত দিছে। এই অন্যায়ৰ প্ৰতিশোধ-ইচ্ছা মুহূৰ্ত্তৰ নিমিত্তে এবাৰ তেওঁৰ হিয়াত জাগি উঠি পুনঃ ধীৰে ধীৰে মাৰ গল। বহুত পৰ ভাবি-চিন্তি তেওঁ তেওঁৰ ৰাজ্যৰ পশ্চিম সীমাত গৈ থাকিবলৈ স্থিৰ কৰিলে।

ইয়াতো খলিফাৰ হেঁপাহ নপলাল। ৰাতবি গৈ তেওঁৰ কাণত পৰিলত তেওঁ ৫০০০০ সৈন্য লগত দি এজন সুদক্ষ সেনাপতি ভায়েকৰ বিৰুদ্ধে পঠালে। আল-মামুনেও এই যুদ্ধৰ কথা শুনি উপযুক্ত কৰ্ম্মচাৰীৰ ওপৰত গতি ৰোধৰ ভাৰ দিলে। বাটত দুয়ো পক্ষৰ তুমুল ৰণ হল। অৱশেষত খলিফাৰ সৈন্য হাৰি পলাল।

উল্লিখিত কাৰ্য্যবোৰ যে খলিফাৰ নিজ ইচ্ছামত নহয়, এই কথা পূৰ্ব্বেই উন্নুকিওৱা হৈছে। তেওঁ যে নিষ্ঠুৰ আৰু কূট প্ৰকৃতিৰ লোক নাছিল, তলত লিখা ঘটনাৰ পৰা তাৰ পৰিচয় পোৱা যায়।

খলিফা হাৰুণ-অল্-ৰছিদৰ মৰণ কালত আল্-মামুনৰ দুই পুতেকক কিছুমান ধন দি যায়। কুমন্ত্ৰীসকলে যেতিয়া দেখিলে যে যুদ্ধত খলিফাৰ পৰাজয় ঘটিল, তেতিয়া আন উপায় বিচাৰি নেপাই তেওঁবিলাকে সেই ধন ৰাজ-ভঁৰাললৈ আনিবলৈ আৰু আল্-মামুনৰ দুয়োটি পুতেকক হত্যা কৰা-বলৈ পৰামৰ্শ দিলে। এই অমানুষিক কথা শুনামাত্ৰে খলিফাৰ হিয়া ফাটি গল; স্নেহৰ সোঁত তেওঁৰ হিয়াত ঘনাই ঢৌৱাবলৈ ধৰিলে আৰু চক্ৰান্তকাৰীসকলে যে তেওঁক নৰকাগ্নিত পেলাবলৈ ধৰিছে, এই কথা বুজিব পাৰি তেওঁবিলাকক বন্দীশালত থবলৈ আদেশ দিলে।

( আগলৈ )

মহম্মদ আব্দুল হামিদ

---

# ভ্ৰষ্টা

[ ১ ]

আজি সৰযুৰ বিয়া। সেই উপলক্ষে গোটেই বৰপেটা চহৰ তল-ওপৰ। চাৰিওফালে ধুমধাম। নামতী বাইইতৰ গা আনন্দতে সাতখন-আঠখন। ভেপোঁ ভেপোঁ মাতেৰে বিলাতী বেণ-বাদ্যই আকাশ-পৱন নিনাদিত কৰি শ্ৰৱণেন্দ্ৰিয়ৰ তৃপ্তিসাধন কৰিছে। স্থানীয় ভাল মানুহ আৰু তেখেত-সকলৰ প্ৰিয়তমা কেইগৰাকীৰ বহুবচনান্ত উদৰবোৰ কেঞ্চাৰ গোলাব পৰা ফৰ্মাচ দি অনা বিবিধ ৰকমৰ মিঠাই, লুচি, দাইল আদি, কলে জিভাৰ পানীপৰা বস্তুবোৰে এনিশাৰ কাৰণে ভেৰোণীয়া হৈ অধিকাৰ কৰিছে।

আনন্দৰ দিন বেছি সময় স্থায়ী নহয়। শুভকাৰ্য্য সম্পাদন কৰিবলৈ সুযোগ দিওঁ বুলি নিশাদেৱীয়ে আহি পৃথিৱীক আঁকোৱালি ধৰিলে। বিবাহৰ লগ্নও ওচৰ চাপি আহিল। তাৰ লগে লগে দলদোপ্-হেন্দোলদোপ্ কৰি দৰাঘৰীয়া মানুহ বিজয় দৰ্পেৰে আহি কন্যাদাতা উকিল ডাঙৰীয়াৰ নঙলামুখত কাগজ আৰু গছপাতেৰে অস্থায়ীকৈ সজোৱা বাটচৰাৰ তলত উপস্থিত হলহি। দুখৰ বিষয়, যদিও ই অসমীয়া বিয়া, তথাপি ইয়াত জাতীয়তাৰ গোন্ধ-ভাপেই নাই। সকলোৰে গাত কুৰি শতিকাৰ ধুমুহা বতাহে আঘাত কৰিছে। যি অসমীয়াই চিৰকাল পাগুৰি ব্যৱহাৰ কৰিছিল, যি অসমীয়াৰ বি-এ জগন্নাথে সিদিনা মাথোন সুদূৰ বিলাতৰ ডাঙৰীয়া সভাত পাগুৰিৰ বিজয় নিশান উৰাই মাতৃভূমিক গৌৰৱান্বিত কৰিছিল, আজি সেই অসমীয়াই পৱিত্ৰ বিবাহৰ নিশাও জীৱনত কেৱল এবাৰ পাগুৰি ব্যৱহাৰ কৰিবলৈ লাজ পায়। নিজৰ জননীক 'আই' বুলিবলৈ ঘিণ কৰা, বঙ্গালাক 'মা' আৰু বিলাতী বিবিক 'মাদাৰ' বুলি গৌৰৱ অনুভৱ কৰিব পৰা কুৰি শতিকাৰ অধঃপতিত অসমীয়া সমাজত দোলাক 'হিয়াছে ভাগ্ যাও' কৰি 'হাৱা-গাড়ী'য়ে আধিপত্য লাভ কৰা একো আচৰিত কথা নহয়। পাঠক! এইবোৰ কথা

ভাবি-চিন্তি চাই আজিৰ এই বিয়াৰ বিপক্ষে একো কোৱা-মেলা নকৰিবা দেই ।

যথাসময়ত দৰা গৈ হোমৰ কাষত বহিল । দৰাৰ ৰূপ দেখি বহুতে ফিচিঙা-ফিচিঙি কৰি হাঁহিলে । মানুহৰ মুখে শুনাত হেনো দৰাৰ বয়স তিনিকুৰিৰো ওপৰ । সঁচামিছা ভগৱন্ত-বস্তুৱেহে জানে । আজি তেওঁৰ চুলি-কেইডাল হলে ক'লা, অৱশ্যে কলপ লগায়ো তেনে কৰিব পাৰে । বিলাতী খুৰে মিহিকৈ চিকুণাই দাড়ি গোফ কেইডালৰো শৰাধ শান্তি-কৰম কৰিছে । দাঁত আছেনে নাই দেখা নেযায় কিয়নো উৰ্দ্ধাল এখনে শিখণ্ডীয়ে পাছফালে অৰ্জ্জুনক লুকাই ৰখা কাৰ্য্য কৰি মুখৰ ভিতৰত আনৰ দৃষ্টিশক্তিৰ প্ৰবেশ নিষেধ কৰিছে । গতিকেই এদিনীয়া মানুহে দৰাৰ বয়স নিৰ্ণয় কৰা উজু কথা বুলিব পৰা নেযায় যদিও অসম্ভৱ বুলিও কব নোৱাৰো । তথাপি মানুহৰ কথা যে সত্য, তাত সন্দেহ নাই । হলে অলপৰ ইফাল-সিফাল হব পাৰে । আখ্যান দীঘল কৰিবৰ ইচ্ছা নাই ; সংক্ষেপেৰেই কোৱা যাওক যে তিনিকুৰীয়া হৰৰ লগত ভালেৰেই কুকলীয়া গৌৰীসম্প্ৰদান কাৰ্য্য সমাপ্ত হল ।

[ ২ ]

সৰযু কোন যদি পাঠকে জানিবৰ কাৰণে ব্যগ্ৰ হৈ আছে তেন্তে শুনক—বৰ্ত্তমানে বৰপেটাৰ আদালতত কলীয়া চাপকণ পিন্ধি যাত্ৰাপাৰ্টিৰ ওস্তাদৰ বেশ লৈ ওকালতি কৰা বিখ্যাত উকিল শ্ৰীযুক্ত মনমোহন গোস্বামীদেৱৰ কনিষ্ঠা বৈমাত্ৰেয় ভগিনীয়েই আমাৰ আখ্যানৰ নায়িকা সৰযুবালা আইদেউ । সৰযুৰ পিতৃ-মাতৃ বিয়োগ আৰু মনমোহনৰ প্ৰিয়তমাযোগ লীলা ভালেমান দিন আগেয়ে হৈ গৈছে । সম্প্ৰতি সেইবোৰ কথা নেজানিলেও কাম চলিব ।

কলেজত পঢ়োতে মনমোহনৰ বিশেষ সুখ্যাতি আছিল বুলি আমি অনুসন্ধান কৰি জানিব পাৰিছো । আজিও গুৱাহাটীত তেওঁৰ নাম সকলোৰে মুখে মুখে । এসময়ত গোস্বামী এজন আদৰ্শ ডেকা আছিল । হাতে লিখা আৰু ছপা হোৱা যি কেইখন অসমীয়া কাকত আছে বা আছিল একালত সম্পাদকসকলে নিজ নিজ কাকতৰ একোটা স্বকীয়া অংশ তেওঁৰ ৰাছকৰনীয়া প্ৰবন্ধৰ কাৰণে 'ৰিজাৰ্ভ' কৰি ৰাখিছিল বুলি গোস্বামীদেৱৰ শ্ৰীমুখেৰেই বহুবাৰ প্ৰকাশ হৈ গৈছে । প্ৰবন্ধৰ বিষয়বোৰো তেনে বৰ গধুৰ আছিল ; তলত দিয়া গোটাচেৰেক নমুনাৰ পৰা পাঠকে তাৰ আভাস লওক, যেনে—আমাৰ কুসংস্কাৰ, সমাজৰ উন্নতি, বিধৱা বিবাহ, শিশুমঙ্গল, সমাজৰ অবিচাৰ, নাৰীমেধ, আধ্যাত্মিক জীৱন, আছল মানুহ ইত্যাদি । প্ৰায়বিলাক সভা-সমিতিতে যোগদান কৰি ওজস্বিনী ভাষাৰ বক্তৃতা আদিৰে মানুহক মন্ত্ৰমুগ্ধ কৰা বিষয়তো গোস্বামীদেৱ খোজত পৰি মৰা বিধৰ মানুহ নাছিল ।

ছাত্ৰজীৱন শেষ হোৱাৰ লগে লগেই, ঋতু পৰিবৰ্ত্তন হোৱাৰ নিচিনাকৈ গোস্বামীদেৱৰ স্বভাৱ-চৰিত্ৰৰ বহুত সালসলনি হয় । তেওঁ ওকালতি 'পাছ' কৰি জয়ে জয়ে গুৱাহাটীৰ উকিলখানাতে নামভুক্ত কৰি যেতিয়া দেখিলে যে মাহেকৰ উপাৰ্জ্জনেৰে 'নেভিকেটৰ' টিনৰ খৰচেই নোলায় আৰু উকিলখানাত শালেগ্ৰাম দিনটো অতিবাহিত কৰিবলৈ 'ষ্টেটছমেন' 'ইংলিঃসমেন' দৈনিক কাকত পাঠৰ বাহিৰে আন উপায় নাই, তেতিয়া বৰপেটা অভিমুখে লক্ষ্মীদেৱীৰ আশীষ মগনিয়াৰ হৈ যাত্ৰা কৰে । তাতো যদিও একে দশাই, তথাপি মাজে সময়ে দুইএজন ভাই-ককাইৰ মাজত গৃহকন্দল সৃষ্টি কৰিবলৈ সমৰ্থ হৈ কেতিয়াবা পাই-পইচাটোৰ মুখ দেখা পালে ।

এনে সময়তে অসহযোগ আন্দোলন । দেশবাসীৰ ওপৰত মহাসভা কংগ্ৰেছৰ জৰীয়তে মাতৃভূমিৰ আহ্বান । স্বদেশপ্ৰেমিক আৰু স্বাৰ্থপূজাৰী উভয় জাতীয় প্ৰাণীয়ে নিজ নিজ অভিসন্ধি পূৰণ কৰিবলৈ মাহেন্দ্ৰ সুযোগ সমাগত । গোসাঁই উকিলে অচিৰতে ওকালতি স্থগিত ৰাখি মাতৃসেৱাত ব্ৰতী হৈ হোজা জাতি ভাইৰপৰা দেশ আৰু দহৰ নামত টকাকড়ি অলঙ্কাৰ আদি সংগ্ৰহ কৰা কাৰ্য্যত প্ৰাণ উছৰ্গি দিলে । বাৰী দুখুনীয়ে এসাজ লঘোন দি দিয়া চাউল মুঠিও ভণ্ডামিৰ মুখা পিন্ধা ডঙুৰা ভকতসকলৰ উদৰস্থ হল । আমাৰ উকিল ডাঙৰীয়াই ধন ভৰালী বাবটো গ্ৰহণ কৰি ৰাইজক আপ্যায়িত কৰিলে ।



এই ৰকমে কিছুদিন যোৱাত পুলিছে খানাতালাছ কৰি কংগ্ৰেছ কাৰ্য্যালয়ৰপৰা কাগজ-পত্ৰবোৰ নিয়ে আৰু প্ৰায়ভাগ দেশ-সেৱকক শ্ৰীঘৰৰ আলহী কৰে । আমাৰ গোসাঁইদেৱেও দুসপ্তাহ ফাটেক খাটি আগলৈ এনে গহিত কাম নকৰো বুলি এখন লিখি দি মুকলি হৈ আহে । আন লাভ নহলেও দেশবাসীয়ে তেজ পানী কৰি অৰ্জ্জা ধন সোণ অলঙ্কাৰেৰে তেখেতৰ ঘৰপেৰা ভৰিল । কোনোবাই টকাকড়িৰ হিছাপৰ কথা সুধিলে সকলো কপাহ যঁতৰ কিনোতে খৰচ হৈছে, হিছাপ ৰখা কাগজ-পত্ৰবোৰ পুলিছে নিছে বুলি চমু উত্তৰেৰে তুনাই প্ৰশ্ন কৰিব নোৱৰা কৰি থয় । আজ্জিলে নন্দ গুৱালে, খালে বোন্দা শিয়ালে । পাপ কৰিলেই বৰ্ত্তমান কালৰ যুগ-ধৰ্ম্মমতে উন্নতিৰ মুখ দেখা যায় । যেতিয়া ভাৰতব্যাপী এই মহাআন্দোলনৰ দপদপ কৰি উঠা জুইকুৰা বুধিয়ক গৱৰ্ণমেণ্টে দমন-নীতিৰ চেঁচাপানী ঢালি প্ৰায় নুমাই দিলে তেতিয়া সকলোৰে 'পুনৰ্মূষিকো ভৱ' অৱস্থা হল । আমাৰ গোসাঁইদেৱেও পুনৰ বিলাতী ঠেঙা চোলা হেট টাই মাৰি বিৰহিনী আদালতৰ ডিঙিত সাবট মাৰি ধৰি বিৰহ নিশাৰ অন্তত মধুমিলনৰ নৱপ্ৰভাত সৃষ্টি কৰি সংসাৰ ভাৱনা ঘৰত বহুৰূপীৰ ভাও দি সহযোগী লগৰীয়াক তবধ লগালে । বৰ্ত্তমানে অন্ত নপৰে প্ৰভুৰ কীৰ্ত্তি-কাহিনী । কিমান কম, শুনিবই বা কিমান ? এনেজন কীৰ্ত্তিমন্ত পুৰুষেই তিনিহেজাৰ ৰৌপ্য মুদ্ৰা ভিতৰুৱাকৈ গ্ৰহণ কৰি 'সুদখোৰ' ধনকুবেৰ বৃদ্ধ ধনবৰ শৰ্ম্মাৰ চতুৰ্থ সংসাৰৰ যোগনীয়াৰ হৈ নিজৰ আঠবছৰীয়া ভগিনী সৰযুৰে বৰ্ত্তমান যুগৰ নাৰীমেধ যজ্ঞত পূৰ্ণাহুতি দিলে । কোনেও তাৰ বিপক্ষে একেষাৰ কথা নকলে । কাৰ্য্যত সকলোৱে সহানুভূতিহে দেখা গল । বাটৰ কাষত এজন আধাবলিয়াই সকলোৰে শুনাকৈ চিয়ঁৰি ফুৰিছিল—দখিণে গাজে পৰলৈ বুঢ়াই তিৰী নিয়ে পৰলৈ । তাৰ কথালৈ কাণ দিয়ে কোনে ? ছাগলে নেখায় কি, পাগলে নবকে কি ? ধনবৰৰ প্ৰথমা পত্নীৰ ফালৰ পুত্ৰ কটন কলেজৰ বি-এ ক্লাছৰ ছাত্ৰ পদুমে বাপেকৰ এই গহিত কামৰ পাৰ্য্যমানে প্ৰতিবাদ আৰু যুঁজবাগৰ কৰি অৱশেষত অকৃতকাৰ্য্য হৈ ঘৰৰ লগত সম্বন্ধ ছিঙি দিহিঙে-দিপাঙে ফুৰি জীৱন কটাম বুলি স্থিৰ কৰিলে ।

[ ৩ ]

সি যি নহওক শাস্ত্ৰ বিয়া কৰাই ধনবৰে সুখেৰেই হওক বা দুখেৰেই হওক, আনন্দৰেই হওক বা নিৰানন্দৰেই হওক, মধুৰ ফুলশয্যাতে শয়ন কৰি হওক কিম্বা নৱীযাৰ ঢাৰিপাটীতে বাগৰ দি হওক, যেনেতেনে প্ৰকাৰে নাতিনী-যুৰীয়া সৰযুক লৈ ছমাহ অতিবাহিত কৰি এদিন হেপাহেৰে অৰ্জ্জা ধন-সোণ, ঘৰ-বাৰী, গৰু-গাই, মৰমৰ পুত্ৰকন্যা আত্মীয়-স্বজন, সবাটোকে অধিক আদৰৰ দেহলাও তৰুণী ভাৰ্য্যাক এৰি থৈ অনন্ত শয়নত পৰি কাল-নিদ্ৰাক প্ৰেমালিঙ্গন কৰি চেনেহ-চুমা দিলে । কেইমাহমান আগেয়ে আমি ধনবৰক কাঠৰ দোলাত উঠি বিয়া কৰিবলৈ নেযোৱাত বেজাই পাইছিলো, কালৰ কুটিল গতিত আজি সেই ধনবৰেই বাঁহৰ দোলাত উঠি শ্মশানঘাটলৈ যাবলগীয়া হল । বুঢ়াবিলাকে গালে—"মা কুৰু ধনজন-যৌবনগৰ্ব্বম্ । হৰতি নিমেষাৎ কালঃ সৰ্ব্বম্ ॥" কিছুমানে আকৌ অথিৰধনজনবাৰ্দ্ধক্য গৰ্ব্বম্ বুলি তাৰে দোহাৰি কৰিলে । মনমোহনে ভাবিলে ভালেই হল, আপদ গল ; সকলোখিনি মোৰেই হল । দুই এজনে ৰহইছ কৰিলে,—বুঢ়াই খালে বিয়াৰ মালভোগ কল । সৰযুৱে মন্তব্য প্ৰকাশ কৰিলে যে বুঢ়া মানুহ যন্ত্ৰণা খাই থকাতকৈ মৰাই শ্ৰেয় । সিদিনা জানো তেওঁৰ সমনীয়া বিমলাৰ ককাদেউতাকো এইদৰে মৰা নাই । কিন্তু হায় ! হতভাগিনীয়ে বুজিও নুবুজিলে যে বিমলাৰ ককাদেউতাক মৰা আৰু তাইৰ স্বামী মৰাৰ মাজত স্বৰ্গ-মৰ্ত্ত্যৰ ব্যৱধান । সেইদিনাৰপৰা যে তাই বিধৱা, বামুণৰ বিধৱা ! সেইদিনাৰ পৰা যে তাইক হাবিয়াষৰ ৰূপ-যৌৱন ভোগ-বিলাসৰ বাসনা আদিয়ে সপ্তৰথী হৈ পাপচক্ৰবেহত সুমাই লৈ চাৰিওফালৰপৰা তীক্ষ্ণ শৰ হানিবৰ চেষ্টা কৰিব ! ককায়েক উকিল আহি কলে "সৰযু ! একো চিন্তা নকৰিবি । বিধিৰ লিখন খণ্ডন নেযায় । মই জীয়াই আছো যেতিয়া তোৰ ভাৱনা কিহৰ ? তই অতুল ঐশ্বৰ্য্যৰ ৰাণী । আজিৰপৰা বুঢ়াৰ সলনি ময়েই তোৰ অভিভাৱক হলো ।" এই কথা শুনি আজলী

সৰযুৱে মিচিকিয়া হাঁহি এটি মাৰি কলে "তুমি বৰ ভাল ককাইদেউ! মোলৈ তোমাৰ বৰ চেনেহ।"

সৰলা সৰযু! তুমি সংসাৰৰ আও-ভাও একো বুজা নাই। বুজিবাই বা কেনেকৈ? এতিয়াও তোমাৰ বোহ পাতি উমলি ভাত খোৱাৰ দিন। পাঠক! সৰযু যদিও গিৰীয়েকৰ ঘৰত, এতিয়াও তেওঁ পুষ্পিতা হোৱা নাই, এতিয়াও তেওঁৰ বালিকা জীৱনৰ সামৰণি পৰা নাই। বৃদ্ধই আশাভৰা বুকুৰে বেৰত আঁৰি থোৱা ছবিৰদৰে আঁতৰে আঁতৰে ফুৰা মানসীৰ সৌন্দৰ্য্য-সুধা কণ্ঠ শয্যাৰপৰা পান কৰি জীৱনৰ সান্ধ্যৰশ্মিত ভবিষ্যৎ পোহৰ দেখা পাইছিল মাথোন।

[ ৪ ]

ঈশ্বৰৰ সৃষ্টিখন বৰ জটীল। এলাপেচা মানুহৰ কথা কবই নেলাগে, বৰ বৰ জ্ঞানীলোকসকলেও ইয়াৰ ৰহস্য ভেদ কৰিবলৈ অক্ষম বুলি শতমুখে স্বীকাৰ কৰে। মৰুভূমিৰ ওপৰত বালিক ভাজি ওপতাবলৈ যোৱা নাইবা সাগৰত পানী ঢালি তাৰ আয়তন বঢ়াবলৈ যোৱা বলিয়ালিৰ বাহিৰে আন একো নহয়; কিন্তু কি মহৎ উদ্দেশ্যৰে সেই নেদেখা গৰাকীয়ে কন্দাকে কন্দুৱায়, হঁহাকে হঁহুৱায় তেলীৰ মূৰত তেল ঢালে, আৰু মাথিৰ মূৰৰপৰা ঘিউ কাঢ়ে, আমি সেইকথা কেনেকৈ কম? আমি নেজানিলেও বোধকৰো তেওঁ সেই একেটি উদ্দেশ্যৰেই বিবিধ অসৎ উপায় অবলম্বন কৰি লক্ষ্মীদেৱীৰ কৃপালাভ কৰা উকিল ডাঙৰীয়াক ধনবৰে এৰি থৈ যোৱা বিপুল ঐশ্বৰ্য্যৰ অধীশ্বৰ কৰিলে।

সময়-লুইতৰ কোবাল সোঁতে আঠোটা বছৰ উটাই লৈ গৈ অনন্তত লীন কৰিলে। আঠ বছৰীয়া বালিকা সৰযু এতিয়া যোড়শী গাভৰু। তেওঁৰ কপালত সেন্দুৰৰ ফোঁট নাই, মূৰত লাহতী সেওঁতা নাই, হাতে-কাণে অলঙ্কাৰ নাই, গাত পাট-পটৱৰৰ কাপোৰ নাই, আৰু মুখত আনন্দৰ লেশ মাত্ৰ নাই; কিয়নো হিন্দুৰ, বিশেষকৈ বামুণৰ বিধৱাৰ আৰু বৰগছৰ মূঢ়াৰ মাজত বেছি প্ৰভেদ নাই। এতিয়া তেওঁ সংসাৰৰ গতি-গোত্ৰ দেখি নিজৰ বিষয়ে বুজিব পাৰিছে। পিশাচৰ মায়া-আৱৰণ ভেদ কৰি স্বৰ্গৰ সুবিমল জেউতি দেখা পাইছে। তেওঁ এদিন অকলে অকলে বহি ভাবিছে—ককাইদেৱে মোক বিপুল ঐশ্বৰ্য্যৰ ৰাণী বোলে কিয়? মোৰ স্বামীৰ যি অতুল সম্পত্তি সেইবোৰ মোৰ অধিকাৰত আছে বুলিয়েই মোৰ এই ঘৃণাসূচক সন্মান নে? মই বিধৱা। বিধৱাৰতো ধন-ঐশ্বৰ্য্য একোৱেই প্ৰয়োজন নাই। ওহোঁ, মোৰ একো নেলাগে। বৰ্ত্তমানে সেইবোৰ ককাইদেৱে ভোগ কৰিছে কিন্তু তেওঁৰ যে মহা অন্যায় হৈছে! তেওঁৰতো সেই বস্তু নহয়। কি সূত্ৰে তেওঁ লোকৰ বস্তু ভোগ কৰিব? মই এইবোৰ চাই থাকিব নোৱাৰো। যাৰে বস্তু তাকে দি দিব লাগিব। তেতিয়াহে মই শান্তি পাম। এইবোৰ ভাবি ভাবি তেওঁ শয্যাত বাগৰ দিলে আৰু টোপনিত অচেতন হল।

[ ৫ ]

দেওবাৰ। ভাটিবেলা জুৰ পৰাত ডিব্ৰু নৈৰ পকা ঘাটত বহি দুজন ডেকাই প্ৰকৃতিৰ ৰেহ-ৰূপ চাই বিশুদ্ধ বায়ু সেৱন কৰিছে। এনে সময়ত তাৰে এজনৰ হাতত হৰকৰাই চিঠি এখন দিলেহি। ডেকাজনে ব্যগ্ৰভাৱে খামটোৰ মুখ ফালি চিঠিখন উলিয়াই দেখিলে যে তাত এইদৰে লিখা আছে—

মৰমৰ পদুমবোপা,

তুমি মোক চিনি নোপোৱা। মযো তোমাক চিনি নেপাওঁ। মানুহৰ মুখৰপৰা সবিশেষ জানিব পাৰিছো। তুমি কিয় নিজৰ ঘৰ-দুৱাৰ এৰি দেশান্তৰী হৈছা কব নোৱাৰো। বিশেষ অনুসন্ধান কৰি তুমি ডিব্ৰুত থকা বাতৰি পাই এই চিঠি লিখিলো। এই চিঠি পোৱা মাত্ৰে যেন ঘৰলৈ আঁহা, এয়ে মোৰ অনুৰোধ। তোমাৰ বস্তু-বাহী তোমাৰ হাতত সঁপি দিব পাৰিলেই মই নিলৈঠা হব পাৰো। বিশেষ লিখিবলগীয়া নাই। এই চিঠি জৰুৰী বুলি ভাবিবা। ইতি—

তোমাৰ

মাহীআয়েৰা।

চিঠিখনৰ আদ্যোপান্ত পঢ়ি চাই ডেকাজনে বন্ধুজনৰ পৰা বিদায় লৈ তন্ময় হৈ ঘৰলৈ উলটিল। পাঠক! এই ডেকাজনেই আমাৰ ধনবৰৰ পুত্ৰ পদুম। তেওঁ



বি-এ, পৰীক্ষাত ফেল হৈ আহি পঁচিশ টকা বেতনত ডিব্ৰুগড়ত মাষ্টৰী কৰিছেহি। এতিয়া তেওঁৰ নিজৰ ঘৰৰ লগত একো সম্বন্ধ নাই। এইহেন দায় নাই দেৱলীয়া, তিৰী নাই কেৱলীয়া জীৱনকে আজি পদুমে মধুৰ জ্ঞান কৰিছে।

[ ৬ ]

প্ৰায় দহবছৰমান নিৰুদ্দেশ পদুমৰ যেতিয়া ঘৰপেটাত অভ্যুদয় হল, তেতিয়াই যেন মনমোহনৰ মূৰত একেসময়তে সাতোখন সৰগ ভাগি পৰিল, কিন্তু অগত্যা মুখৰ লাজত যথেষ্ট আদৰ-সাদৰ কৰি আগন্তুকক আপ্যায়িত নকৰি নোৱাৰিলে। কিন্তু কথাই কথাই যেতিয়া তেওঁ সৰযুৱে পদুমক মাতি লিখা চিঠিৰ কথা শুনিলে তেতিয়া তেওঁ খঙত অগ্নিশৰ্ম্মা হৈ দাঁত কৰচিবলৈ ধৰিলে। কিন্তু কি হব? তাৰ যে প্ৰতিকাৰৰ উপায় একো নাই। লম্বোদৰ উকিল ডাঙৰীয়াই জীণ নিয়াহ যি অৱশেষ ৰাখিছিল পৈতৃক সম্পত্তিৰ একমাত্ৰ অধিকাৰী সূত্ৰে পদুমে তাৰ ভোগ দখলী পালে। এই কাৰ্য্যৰ সম্পাদিকা সৰযুৱে ককায়েকৰ পৰা যি বটা দৰ্ব্বচছ পালে সেইকথা নকওঁ এথোন। লাহে লাহে পাঠকে নিজেই বুজি লব পাৰিব।

সৰযুৱে ককায়েকৰ ঘৰত আৰু পদুমে নিজৰ ঘৰত থাকিলেও যে দুইজনৰ ভিতৰত দিনটোত এবাৰ আধবাৰ দেখা সাক্ষাৎ নহৈছিল এনে কথা কব নোৱাৰি। এইটোও ঠিক যে পদুমে বয়সত সৰু সৰযুক মাতৃতুল্য জ্ঞান কৰি সদায় শ্ৰদ্ধা আৰু ভক্তিৰ চকুৰে চাইছিল। কুটিল মনমোহনে কিন্তু দিনেনিশাই চিন্তা কৰিছিল কেনেকৈ পদুম আৰু সৰযু উভয়ৰে অহিত সাধন কৰিব পাৰি। তাকে কৰিবলৈ তেওঁৰ সৰহ দিন নেলাগিল। দুই এজন বন্ধুক টকাৰ বলেৰে বশ কৰি তেওঁলোকৰ মুখেৰে প্ৰচাৰ কৰি দিয়ালে যে সৰযু পদুমৰ প্ৰণয়িনী। বিধৱা ব্ৰাহ্মণ কন্যা নিজৰ দোষত ভ্ৰষ্টা। কথা বুলিলেই বতাহৰ লগত উৰে। ইকাণ-সিকাণ কৰি সহস্ৰকাণ হৈ যেতিয়া এই কথা সমাজৰ মুখিয়ালসকলৰ কাণত পৰিল তেওঁলোকে সমবেত হৈ আহি উকিল ডাঙৰীয়াক জনালে যে তেওঁ যদি সৰযুক নিলগ নকৰে তেন্তে তেওঁক ৰাইজে এখৰীয়া কৰিব। উকিল ডাঙৰীয়াই মুখেৰে বহুত দুখ প্ৰকাশ আৰু ভনীয়েকৰ হকে তৰ্ক প্ৰতিবাদ কৰি পৰাভৱ স্বীকাৰ কৰিলে আৰু বাৰীচুকত পঁজা এটা সাজি তাত ভ্ৰষ্টা সৰযুক স্থান দিলে। দেৱতাই যেনেকৈ নৈবেদ্যৰ মাত্ৰ প্ৰসাদ 'ঘ্ৰাণেন অৰ্দ্ধভোজন' কৰে সেইদৰে সমাজৰ বৰমূৰীয়াসকলে বিনাপ্ৰমাণে নিৰীহ প্ৰাণী এটিৰ দোষ সিদ্ধ কৰি শাস্তি প্ৰয়োগ কৰিলে আৰু সকলোতে ৰাষ্ট্ৰ কৰি দিলে যে সৰযু ভ্ৰষ্টা। উকিল ডাঙৰীয়াৰ মুখত বেজাৰ, পেটত আনন্দ। সৰযুৱে ৰাম হৰি একো নেমাতি নতশিৰে সমাজৰ দণ্ড মূৰ পাতি ললে। ধন্য সহনশীলা হিন্দুৰমণী! পদুমে সকলো কথা শুনি নীৰৱে চকুলো টুকিলে কিয়নো আনে নেজানিলেও ওপৰৰ ঈশ্বৰে আৰু তেওঁ ভালকৈ জানে যে পৱিত্ৰ-সলিলা সৰযুৰ জল পাপে স্পৰ্শ কৰি কলুষিত কৰা নাই আৰু আগলৈ তেনে কৰাৰ বিশেষ লক্ষণো নাই।

[ ৭ ]

তেতিয়াও পদুম অবিবাহিত। তেওঁৰ এটা হিন্দুস্থানী লগুৱা আছিল নাম ৰামচিং। ৰামচিঙে সদায় গিৰিহঁতৰ বিছনা কৰি পশ্চিমফালে মূৰশিতান কৰি দিয়ে। তাক একো নকৈ শুবৰ সময়ত পদুমে সদায় সেইভুল শুধৰাই লৈ শোৱে। ঈশ্বৰৰ ইচ্ছা।

সেইদিনাও ৰামচিঙে সেই একে ভুলকে কৰিছিল। ৰাতি যেতিয়া নিঃপালি দিলে তেতিয়া ৰামচিঙে এখোজ দুখোজকৈ পদুমৰ শোৱাকোঠাত সোমালগৈ, হাতত এখন চোকা নেপালী দা। সি সুযোগ চাই এবাৰ ডিঙি বুলি ভুল কৰি পদুমৰ আগভৰিত ঘা মাৰি দিলে। পদুমৰ ডকাইত ডকাইত আৰ্ত্তনাদত টোপনিৰ পৰা উঠি চুবুৰীয়া কেইজনমান আহি ঘৰৰ ভিতৰত সোমাল। ৰামচিঙে কথা বিসঙ্গতি দেখি খাটৰ তলত লুকাল যদিও এজনে দেখা পাই তৎক্ষণাৎ তাক ধৰি আনি হাতে ভৰিয়ে বান্ধি পেলালে আৰু যথাসময়ত পুলিচৰ হাতত গতাই দিলে। ঈশ্বৰ সহায় আছিল বুলি সেই যাত্ৰালৈ পদুম ৰক্ষা পৰিল। বৰ বেছি ৰক্ত আঘাত পোৱা

নাছিল। ছমাহমানৰ মূৰত ডাক্তৰৰ চিকিৎসাত তেওঁ সম্পূৰ্ণ আৰোগ্য হল।

যিদিনা গুৱাহাটীত জজছাহাবৰ আদালতত ৰামচিঙৰ শেহ বিচাৰৰ দিন সেইদিনা দৰ্শকৰ ভিৰ পূজা চোৱা মানুহতকৈয়ো বেছি। এটাৰ মূৰত কোব মাৰিলে শটা মৰে। আসামী কেৱল ৰামচিঙেই নহয়। আমাৰ মনমোহন উকিল ডাঙৰীয়াও হাতত ৰজাঘৰৰ প্ৰদত্ত লৌহশিক্লিৰী পিন্ধা আচামী। ভালকৈ প্ৰমাণ হৈ গৈছে যে ৰামচিঙে পঞ্চাশটকা ধন লৈ প্ৰভুহত্যা কৰি উকিল ডাঙৰীয়াৰ মনোতুষ্টিৰ চেষ্টা কৰিছিল। ইয়াত তেওঁৰ কি স্বাৰ্থ আছে পাঠকে আগেয়েই বুজ পাই আহিছে। বিচাৰত ৰামচিং আৰু উকিল উভয়ৰে দহবছৰকৈ ফাটক হল। সৰযুৰ সম্পৰ্কীয় ঘটনাৱলীও এই বিচাৰতে আলোচনা হৈছিল। শেহত বাধ্য হৈ নিজমুখে উকিলে স্বীকাৰ কৰিলে যে সৰযু ভ্ৰষ্টা নহয়। তেওঁ চক্ৰান্ত কৰিহে তেনে কৰিছিল। তেওঁ সমাজৰ বৰমূৰীয়াসকলক টকাৰে বশবৰ্ত্তী কৰি লৈ দুৰ্ব্বল সমাজক যন্ত্ৰৰ নিচিনাকৈ পৰিচালনা কৰিছিল। গতিকে প্ৰকৃততে সেই সমাজহে ভ্ৰষ্টা, সৰযু কেতিয়াও নহয়।

## সামৰণি

পাপীয়ে হাতে হাতে পাপৰ প্ৰতিফল পালে। কোনে কয় ঈশ্বৰ নাই? ৰাজহাউলী যেন, উকিলৰ ঘৰদুৱাৰ গৰুগাই, ধনসোণ চাওঁতে চাওঁতে সকলো অদৃশ্য হল। ফাটকতে তেওঁৰ মৃত্যু হয়। সতি-সন্তান একো নাছিল, এই ঘটনাৰ কেইমাহমান আগেয়েই তেওঁৰ সহধৰ্ম্মিণী পৰলোকলৈ যায়। আজি তেওঁৰ ভেটিত তিতালাও গজিছে। কাউৰীশিয়ালে বিকট আৰাৱ কৰি বাটৰ বাটৰুৱাক পাপৰ পৰিণাম চাবলৈ আহ্বান কৰিছে।

পদুমে বিয়া-বাৰু কৰাই খেতিবাৰি বেপাৰবণিজ কৰি সংসাৰ চলাইছে। সৰযুৱে পদুমৰ ঘৰত কঠোৰ ব্ৰহ্মচৰ্য্য অৱলম্বন কৰি ঈশ-আৰাধনাত কাল অতিবাহিত কৰিছে। সকলোৰে মহা পৰিবৰ্ত্তন হল, কিন্তু পৰিবৰ্ত্তন নহল কাৰ? একমাত্ৰ সমাজৰ। তেতিয়াৰ দৰে এতিয়াও যে সমাজ ভ্ৰষ্টা। এতিয়াও যে সমাজত এখন মুখেৰেই গীতা ভাগৱত ব্যাখ্যা কৰা আৰু লোকৰ বোৱাৰী-জীয়াৰীৰ চৰিত্ৰত কলঙ্কৰ খুঁত বিচাৰি প্ৰকাশ কৰা নেতাৰ অভাৱ নাই। এইদৰে বাৰু আৰু সমাজ কিমান দিন চলিব?"

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

---

# বৰ্ত্তমান অসমীয়া সাহিত্য

( আগৰ সংখ্যাৰ পিছৰ পৰা )

( ২ ) আমাৰ দেশৰ ঘটনা অৱলম্বন কৰি আমাৰ জাতীয় নাটকৰ একেবাৰে অভাৱ বুলি স্বীকাৰ কৰিব লাগিব। জয়মতী, গদাধৰ, লাচিত বৰফুকন, সাধনী, বেলিমাৰ, চক্ৰধ্বজসিংহ, ৰাধাৰুক্মিণী, মূলাগাভৰু, অস্তাচল বা বদন বৰফুকন, ৰমণীগাভৰু, হেম-প্ৰভা, শক্ৰদমন, ভীম-দৰ্প, অসম-প্ৰতিজ্ঞা বা চিলাৰায়, নীলাম্বৰ, আদি বুৰঞ্জী-মূলক নাটক ৰচিত হৈছে, আৰু সৰহভাগ প্ৰকাশিত হৈছে। কিন্তু অসম-বুৰঞ্জীত এতিয়াও বহুত ঘটনা আছে, যিবিলাক অৱলম্বন কৰি সুন্দৰ সুন্দৰ নাটক ৰচনা হব পাৰে। আমি ওপৰত কোৱাৰ দৰে অসমৰ এখন ডাঙৰ বুৰঞ্জী ওলালে অসমীয়া নাটক লেখাতো বিশেষ সহায় হব। অসমীয়া নাটকৰ অভাৱত, বঙালীৰ পৰা অনুবাদ কৰাত নাটৰ অভিনয় আসামৰ কেওফালে হবলৈ ধৰিছে। অসমীয়া নাটকৰ অভিনয় হব লাগে এই বিষয় লৈ মাজে মাজে থকাখুন্দা হোৱাও দেখা গৈছে। এইবোৰৰপৰা মাথোন এইটোহে প্ৰমাণ হৈছে, যে আমাক, অসমৰ বুৰঞ্জীমূলক মৌলিক নাটক লাগে।

( ৩ ) আমাৰ জীৱন-চৰিতৰ বৰ অভাৱ। নৰনাৰায়ণ, লাচিতফুকন, মোমাইতামুলী বৰবৰুৱা, ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়া গোহাই ডাঙৰীয়া, গুণাভিৰাম বৰুৱা, আৰু



হেমচন্দ্ৰ বৰুৱা আদি কৰ্ম্মবীৰ অসমীয়া মহাপুৰুষসকলৰ জীৱন-চৰিত আমাক লাগে। ৺গুণাভিৰাম বৰুৱাৰ, আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন-চৰিত অতি মনোৰম, কিন্তু সেই গ্ৰন্থৰে সম্ভুলিবোৰৰ আশ্ৰয় লৈ বৈজ্ঞানিক প্ৰণালীৰে নতুনকৈ এখন জীৱন-চৰিত লিখিব পাৰি। ঢেকিয়াল ফুকনৰ সাহিত্য-প্ৰতিভা, ৰাজ-কৰ্ম্মচাৰীৰূপে বিচক্ষণতা, মানুহস্বৰূপে সাহিত্য, অসমীয়া, বঙালী আৰু ইংৰাজী, এই তিনিওভাষাত বিচক্ষণ পাণ্ডিত্য আদিৰ আলোচনা নতুন জীৱন-চৰিতত থাকিব লাগিব। মহাপুৰুষ গুণাভিৰাম বৰুৱাৰ জীৱন-চৰিত আমাৰ বিশেষ দৰ্কাৰ। অসমীয়া সাহিত্য-চৰ্চ্চাত তেওঁৰ যি প্ৰভাৱ আছিল, সেই প্ৰভাৱৰ অধিকাৰী আজিকালি কোনো হব পৰা নাই। আজিৰ এই মুক্ত সভাত আমি অনুৰোধ কৰো, ৰায় বাহাদুৰৰ, কৃতী-পুত্ৰ শ্ৰীযুত জ্ঞানদাভিৰাম বৰুৱাই এই কামটো হাতত লওক।

( ৪ ) আমাৰ ভাষাৰ বৈজ্ঞানিক প্ৰণালীৰ এখন বুৰঞ্জীৰ বৰ অভাৱ, সংস্কৃত ভাষাৰপৰা যাইকৈ উৎপত্তি হৈ মৈথিলী, মাগধী, প্ৰাকৃত আদি ভাষাৰ লগত সাদৃশ্য আৰু পৰস্পৰ সম্বন্ধ, অসমীয়া ভাষাৰ ওপৰত আহোম ভাষাৰ প্ৰভাৱ আৰু ওচৰৰ পৰ্ব্বতীয়া জাতিৰ ভাষাৰ প্ৰতিপত্তি আদি দেখুৱাই এই বুৰঞ্জীৰ আলোচনা থাকিব লাগিব। ভাৰতীয় অন্যান্য আৰ্য্য ভাষাৰ সহিতে অসমীয়া ভাষাৰ বৈয়াকৰণিক নিয়মাৱলী, গঠন, বচনভঙ্গী, আৰু প্ৰকৃতি আদিৰ পুঙ্খানুপুঙ্খ আলোচনা এই বুৰঞ্জীত ঠাই পালে ভাল। কলিকতা বিশ্ববিদ্যালয়ৰ ভাষা-বিজ্ঞানৰ অধ্যাপক শ্ৰদ্ধাস্পদ বন্ধুবৰ ডাঃ সুনীতিকুমাৰ চাটাৰ্জ্জি এম, এ, ডাঙৰীয়াই এই ধৰণৰ এখন সুবৃহৎ বঙলা ভাষাৰ বুৰঞ্জী ৰচনা কৰিছে। সেই আলোচনাত বহুত ঠাইত অসমীয়া ভাষাৰ প্ৰকৃতি আদি দেখুৱা হৈছে। "অসমীয়া ভাষাৰ মৌলিক বিচাৰ প্ৰণেতা" শ্ৰীযুত দেবানন্দ ভৰালী ডাঙৰীয়াই এই কাম হাতত ললে বৰ ভালকৈ সুসম্পন্ন কৰিব পাৰিব। তাহানি অতি পৰিশ্ৰমৰে ভাষাবিজ্ঞান পঢ়োতা শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা পাঠক বি, এল, ডাঙৰীয়াইও এই কাম হাতত লব পাৰে। এইবাৰ বিশ্ববিদ্যালয়ত প্ৰথম স্থান অধিকাৰ কৰি Indian Vernacular-অত এম্, এ, পাছ কৰা শ্ৰীযুত লক্ষ্মীধৰ শৰ্ম্মাদেৱে অতি উদ্যমেৰে এই কাম হাতত লোৱা উচিত।

( ৫ ) অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ অভাৱ আমি ভালেমান দিনৰপৰা অনুভৱ কৰি আহিছো। তাহানি শ্ৰীযুত হেমচন্দ্ৰ গোস্বামীদেৱে "জোনাকী"ত "অসমীয়া ভাষাৰ বুৰঞ্জী" এখন কিছুদূৰ লিখি শেষ নকৰাকৈ এৰিলে। তেখেতে বোধকৰো পুনৰ সেই কাজ হাতত ললে সুকলমে সমাধা হব। তেখেতে বহুত অসমীয়া পুৰণি পুথি ঘাটিছে আৰু কিছুমান অসমীয়া পুথিৰ সংক্ষিপ্ত পৰিচয় অসমীয়া; মাহিলী কাকতবিলাকত প্ৰকাশ কৰিছে। তেখেত গোস্বামী ডাঙৰীয়া এই কামৰ নিমিত্তে বিশেষ উপযুক্ত। আমাৰ সাহিত্যৰ এখন সুবৃহৎ বুৰঞ্জী লিখি আশা কৰো গোস্বামী ডাঙৰীয়াই অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ যুগমীয়া কীৰ্ত্তি থাপি যাব। আজি প্ৰায় ১২।১৩ বছৰৰ আগেয়ে বহুত পৰিশ্ৰম কৰি শ্ৰীযুত দেবেন্দ্ৰনাথ বেজবৰুৱা বি, এল, ডাঙৰীয়াই অসমীয়া সাহিত্যৰ বুৰঞ্জী এখন সঙ্কলন কৰিছিল, তেতিয়া গ্ৰন্থকাৰৰ বিশেষ আজৰি নাছিল কাৰণ বিশ্ববিদ্যালয়ৰ বি, এ, পৰীক্ষাৰ কাৰণে তেওঁ সাজু হব লগাত পৰিছিল। বন্ধুবৰ বেজবৰুৱাদেৱে এই কাম পুনৰ হাতত লবনে? আৰু এজনে এইকাম হাতত লব পাৰে, তেখেত হৈছে তাহানি জোনাকীৰ হেমদাশৰথি চৌধুৰী বা শ্ৰীযুত সোণাৰাম চৌধুৰী।

( ৬ ) অসমীয়া সত্ৰবিলাকৰ এখন বুৰঞ্জীৰ আমাৰ বিশেষ দৰকাৰ হৈছে। এইবোৰ সত্ৰ কেনেকৈ স্থাপিত হল, ৰজাৰপৰা মাটি-বৃত্তি, কি উপায়ে দান পাইছিল আৰু এইবোৰ স্বত্ব পুথি আৰু পুথিৰ ভঁৰালৰ অৱস্থাৰ কথা থাকিব লাগিব। এই সত্ৰীয়া বুৰঞ্জীৰ লগতে অসমৰো বহুত অজ্ঞাত প্ৰাচীন কথা ওলাই পৰিব।

( ৭ ) আমাৰ সৰ্ব্ব-প্ৰধান অভাৱ হৈছে এজন উৎসাহপূৰ্ণ, উদ্যোগী আৰু ব্যৱসায়ী বুদ্ধি থকা প্ৰকাশক। অসমীয়া গ্ৰন্থকাৰে পুথি লিখি নিজৰ ধনেৰে ছপাব লাগে আৰু বেচাবো ব্যৱস্থা কৰিব লাগে, এইটো বাস্তৱিকে বৰ গুৰু কাম। যদি আমাৰ কোনো এজন প্ৰকাশক

থাকে যি জনৰ আসামৰ নানাকেন্দ্ৰত শাখা দোকান আছে আৰু যি জনৰ হাতত কিতাপ পৰিলেই জাননী আদি দি কিতাপৰ কথা মানুহৰ আগত প্ৰচাৰ কৰিব পাৰে তেনে ধৰণৰ প্ৰকাশক এজন আমাক লাগে। তেনেহলেহে আমাৰ গ্ৰন্থকাৰসকলে বেচাৰ কাৰণে নিশ্চিন্ত হৈ কিতাপ ৰচনা কৰি উলিয়াব পাৰে। আসামৰ নানা ঠাইত কিতাপৰ দোকান হলে আৰু এটি সুবিধা হয়। ভিঃ পিঃ ডাকত ॥০ অনীয়া কিতাপখন নিবলৈ হলে সৰ্ব্বমোট ৮৩ বা ৮/০ অনা পইচা খৰচ পৰে, কিতাপৰ দামৰ ওপৰিও ডাক মাচুল ৰেজিষ্টাৰী আৰু মনিঅৰ্ডাৰ কমিশ্বন দিব লগাত পৰে। আসামৰ নানা ঠাইত কিতাপৰ দোকান হলে, কিতাপৰ প্ৰকৃত দামটো দিয়ে মানুহে কিতাপ লব পাৰে। এইটো এটা বৰ ডাঙৰ সুবিধা আৰু কোনো মানুহে কিতাপ কিনিব মন কৰিলে কিতাপখন চাই লব পাৰে। শ্ৰীযুত শিৱনাথ ভট্টাচাৰ্য্য ডাঙৰীয়াই কিতাপ ব্যৱসায়ৰ বুদ্ধিৰে বহুত লুপ্ত ৰত্ন উদ্ধাৰ কৰি অসমীয়া সাহিত্যৰ কি পৰম উপকাৰ কৰিছে তাক আপোনালোকে জানে। যোৰহাট কাশীবিল্ডিংৰ স্বত্বাধিকাৰী আৰু আসাম পাবলিছিং হাউছৰ প্ৰতিষ্ঠাতা শ্ৰীযুত জিতেন্দ্ৰকুমাৰ দাস ডাঙৰীয়াই অসমীয়া কিতাপ প্ৰকাশ কৰাত বৰ উৎসাহেৰে লাগিছে আৰু সেই কামত সহায় কৰিবলৈ তেখেতে যোৰহাটত এখন ছাপাখানা সম্প্ৰতি প্ৰতিষ্ঠা কৰিছে, তেখেতৰ উৎসাহ আৰু অসমীয়া সাহিত্যৰ প্ৰতি অনুৰাগ বাস্তৱতে সকলোৰে আদৰ্শস্থানীয়।

(৮) অসমীয়া গ্ৰন্থৰ প্ৰচাৰৰ নিমিত্তে আমাক এটি সকলো কাম কৰিব পৰা ছাপাখানা লাগে, যাতে অসমীয়া গ্ৰন্থকাৰে নানান অসুবিধা ভুগিয়ে কলিকতা চহৰত কিতাপ ছপাবলৈ যাব লগাত নপৰে। সেই ছাপাখানাত Block কৰোতা মানুহ, চিত্ৰকৰ, আৰু ভাল দপ্তৰীয়ে থাকিব লাগিব, মোটৰ ওপৰত কলিকতাত যেনে সুন্দৰ আৰু পৰিপাটিৰূপে কিতাপ ছপোৱা আৰু বন্ধোৱা হয়, অসমতো যাতে সেই ৰকম হয়। আশা কৰো গুৱাহাটী নিউ প্ৰেছ আৰু যোৰহাটৰ দাস কোম্পানীৰ আসাম Printing Worksৰ ছাপাখানা অসমত আদৰ্শ ছাপাখানা হব আৰু কলিকতাৰ কুন্তলীন প্ৰেছ, Baptist Mission Press আদিৰ লগত ফেৰ মাৰিব পাৰিব।

(৯) আমাৰ মুছলমান ভাইসকলক অনুৰোধ কৰো, তেখেতসকলে যেন অসমীয়া সাহিত্যৰ ফালে আওকণীয়া নহয়। অসমীয়া সাহিত্য অকল অসমীয়া হিন্দুৰ সাহিত্য নহয়। যি অসমীয়া কয়, অসমীয়া সাহিত্যৰ ওপৰত তেওঁৰে দাবি আছে আৰু অসমীয়া সাহিত্যই তেওঁৰে পৰা কাম আশা কৰে। বঙ্গদেশত মুছলমান সাহিত্যিক সকলে বঙ্গলা সাহিত্যৰ উন্নতিত কাচিপাৰি লাগিছে। পাৰ্চি-সাহিত্যত কিমান মনোৰম গ্ৰন্থ আছে, পাৰ্চি ভাষাত আসাম আৰু অসমীয়াৰ বিষয় কিমান কথা আছে সেইবোৰৰ আভাস মুছলমান ভাইসকলে আমাক দিবনে? অসমীয়া ভাষাত পাৰ্চি ভাষাৰ কিমান শব্দ সোমাইছে সেইবোৰৰ আলোচনা পাৰ্চি জনা মুছলমান ভাইসকলে আলোচনা কৰিব পাৰে। মৌঃ মুহিবুলহক বি, এল, দেৱে এই কামত আগ বঢ়াত আমাৰ বৰ আনন্দ হৈছে। লুকীৰ মৌজাদাৰ হাজি মহম্মদ শাহ ডাঙৰীয়াই "লুকীৰ বুৰঞ্জী" লিখি আমাক বৰ আশা লগাইছে। "সাধনা" কাকতে মুছলমান ভাইসকলৰ মাজত এটি সাহিত্যিক জাগৰণ আনিব বুলি আমাৰ বিশ্বাস।

(১০) অসমীয়া সাহিত্যৰ উন্নতি সাধিবলৈ হলে আমাৰ আৰু এটি কথাৰ ঠিৰ হৈছে সাহিত্য সহানুভূতি যাক ইংৰাজীত কয় Patronage. আমাৰ গ্ৰন্থকাৰ আদি যিসকল সাহিত্য সভাত লাগে তেওঁলোক সাধাৰণতঃ দুখীয়া। ইয়াৰ কাৰণ হব পাৰে তেওঁলোক ভাব ৰাজ্যত গবেষণা কৰাত সংসাৰ বুদ্ধিত অপৈণত বা বিষয়-বাসনাৰ ফালে নিস্পৃহ বা সাহিত্য-চৰ্চ্চাত লাগি থাকোঁতে সাংসাৰিক প্ৰতিপত্তিৰ ফালে কাণ দিবলৈ তেওঁলোকৰ সময়ৰ নাটনি। এই ধৰণৰ সাহিত্যসেৱীসকলক অতীজৰেপৰা ৰাজ-পুৰুষে বা অৰ্থবন্তলোকে সহায় কৰি আহিছে। তেওঁলোকে সেই সহায়ত সাহিত্যসেৱাত একাগ্ৰতাৰে লাগিব পাৰিছে। ভোজৰাজ হৰ্ষবৰ্দ্ধন আৰু বিক্ৰমাদিত্যৰ সাহিত্য সহানুভূতিৰ কথা আপোনালোক সকলোৱে জানে। আমাৰ অসমতো তাহানি নৰনাৰায়ণ চিলাৰায়, দুৰ্লভনাৰায়ণ,



ৰুদ্ৰসিংহ ও শিৱসিংহ, বৰৰজা, ফুলেশ্বৰী, আই-কুঁৱৰী দেও আদিয়ে কি দৰে কবি আৰু গ্ৰন্থকাৰসকলক সাহায্য কৰিছিল আপোনালোকে বুৰঞ্জীত অনুসন্ধান কৰিলেই জানিব পাৰিব, বা কবিসকলৰ ভণিতাত দিয়া আত্ম-পৰিচায়ক পদৰপৰা অনুমান কৰিব পাৰিব। শ্ৰীযুত হিতেশ্বৰ বৰবৰুৱা ডাঙৰীয়াই কালি আমাক তুলসীদাসৰ ৰামায়ণ পুথি এখনি দেখুৱাইছিল। স্বৰ্গদেৱ কমলেশ্বৰসিংহ ৰজাৰ আদেশ মতে ৰাজ-মন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াৰ জৰীয়তে শ্ৰীকান্তসূৰ্য্যবিপ্ৰৰ দ্বাৰা এই পুথি ৰচিত হৈছিল। মান মৰাণৰ উপদ্ৰৱত দেশ ছাৰখাৰ, তথাপি সাহিত্য-প্ৰেমিক অসম ৰজা আৰু অসমৰ ৰাজ-মন্ত্ৰী ডাঙৰীয়াৰ অসমীয়া সাহিত্যৰ উন্নতি সাধনত কিমান চেষ্টা আপোনালোকে এবাৰ ভাবি চাওক। আমি কওঁ এতিয়াও আমাৰ দেশত সাহিত্য সহানুভূতি দেখুৱাই দুখীয়া সাহিত্যসেৱীক সহায় কৰাটো বাঞ্ছনীয়। আৰু কোনো গ্ৰন্থকাৰৰ উপযুক্ত গ্ৰন্থ ছপা নহৈ পৰি থাকিলে অৰ্থবন্তসকলে তাক প্ৰকাশ কৰা উচিত। এইদৰে সাহিত্য সহানুভূতিৰ শান্তিপানী ঢালিলেহে অসমীয়া সাহিত্য তৰু-জুপি ডাল-পাত-পোখা মেলি ফল-ফুলেৰে জকমক হৈ জয়জয় ময়ময় অৱস্থালৈ অহাটো সম্ভৱ।

(১১) আমাক এজন 'ডিক্‌টেতাৰ' লাগে। এই 'ডিকটেতাৰ' শব্দটোৰ অসমীয়া প্ৰতিশব্দ মই দিব পৰা নাই, ইয়াৰ কাৰণ আমাৰ 'ডিকটেতাৰ' নাই, গতিকে সেই ভাব বুজুৱা অসমীয়া শব্দও নাই। কিন্তু এই 'ডিক্‌টেতাৰ' শব্দৰ মানে আমি কি বুজাইছো তাক মই সংক্ষেপকৈ কওঁ।

কোনো এক জাতিৰ সাহিত্যৰ এক এক যুগত এজন এজন সুপণ্ডিত, সাহিত্যৰ সকলো কথা ভালকৈ বুজ পোৱা, সাহিত্যৰ সৰ্ব্ববাদী আদৰ্শ আৰু উদ্দেশ্যৰ সম্যক্ ধাৰণা থকা, আৰু নিৰপেক্ষ বিচাৰক এজন এজন পুৰুষ থাকে। তেওঁ সাহিত্যৰ গতি নিৰূপণ কৰে, নিৰুৎসাহী নিৰুদ্যম মানুহৰ অন্তৰত সাহিত্য সোৱাদ সঞ্চাৰণ কৰে, আৰু সমালোচনাৰ দুৰ্জ্জয় আগ্নেয় অস্ত্ৰত মসিমুৰ হোৱা গ্ৰন্থকাৰক একেষাৰ উৎসাহ আৰু প্ৰশংসাৰ বাণীৰে সঞ্জীৱিত কৰে। এই 'ডিক্‌টেতাৰ' জন নিজে প্ৰথম শ্ৰেণীৰ সৃষ্টিকাৰী সাহিত্যসেৱী নহলেও হয়। মাথোন তেওঁৰ মত আদিৰ বহুত চিন্তাত গবেষণাত অধ্যয়ন আৰু নিৰপেক্ষতাৰ পৰিচায়ক হব লাগে। খৃঃ ওঠৰ শতিকাত ডাক্তৰ জনছন, উনবিংশ শতিকাত মিঃ কাৰ্লাইল আদি এই 'ডিক্‌টেতাৰ' পদত অভিষিক্ত হৈছিল। অসমীয়া সাহিত্যতো উনৈশ শতিকাত ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱা ডাঙৰীয়া 'ডিক্‌টেতাৰ' আছিল বুলি আমি কব পাৰো। বঙ্গ সাহিত্যত উনৈশ শতিকাত বঙ্কিমচন্দ্ৰ আৰু বৰ্ত্তমান যুগত ৰবীন্দ্ৰনাথ ঠাকুৰ বা প্ৰাতঃস্মৰণীয় স্বৰ্গীয় ছাৰ আশুতোষ মুখোপাধ্যায় সৰ্ব্ববাদীসম্মত 'ডিক্‌টেতাৰ' বুলি আমি কব পাৰো। আমাৰ অসমীয়া সাহিত্যতো তেনে এজন 'ডিক্‌টেতাৰ' লাগে, আমাৰ ভাষা আৰু সাহিত্যৰ গতি আওপাকে গলে, সৰু বাটলৈ তেওঁ পোনাই আনিব পাৰিব, তেওঁক কেন্দ্ৰ কৰি বহুত নতুন নতুন সাহিত্যসেৱী সৃষ্টি হব, তেওঁৰ মুখৰ একেষাৰ উৎসাহপূৰ্ণ আশ্বাসবাণীয়ে বহুত নিৰুৎসাহী হতোদ্যম সাহিত্যসেৱীক সাহিত্য সাধনাত সঞ্জীৱনী দিব, মতদ্বৈধৰ মাজত পৰি থকা-খুন্দা লাগি ভাষা আৰু সাহিত্যৰ জীৱন কণ্টকময় হলে তেওঁ নিৰ্ব্বিবাদে সেই কণ্টক গুচাব পাৰিব। আৰু এটা কথা এই খিনিতে কৈ থোৱা উচিত যে "কামখালিৰ জাননী দি কাকো আমি 'ডিক্‌টেতাৰ' পদত নিযুক্ত কৰিব নোৱাৰো। কিন্তু এটা প্ৰস্তাব আপোনালোকৰ আগত ডাঙ্গি ধৰিব খোজো—আমি সাহিত্য-সম্মিলনৰ বছেৰেকীয়া অধিৱেশনত কাৰোবাক 'ডিক্‌টেতাৰ' বুলি ঘোষণা কৰাটো কিমানদুৰ সমীচীন আৰু সম্ভৱপৰ আপোনালোকে ভাবি চাব। আৰু বৰ্ত্তমান যুগত গুৰি-বঠা ধৰোতা কোনজন সাহিত্যৰথী 'ডিক্‌টেতাৰ' পদৰ উপযুক্ত আপোনালোকে বিচাৰি উলিয়াবলৈ এই সভামণ্ডপৰ চাৰিসীমাৰ বাহিৰে নগলেও হব বুলি মোৰ বিশ্বাস। এই সভাৰ মাজত যদি আপোনালোকে নাপায়, তেন্তে অসমৰ কতো তেওঁক বিচাৰি নাপাব বুলি মোৰ ধ্ৰুৱ বিশ্বাস।

(১২) অসমীয়া ভাষাত লিখা বা অসমীয়া গ্ৰন্থকাৰে লিখা বহুত গ্ৰন্থ লুপ্তপ্ৰায় হৈছে। সেইবোৰ পুন-

কন্ধাৰ কাৰ প্ৰকাশ কৰিলে ভাল। আমি প্ৰাচীন পুথি আদিৰ কথা নকওঁ, কাৰণ সেইবোৰ প্ৰকাশ কৰাৰ আন্দোলন সকলো ফালে চলিব লাগিছে, আৰু তাৰ আৱশ্যকতাৰ কথা সকলোৱে অনুভৱ কৰিছে। আগেয়ে এবাৰ ছপা হৈ যোৱা তলত লিখা পুথিবোৰ আমি পুনৰ ছপা কৰিব নোৱাৰোনে ?

(১) ১৮২৯ খৃষ্টাব্দত হলিৰাম ঢেকিয়াল ফুকন ডাঙৰীয়াই বঙ্গালী ভাষাত লিখা "অসম বুৰঞ্জী" প্ৰকাশ কৰিব লাগে। এই পুথিৰ সংক্ষিপ্ত পৰিচয় বৰ্ত্তমান সংখ্যা "বাঁহী"ত দিবলৈ যত্ন কৰিছো, তাক ইয়াত দোহাৰিবৈক নকলেও হব।

(২) ১৮৫৫ খৃষ্টাব্দত প্ৰকাশিত হোৱা আনন্দৰাম ঢেকিয়াল ফুকনৰ "A Few Remarks on the Assamese Language." অসম দেশ আৰু অসমীয়া সাহিত্যৰ একনিষ্ঠ সেৱক আনন্দৰাম ঢেকিয়াল ফুকনৰ এই কিতাপ খনিত অসমীয়া ভাষাৰ স্বাতন্ত্ৰ্য ভালকৈ প্ৰমাণিত হৈছে। এনেহেন বহুমূলীয়া গ্ৰন্থ বহুতে চাবলৈ হেপাহ কৰিছে— কিন্তু চাবলৈ পোৱা নাই।

(৩) আনন্দৰাম বৰুৱাৰ ইংৰাজী-সংস্কৃত অভিধান, উচ্চ সংস্কৃত ব্যাকৰণ, প্ৰাচীন ভাৰতৰ ভূগোল।

(৪) মহামহোপাধ্যায় ধীৰেশ্বৰ ভট্টাচাৰ্য্য ডাঙৰীয়াৰ নানা ছন্দৰ বিৱৰণ, উদাহৰণ আৰু আলোচনা থকা "বৃত্তমঞ্জৰী"।

(৫) গুণাভিৰাম বৰুৱা ডাঙৰীয়াৰ "ৰামনৱমী নাটক।"

(৬) অৰুণোদয় কাগজত ধাৰাবাহিকৰূপে ওলোৱা কোনো এখন আহোম ভাষাত লিখা বুৰঞ্জীৰ পৰা অসমীয়ালৈ অনুবাদ কৰা "পুৰণি অসমীয়া বুৰঞ্জী" গ্ৰন্থ খনি।

(৭) পুৰণি জোনাকী, বিজুলী, আসাম-বন্ধু, অৰুণোদয়, আদি মাহিলী কাকতত ওলোৱা বুৰঞ্জীমূলক প্ৰবন্ধাৱলী এখন গ্ৰন্থৰ অন্তৰ্গত কৰি উলিয়ালে সি বহুমূলীয়া সম্পত্তি হব, যথা :— ৺ৰত্নেশ্বৰ মহন্তৰ অসমত মান, মোৱামৰীয়া বিদ্ৰোহ, জয়মতী কুঁৱৰী, তুলাৰাম সেনাপতি, মীনাৱতী, শ্ৰীযুত পদ্মনাথ বৰুৱা ডাঙৰীয়াৰ আহোমৰ দিন ; ৺গুণাভিৰাম বৰুৱাৰ আগৰ দিন, কটকী উকীল তোলা ; শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াৰ কমলেশ্বৰসিংহ স্বৰ্গদেৱৰ দিনত অসমৰ অৱস্থা।

(৮) স্বৰ্গীয় নীলকুমুদ বৰুৱা বা ইন্দীবৰ বৰুৱা ডাঙৰীয়াৰ "জীৱনাদৰ্শ" পুথিত বহুত অসমীয়া কৃতী পুৰুষৰ জীৱন চৰিত আৰু অসম বুৰঞ্জীৰ অপ্ৰকাশিত ঘটনাৱলী আছে।

(৯) ইংৰাজী মাহিলী পত্ৰিকাবিলাকত ওলোৱা তলত নাম দিয়া প্ৰবন্ধাৱলী উলিয়াব পাৰিলে পুৰাবৃত্ত আলোচনাত বিশেষ সহায় হব।

*(a) Asiatic Journal (1828-1845)*-ত ওলোৱা প্ৰবন্ধাৱলী।

(i) Condition of Assam in the beginning of British Rule. 1836.

(ii) A brief description of poisoned arrows of Assam 1837.

(iii) A Review of Haliram Dhekial Phukan's History of Assam by Tarachand Chakravarti. 1836.

(iv) Failure of Raja Purandar Singha to provide adequately for the protection of his country, and the annexation of upper Assam to British territories. 1839.

(v) Establishment of the first English School at Gauhati, also of some missionary schools. 1836.

(vi) Notice of the good administration of the late David Scott Esqr., Commissioner of Assam. 1832.

(vii) A brief statement of the conditions of slavery and beginning of the movement towards its extinction. 1836

(viii) Description of some temples and



ruins at Charduar in Assam, by Capt. G. E. Westmacott. 1835.

*Journal of the Asiatic Society of Bengal*

(i) Description of the tomb of an Ahom noble : by Sergeant C. Clayton. June 1848.

(ii) Aryan Races of India, Assam and Burmah : by S. E. Peal. Part 3 No. 1 of 1896.

(iii) Tribes of the Brahmaputra Valley by L. A. Waddell. Part 3 of 1900.

(iv) Notes on some coins of the Koch Kings : by E. A. Gait. Part I. No. 3 of 1895.

(v) Notes on some Ahom coins : by E. A. Gait. Part I. No. 4 of 1895.

(vi) Notes on the Ruins of Dimapur Part I. No 1 of 1874.

(vii) An Assamese Fortifications and Legends relating thereto. by W. N. Edwards & H. H. Mann. Part I. No. 3 of 1894.

(viii) Notes on Gargaon : by J. M. Forter. Part I. No. 1 of 1872.

(ix) Native account of washing of gold in Assam : by Monuram. Part 2. Volume 7.

(x) Further information on the washing of gold in Assam. Extract fron Capt. Hannay's communication to Capt. Jenkins Vol. 7. Part 2.

(xi) Human Sacrifices in Ancient Assam : by E. A. Gait. Part 3. No. 1 of 1895.

(xii) The Temple at Jaysagar in Upper Assam. by J. M. Forter. Part I. No. 4 of 1874.

(xiii) Koch Behar and Koch Hajo and Assam in the 16th and 17th centuries according to the Akbarnamah, Padishahnamah, and Fathiyah-i-Ibryah. by H. Blockman. Part I. No. 1 of 1872.

(xiv) Koch Kings of Kamrup. By E. A. Gait. Part I. No. 4 of 1893.

(xv) Languages of the various tribes inhabiting the Valley of Assam, and its mountains confines. March 1849. by W. Robinson.

(xvi) Mahapurusiahs : a Sect of Vaisnavas in Assam : by E. J. T. Dalton. No. 6 of 1851.

(xvii) A Short account of the Moamaria sect and of the country at present occupied by Bor Senapati. Vol. 7 Part 2

(xviii) History of Assam. Vol. 21.

(xix) History of Ancient Assam. Vol. 10.

(xx) Religious History of Assam. Vol. 10.

(১৩) আৰু এটি লাগতিয়াল কাম আমাৰ কৰিবলগীয়া আছে, সি হৈছে মুছলমান বুৰঞ্জী লেখকসকলে অসম আৰু অসমীয়াৰ বিষয়ে কোৱা কথা খিনি। আজি ১৫ বছৰৰ আগেয়ে Fathiyah-i-bhriah-অৰ অসমীয়া ভাঙনি বৰ্ত্তমান লিখকৰ আহোমৰ দিনত দিয়া হৈছে। শ্ৰীযুত বেণুধৰশৰ্ম্মা দেৱে এই বিষয়ত বহুতে কৰিছে, কিন্তু আমাৰ আৰু কৰিবলগীয়া আছে বুলি ধাৰণা। আমি যিমানদূৰ জানিছো তলত নাম দিয়া ফাৰ্চী ভাষাৰ পুথিবোৰত অসমৰ কথা আছে।—

(i) Shahnama by Firdusi.

(ii) A Description of Assam, by Muha-

mmad Cazim. এই কিতাপখনি দ্বিতীয় খণ্ড খৃঃ ১৭৯২ চনৰ Asiatic Researches নামে কাকতত হেনৰী বেন্ধীটাট অৰ দ্বাৰা অসমীয়ালৈ ভঙোৱা হৈছিল।

(iii) Akbar-nama, by Abul Fazal.

(iv) Padishahnama.

(v) Alamgir Nabuah.

(vi) Fathiyah-i-Ibriyah, by Sahabuddin Mahammad Tabrih.

(vii) Mashiri Alamgiri.

(viii) Farman from Emperor Aurangzeb & Mirjumla commanding the latter to invade Assam.

(১৪) আৰু কি কি পুথি বা পুথিৰ অংশ অসমীয়ালৈ অনুবাদ কৰি অসমীয়া বাইজৰ আগত প্ৰকাশ কৰিব পাৰি, তাৰ এটি সংক্ষেপ তালিকা দিওঁ।—

(i) Treaty between Swargadev Gourinath Singha and the Government of the East India Company. 1795.

(ii) The Treaty of Yandabu. 1826

(iii) Hieuen-Tsang's Account of Kamarupa.

(iv) হৰ্ষচৰিতত থকা ভাস্কৰবৰ্ম্মাৰ কাহিনী।

(v) মহাভাৰতত থকা ভগদত্তৰ ৰণবিক্ৰমৰ বিৱৰণী।

(vi) Tavernier আৰু Bernier অৰ অসমৰ বিৱৰণ।

(vii) Capt. Welsh's Expedition to Assam 1792-1794. by Lt. Col. J. Johnstone.

(১৫) অসমৰ নানা ঠাইত, বিশেষকৈ মঠ-মন্দিৰ বোৰত শিলৰ ফলি আৰু তামৰ ফলিত থকা লিপিবোৰৰ অসমীয়া অনুবাদ কৰি একেলগে ঐতিহাসিক টোকা দি প্ৰকাশ কৰাৰ নিতান্ত দৰ্কাৰ। এই শিলালিপিবোৰৰ অসমীয়া ভাঙনি শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াই তাহানি মাহিলী কাকতত প্ৰকাশ কৰিছিল। তাকে এতিয়া পুথিৰ আকাৰে ছপালে বৰ ভাল হয়। এই শিলালিপি আৰু তামৰ ফলি উদ্ধাৰত জেনেৰেল জেনকিন্স, ডাঃ হৰ্ণেলি ডাঃ কিলহৰ্ণ, কৰ্ণেল গডন, মহামহোপাধ্যায় ৺ধাৰেশ্বৰ ভট্টাচাৰ্য্য, মহামহোপাধ্যায় পদ্মনাথ বিদ্যাবিনোদ আৰু শ্ৰীযুত সোণাৰাম চৌধুৰী ডাঙৰীয়াৰ পৰিশ্ৰম আৰু সাফল্যৰ কথা আমি স্বীকাৰ কৰিব লাগিব।

(১৬) অসমৰ ঐতিহাসিক চিঠিবোৰ গোটাই প্ৰকাশ কৰাৰ সময় আহিল। শ্ৰীযুত হেমচন্দ্ৰ গোস্বামীদেৱে তেনে চিঠি সংগ্ৰহ কৰিছে। প্ৰত্যেক চিঠিৰ ঐতিহাসিক পাতনি দিয়া, প্ৰত্যেক চিঠিত উল্লিখিত বুৰঞ্জীৰ কথা আৰু নামবোৰৰ ব্যাখ্যা দিয়া, আৰু সেই চিঠিবোৰৰ সৰল অসমীয়া ভাঙনি দিয়াটো বৰ পৰিশ্ৰমৰ কথা। কিন্তু সেই কামৰ কাৰণে আমি গোস্বামী ডাঙৰীয়াকে উপযুক্ত বুলি বিবেচনা কৰিছো, আৰু তেখেতেই এই কাম হাতত লব বুলি আমি আশা কৰিলো। এই চিঠিবোৰৰ ভাষা বাৰেমিহলী ভাষা। সংস্কৃত, অসমীয়া, বঙ্গলা, উৰ্দ্দু, পাৰ্চী আদি নানান ভাষাৰ বিচিত্ৰ সান-মিহলি কতো দেখা পোৱা নাযায়। আৰবী, পাৰ্চী, আৰু উৰ্দ্দু ভাষাত সুপণ্ডিত বন্ধুবৰ মৌলবী চৈয়দ মহিবুল্লা এম-এ, চাহাবে এই চিঠিবোৰৰ সৰল অসমীয়া ভাঙনি দিবলৈ গাত ললে, কামটো অতি সুচাৰু হব। আমাৰ এই কটকী ভাষাৰ (Diplomatic or Cosmopolitan Language) এফেৰা চিনাকি আপোনালোকক দিওঁ। মুছলমান সেনাপতি আলেয়াৰ খাঁই অসমৰ সেনাপতি মোমাই-তামুলীলৈ দিয়া পত্ৰৰ এডুখৰিঃ—"স্বস্তি সকলমঙ্গলাগাৰ বিবিধগুণালঙ্কৃত সুৰনদীসলিলনিৰ্ম্মলযশোৰাশি পৰিপূৰিষকলেৱৰ শ্ৰীযুতবৰবৰুৱা সুচাৰুচৰিত্ৰবিচিত্ৰমন্ত্ৰীবৰেষু, সৌহাৰ্দ্যপূৰ্ব্বক লেখনং, কাৰ্য্যঞ্চ আগে। এথা কুশল-মঙ্গল, হামেচা চাহিপৰং, তোমাৰ ফৰমান নবেৰ জানিলাম। দিন দিন দোষ্টি একত্ৰ হামৰা হৈবেক। অতএৱ তোমাৰ আমাৰ কিঞ্চিতাদি অসন্তোষ গিৰনেষ্ট আছ। তুমি বুলিছা উত্তৰে বৰনদী দক্ষিণে অসুৰ আলি ইতিমধ্যে তোমাৰ আমাৰ কবুল না ফিৰিবেক। তোমাৰ আমাৰ ধৰ্ম্ম-যশস্যা বাঢ়িতেছি। আৰু দুই দলৰ গো-ব্ৰাহ্মণ সুখে ৰহিবেক। দুই হাণাৰ যুদ্ধাদি হৈলে উভয়ৰ পাৰাপী হৈবেক…………।"



মোমাই তামুলীয়ে আলিয়াৰ খাঁলৈ দিয়া প্ৰত্যুত্তৰ চিঠিৰ একাংশ।—"স্বস্তি নিখিলগুণৈকধাম সৰ্ব্বোপমাযোগ্য শ্ৰীযুত নবাব আহ্লাদ খাঁ সুজাবৰেষু সস্নেহপূৰ্ব্বক লেখনং, কাৰ্য্যঞ্চ আগে। তোমাৰ কুশল শুনি ভালগুণৰ আশ্ৰয় সকলো উপমাযোগ্য শ্ৰীযুত শুভচিন্তা স্নেহ কৰি লিখিছো। আমাৰ কুশল সৰ্ব্বত্ৰে চাহি পৰং, সমাচাৰ তোমাৰ কুশল শুনি পৰম সন্তোষ। উকীল চেকমেদাও কটকী একাদহ এই দুই জন মনুষ্য পঠাইছিলাম সে আসি পহুছিলাম। ইহানাৰ মুখে তোমাৰ কুশল শুনিয়া পৰম সন্তোষ হৈলাম। আৰ তুমি বুলি আছা উত্তৰে বৰনদী দক্ষিণে অসুৰ আলি ইতিমধ্যে বন্ধনিবন্ধানুসাৰে বদকৰাল হৈলে উভয় পক্ষৰ ৰক্ষা হয়……।"

(১৭) আৰু এটি কথা কওঁ। কবিতা লিখিবলৈ অসমৰ গিৰি-নদী-হৈয়াম, হাবি-বননি ঘৰুৱা জীৱন আদিত বহুত বিষয় আছে। নাটক, মহাকাব্য লিখিবলৈ অসমীয়া বুৰঞ্জীত বহুত ঘটনা আছে। আৰু আমাৰ অসমীয়াৰ দৈনন্দিন জীৱনত, আমাৰ হাঁহা-কন্দা, ভবা-চিন্তা ঠেহ-পেচ, খাৱন-শোৱন, এই সকলোতে উপন্যাসৰ সঞ্জুলি আছে। সেইবোৰ প্ৰতিভাৰ চকুৰে চালে tragedy comedy দুয়ো ওলাব। অসমীয়াৰ সৰল জীৱনত, অসমীয়া গাভৰুৰ স্বাভাৱিক চালচলনত কথাবাৰ্ত্তাত, শ্ৰীযুত ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াই উপন্যাসৰ আহিলা পাইছে, সেই কাৰণে তেখেতক অসমীয়া বঙ্কিমচন্দ্ৰ বা Sir Walter Scott বুলিব পাৰি।

ডাঙৰীয়া সকল, আমাৰ কবলগীয়া বহুত কথা থাকিলেও আজিলৈ ইমানতে সামৰণি মাৰিলো। প্ৰত্যেক অসমীয়াই নিজ শক্তি হিচাপে অসমীয়া সাহিত্যৰ উন্নতিত সহায় কৰিব আপোনালোকৰ ওচৰত মই আন্তৰিক প্ৰাৰ্থনা জনালো।

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা

---

# পৰাজয়ত ধৈৰ্য্যৰক্ষা

সাধাৰণতে মানুহে ভাবে, কৰ্ম্ম-জীৱনত সকলো কথাতে জিকি কুৰাতহে গৌৰৱ—কোনো কথাত পৰাজিত হোৱাত গৌৰৱ যে নায়েই, অকল কলঙ্ক মাথোন! কিন্তু অলপ দকৈ গমি চালেই বুজিব পাৰি যে এনে অনুমান সকলো অৱস্থাতে সঁচা নহয়।

নেপোলিয়নৰ লগত যুদ্ধ কৰি, পৰাস্ত হৈ সসৈন্যে পলাই সাৰিব পৰাতহে ছাৰ্ জন মুৰৰ গৌৰৱ! মাজনিশা পাণ্ডৱ-শিবিৰ সোমাই, নিদ্ৰিত পাণ্ডৱপুত্ৰ কেজনৰ নিধনত কৃতকাৰ্য্য হোৱাটো অশ্বত্থামাৰ কলঙ্ক!

অকল জয়লাভৰ ভিতৰেদিয়েইহে যে কৃতকাৰ্য্যতাই আত্মপ্ৰকাশ কৰে, তেনে নহয়; কোনো কোনো অৱস্থাত পৰাজয়ৰ ভিতৰেদিও কৃতকাৰ্য্যতাই আত্মপ্ৰকাশ কৰা দেখা যায়। হৰিণাক বাঘে খেদিলে, হৰিণা যদি পলাই সাৰিব পাৰে, তেন্তে হৰিণা জিকে। মহাত্মা যীশুৰ ক্ৰুছবিদ্ধ হৈ মৰাটোক "মৃত্যু" নুবুলি "অমৰত্বপ্ৰাপ্তি" বোলাটোহে যুগুত; কিয়নো, সেই মৃত্যুৰ ভিতৰেদিয়েই—তেওঁ জগজ্জয় কৰিব পাৰিছিল।

জীৱনৰ পৰাজয়বোৰ উৎসাহী কৰ্ম্মীপুৰুষৰ নিমিত্তে বৰ উপদেশপূৰ্ণ। পৰাজয়ৰ জৰীয়তে পোৱা উপদেশবোৰ পালন কৰি নানা উৎসাহী কৰ্ম্মীপুৰুষে নানা সময়ত নানা অৱস্থাত জীৱন যুদ্ধৰ নানা কাৰ্য্যত অপূৰ্ব্ব জয়লাভৰ গৌৰৱ আজি চিৰস্মৰণীয় হৈ গৈছে। ৰজা আলফ্ৰেড, ৰবাৰ্ট ব্ৰুছ, ৰাণা প্ৰতাপসিংহ, ঋষি বিশ্বামিত্ৰ প্ৰভৃতি কৰ্ম্মীপুৰুষেই তাৰ দৃষ্টান্ত। উদ্যমবিহীন, অক্ষম, কাপুৰুষবিলাকেহে পৰাজয়ত ভগ্নোৎসাহ হৈ চিৰজীৱনৰ নিমিত্তে নিৰাশ হৈ পৰে। স্কুলীয়া ইস্কুলীয়া লৰাই পৰীক্ষাত উঠিব নোৱাৰি আত্মহত্যা কৰা শুনিলে লৰাটোলৈ মৰম নালাগে ঘিণহে লাগে! উৎসাহী পুৰুষবিলা-

কৰ নিমিত্তে পৰাজয়বোৰ উদগণিৰ নামান্তৰ মাথোন। অনুদামী কাপুৰুষবোৰৰ নিমিত্তেহে পৰাজয়বোৰ জোকৰ মুখৰ চূণ।

দাবাগ্নি ইন্ধনৰ অভাৱত আপোনাআপুনি নুমায়। বেলি আপোনাআপুনি মাৰ যায়। এইবোৰক কোনেও কু মাৰি নুমুৱাব নোৱাৰে। ৰামৰ হাতত পৰাজিত হৈ পৰশুৰামৰ নেখীয়া তেজস্বী পুৰুষে যে উদ্যমবিহীন হৈ গা এৰি দিছিল, সেইটো বয়সৰ দোষতহে। সেইটো প্ৰাকৃতিক পৰাজয়।

কিন্তু একশ্ৰেণীৰ মানুহ আছে, তেওঁবিলাক উদ্যম-বিহীনো নহয়, কাপুৰুষো নহয়। এই শ্ৰেণীৰ মানুহৰ উগ্ৰ তেজস্বিতাটোৱেই পৰাজিত অৱস্থাত, তেওঁবিলাকৰ সৰ্ব্বনাশৰ কাৰণস্বৰূপ হয়। যি পেট্ৰলৰ শক্তিত মটৰ গাড়ী ইমান খৰকৈ যায়, মটৰ গাড়ী লুটি খালে, কেতিয়াবা সেই পেট্ৰলেই মটৰ ধ্বংসৰ কাৰণস্বৰূপ হয়। ঠিক সেইদৰে এই শ্ৰেণীৰ মানুহ পৰাজয়ত ইমান অধৈৰ্য্য হৈ পৰে যে তেওঁবিলাকে পৰাজয়ৰপৰা ভবিষ্যত আচৰণৰ নিমিত্তে উপদেশ সঞ্চয় কৰক ছাবি, ভীষণ ক্ৰোধত কাণ্ড জ্ঞানশূন্য হৈ এনে একোটা কৰিবনলগীয়া কাম কৰি পেলায় যে তাৰপৰা তেওঁবিলাকৰ নিজৰেই সৰ্ব্বনাশ ঘটে। এইবিষয়ে বছৰদিয়েক আগতে ঘটি যোৱা এটা সত্যঘটনামূলক দৃষ্টান্ত দিয়া যক:—

কোনো এঠাইত এজন ওখথাপৰ ভাৰতীয় সৈনিক কৰ্ম্মচাৰী আছিল। তেওঁ দেৰশ কি দুশমান টকা দৰ্ম্মহা পাইছিল। ইংৰাজীত কাম চলাব পৰাকৈ কৰ, লেখিব আৰু বুজিব পাৰিছিল। স্বাস্থ্যপূৰ্ণ শৰীৰ, সুন্দৰী স্ত্ৰী, প্ৰিয়দৰ্শন পুত্ৰ, যথেষ্ট ধন-বস্তু, ইত্যাদি সকলো তেওঁৰ আছিল; কিন্তু এই সকলোবোৰ থকা সত্বেও তেওঁৰ অলপ চৰিত্ৰদোষ আছিল। এই চৰিত্ৰদোষেই তেওঁৰ সৰ্ব্বনাশৰ কাৰণ হল।

সেনানিবাসৰ ওচৰতে এজনী নিম্নশ্ৰেণীৰ সুন্দৰী ছোৱালী বাস কৰিছিল। সৈনিকপ্ৰবৰৰ লুব্ধদৃষ্টি সেই ছোৱালীজনীৰ ওপৰত পৰিল। তেওঁ ছোৱালীজনী হাত কৰিবৰ নিমিত্তে নানা প্ৰকাৰে চেষ্টা কৰিবলৈ ধৰিলে। তেওঁ উদ্দেশ্য সিদ্ধিৰ নিমিত্তে এটা বজকৰা লৰাক কটকী নিযুক্ত কৰিলে, আৰু লৰাটোৰ হাতেদি চেগ বুজি আৰ্চি, ফণি, গোন্ধতেল, ছোলা ইত্যাদি মাইকী মানুহে ভালপোৱা নানা ক্ষুদ্ৰবস্তু উপহাৰস্বৰূপে ছোৱালীজনীলৈ পঠিয়াবলৈ ধৰিলে। লৰাটোৱেও নানা ফাকতিৰে বিভিন্ন সময়ত ক্ৰমে নানাবস্তু আমাৰ প্ৰেমিক সৈনিকৰপৰা সৰকাই আত্মসাৎ কৰিবলৈ ধৰিলে।

শেহত কিন্তু প্ৰকাশ পালে যে সৈনিকে দিয়া বস্তুবোৰ মাজবাটতে লৰাটোৱে হজম কৰি নিছিল, ছোৱালীজনীয়ে একোকে পোৱা নাছিল! তেতিয়া সৈনিকৰ বৰ খং উঠিল, আৰু এটা বজকৰা লৰাই তেওঁৰ নেখীয়া প্ৰতাপী আৰু সেয়ান সৈনিক পুৰুষৰ চকুত ধূলি মাৰিব পৰাত, তেওঁৰ আত্মাভিমানত ইমান আঘাত লাগিল যে প্ৰতিশোধৰ বাহিৰে আন একোৱেই তেওঁৰ মনলৈ শান্তি আনিব নোৱাৰা হল। তেওঁ উপযুক্ত শিক্ষা দিবৰ নিমিত্তে লৰাটোক বিচাৰিবলৈ ধৰিলে। কিন্তু লৰাটোৱে তাৰ প্ৰবঞ্চনা প্ৰকাশ পোৱাৰ আৰু সৈনিকৰ প্ৰতিশোধাভিলাষৰ সকলো কথাৰ ভু পাই, পলাই আঁতৰি ফুৰিবলৈ ধৰিলে। অৱশেষত কিন্তু এদিন কেইজনমান অধীনস্থ চিপাহীৰ হাতত জডোপৰ নিজান ঠাইত লৰাটো ধৰা পৰিল; আৰু সৈনিকজনৰ গোৰ-চৰ-ভুকুত তাৰ প্ৰাণপখীয়ে দেহপিঞ্জৰ এৰি গুচি গল! লৰাটো মৰিলত হত্যাকাৰীয়ে হত্যা গোপনৰ নিমিত্তে তাৰ শটো পানীত উটাই দিলে। কিন্তু ঘটনাচক্ৰত পুলিছৰ চেষ্টাত যেতিয়া সৈনিকজন হত্যাকাৰী বুলি গ্ৰেপ্তাৰ হবৰ আশঙ্কা উপস্থিত হল, তেতিয়া তেওঁ চিকাৰ কৰিবলৈ যোৱাৰ ছলেৰে সশস্ত্ৰে হাবি সোমাই পৰ্ব্বতৰ ফাললৈ পলাই গুচি গল। তেওঁৰ ভাগ্যত কি ঘটিল, আজিলৈকে কোনেও কব নোৱাৰে; কিন্তু নিজৰ অবিবেকতাপ্ৰসূত কুকাৰ্য্যৰ ফলস্বৰূপে, তেওঁ দেশতে নিজৰ স্ত্ৰী, পুত্ৰ, আত্মীয়-স্বজনৰ স্নেহময় সঙ্গৰপৰা আৰু নিজৰ ধন-সম্পত্তিৰপৰা জনমলৈকে বঞ্চিত হল! সৈনিকজনে কুউদ্দেশ্য সাধনৰ নিমিত্তে কুজনত বিশ্বাস স্থাপন কৰিছিল। সেইবাবে তেওঁৰ নৈতিক দৌৰ্ব্বল্য ঘটিছিল। এই নৈতিক পৰাজয়ৰ বাবে তেওঁৰ নিজৰ



চৰিত্ৰ আৰু নিজৰ কুবুদ্ধি জগৰীয়া। এই বঞ্চনাজনিত ক্ষতিখিনিক তেওঁ ভবিষ্যতলৈ সাৱধান হবলৈ শিকাৰ মূল্যস্বৰূপ ("আক্কেল-চালামী") বুলি ধৰি লৈ সেইখিনিতে ৰব লাগিছিল। কিন্তু সেইটো নকৰি, তেওঁ অতি দৰ্পৰ বশৱৰ্ত্তী হৈ, পৰাজয়-কলঙ্ক স্খালনৰ নিমিত্তে, নিজৰ অজ্ঞাতসাৰে নিজজীৱনৰ সকলো সুখ সুবিধা আৰু যথাসৰ্ব্বস্ব 'পণ' কৰি কাৰ্য্যক্ষেত্ৰত অৱতীৰ্ণ হৈছিল! গোটেইটো ঘটনা ফঁহিয়াই চাই আমি ইয়াকে পাওঁ যে, তেওঁ এটা দুষ্কাৰ্য্য কৰিব খুজিছিল; কিন্তু লৰাটোৱে তেওঁৰ দুষ্কাৰ্য্যত সহায় নকৰিলে: (অৱশ্যে আওপাকে); আৰু তেওঁৰ নেখীয়া বুদ্ধিবান আৰু প্ৰতাপী পুৰুষজনে লৰাটোৱে এইদৰে ফাঁকি দিব বুলি আগেয়ে বুজিব নোৱাৰিলে, অৰ্থাৎ সামান্য বজকৰা লৰা এটাই তেওঁক ফাঁকি দিব পৰাত তেওঁৰ বুদ্ধিৰ মৰ্য্যাদা হানি হল। এইবাবেই তেওঁৰ অন্তৰ্দাহ। যদি ধৰা যায় যে লৰাটো অতি দগাবাজ, তাৰ নৈতিক চৰিত্ৰহীনতা সৈনিক পুৰুষৰ পক্ষে একান্ত অসহনীয় হৈছিল, সেইদেখি তেওঁ তেনে কাম কৰিলে; তেনেহলে আমি কওঁ যে সৈনিকৰ নৈতিক চৰিত্ৰও শলাগৰ যোগ্য নাছিল। কণাই কণাক বাট দেখুৱাবলৈ যোৱাটো ধৃষ্টতা মাথোন। যি লোকৰ ঘৰত চুৰ কৰিবলৈ যায় আৰু সাৰ পাই চোৰ ধৰিব খুজিলে গিৰিহঁতকো বধ কৰে, তাৰ পাপৰ পৰাচিত্ত নাই। সৈনিকজন পৰাজয়ত অভ্যস্ত নাছিল। সেইবাবে তেওঁ এই নৈতিক পৰাজয়টো কোনোমতে সহিব নোৱাৰি কাণ্ডজ্ঞানশূন্য হৈ নৰহত্যাৰূপ মহাপাপ কৰিলে।

মহাবীৰ নেপোলিয়নে ৱাটাৰ্লুৰ যুদ্ধত হাৰিও, ছেণ্টহেলেনা দ্বীপত বন্দী অৱস্থাত থাকি নানা অপমান আৰু নিৰ্য্যাতন ভুঞ্জিব লগাত পৰিও ধৈৰ্য্যহীন হোৱা নাছিল! বায়ৰণৰ নেখীয়া মানুহে কিন্তু এনে অৱস্থাত আত্মহত্যা কৰাটোৱেই ভাল বুলি থাটাং সমিধান দিছিল!

প্ৰবন্ধলেখকে ভালেমানদিন আগেয়ে, পাতিবালাৰ এজন ডেকা মহাৰাজক এটা ক্ৰিকেট-ম্যাচত ক্ৰিকেট খেলা দেখিছিল। তেওঁৰ দলত জগদ্বিখ্যাত ক্ৰিকেটবীৰ প্ৰিন্স (এতিয়া মহাৰাজা) ৰণ্‌জিতসিংহেও খেলিছিল। পাতিবালাৰ মহাৰাজাই "ব্যাট" কৰিবলৈ গৈ, দুৰ্ভাগ্য ক্ৰমে প্ৰথম "বলতে" "উইকেট্ আউট্" হল! মহাৰাজাই ইমান বেয়া পালে যে, তেওঁ হাতৰ বলপাত চটা আৰু হাতমোজা প্ৰভৃতি আজোৰি সোলোকাই, দলি মাৰি মাৰি পঠিয়ালে আৰু ঠেং-পতা খড়াল লৰাৰ দৰে ভৰি-হাত আচাৰি, নিজ তাম্বুলৈ গৈ, সাক্ষাৎ বিৰক্তি আৰু খঙৰ মুৰ্ত্তিৰূপে আসন গ্ৰহণ কৰিছিল!

তেওঁৰ পাছতে ক্ৰিকেটবীৰ "প্ৰিন্স ৰণ্‌জিয়ে" ব্যাট ধৰিলে; কিন্তু দুকোব একোব মাৰিবৰ পাছতে তেওঁও L. B. W. আউট হল। প্ৰিন্স ৰণ্‌জিক 'আউট্' হোৱা দেখি, মহাৰাজাৰ বিৰক্তি কৰবালৈ গল। তেওঁ খলখলাই হাঁহি তাম্বুৰপৰা ওলাই আহি কিবাকিবি কৈ তেওঁক আগবঢ়াই নিলেহি! তেওঁৰ দলৰ এজন খেলোৱাৰ 'আউট' হোৱাত মহাৰাজাই বেয়া নাপাই নথৈ আনন্দহে পালে!!

পৰাজয়ত ধৈৰ্য্য হেৰুৱা কেতিয়াও প্ৰশংসনীয় হব নোৱাৰে। জয় পৰাজয় কৰ্ম্মজীৱনৰ চিৰলগৰীয়া। হাতত লোৱা কামটোত কৃতকাৰ্য্য হবলৈ যথাসাধ্য চেষ্টা কৰিও যদি কৃতকাৰ্য্য হব নোৱাৰি, তেন্তে তাত বেজাৰ কৰিবৰ কোনো কাৰণ নাই; কিয়নো আমি কৰ্ম্মৰহে অধিকাৰী— কৰ্ম্মফলৰ গৰাকী নহওঁ।

"দৈবং নিহত্য কুৰু পৌৰুষম্ আত্মশক্ত্যা
যত্নে কৃতে যদি ন সিধ্যতি কোঽত্ৰ দোষঃ॥"

কোনো কামলৈ আগবাঢ়িলে প্ৰাণপণে জয়লাভ কৰিবলৈ চেষ্টা কৰিব লাগে; কিন্তু সকলো কথাতে জিকিবৰ যেনে সম্ভাৱনা হাৰিবৰো তেনে সম্ভাৱনা; এই কথা সদায় মনত ৰাখি ঘটনাক্ৰমে হাৰিলে, সসম্মানে উলটি আহিবৰ বাট আগৰেপৰা স্থিৰ কৰি থৈ আগবঢ়া উচিত। তাকে নকৰি অহঙ্কাৰত বা বুদ্ধিৰ দোষত হৰাযুৰাকৈ আগ বাঢ়িলে, "আক্কেল-চালামী" দিবলগীয়াত পৰিলে, পাছত ধৈৰ্য্যচ্যুত হোৱা অনুচিত।

পুৰুৰজাই আলেকজেণ্ডাৰৰ লগত যথাসাধ্য যুদ্ধ কৰি পৰাজিত আৰু বন্দী হলত, তেওঁক আলেকজেণ্ডাৰৰ আগত হাজিৰ কৰা হল। আলেকজেণ্ডাৰে তেওঁক

সুধিলে "তুমি এতিয়া মোৰপৰা কেনে ব্যৱহাৰ পাবলৈ আশা কৰা?" অস্ত্ৰাঘাতক্লিষ্টদেহ পুৰুৱে উত্তৰ দিলে "ৰাজযোগ্য ব্যৱহাৰ পাবলৈ আশা কৰো" (Treat me like a king) আলেকজেণ্ডাৰে আকৌ সুধিলে, "মোৰ ওচৰত তোমাৰ কিবা প্ৰাৰ্থনা কৰিবলগীয়া আছে নে?" পুৰুৱে উত্তৰ দিলে "মই ইতিপূৰ্ব্বে কোৱা কথাষাৰতে এই প্ৰশ্নৰো উত্তৰ আছে।" পৰাজিত, প্ৰবলশত্ৰুৰ হাতত বন্দীকৃত, সৰ্ব্বস্বান্ত অৱস্থাতো পুৰুৰ বুদ্ধি বা ধৈৰ্য্য নষ্ট হোৱা নাছিল।

পৰাজয়ৰ নানা প্ৰকাৰৰ যেনে, শাৰীৰিক (যুদ্ধ কিম্বা ক্ৰীড়াত); বাচনিক (তৰ্ক, ব্যঙ্গ ইত্যাদিত); আৰ্থিক (ব্যৱসায়-বাণিজ্যৰ অৰিয়া-অৰিত); মস্তিষ্কগত (যেনে, বুদ্ধিকৌশলাদিত অথবা প্ৰত্যুৎ পন্নমতিত্বত চেৰ পেলাব নোৱাৰাত); নৈতিক (যেনে সদাশয়তা, সত্যবাদিতা প্ৰভৃতিত লোকক চেৰ পেলাব নোৱাৰাত); আধ্যাত্মিক (যেনে সৃষ্টিতত্ব, সৃষ্টিকৌশল, প্ৰভৃতি বুজিবলৈ অপাৰগ হোৱাত); ইত্যাদি, ইত্যাদি। ইয়াৰ ভিতৰত কেতবোৰ কথাত মানুহ চিৰপৰাজিত হৈ থকাটো বিধিৰ বিধান! টলষ্টয়ে ঈশ্বৰৰ সৃষ্টিকৌশল বুজিব নোৱাৰি অস্থিৰ হৈছিল আৰু ঈশ্বৰে মানুহক শোক-বেজাৰত পেলাই নিলগৰপৰা ৰং চায় বুলি অনুমান কৰি নিজৰ দৌৰ্ব্বল্যত (helplessness) ধৈৰ্য্যহীন হৈ, আত্মহত্যাকে কৰিব খুজিছিল!! সি যি কি নহক, "There is just one thing better than winning and that is taking defeat like a man অৰ্থাৎ এটা গৌৰৱ আছে, সেইটো বিজয়লাভৰ গৌৰৱতকৈ ডাঙৰ গৌৰৱ; সেইটো হৈছে, পৰাজয়ৰ অগৌৰৱটোক বীৰৰ দৰে ধীৰ-স্থিৰভাৱে শিৰ পাতি লবপৰাৰ গৌৰৱ।"

শ্ৰীজ্ঞানানন্দ জগতী

---

# স্বৰ্গপুৰী

আনো মই কতো নাই সি ৰাজ্যৰ নন্দন মাধুৰী,
তথাপিও হেৰা স্বৰ্গপুৰি!
বিশ্বৰ চকুত কোনে দিলে সানি কল্পনা-অঞ্জন,
যুগ-যুগান্তৰ তুমি মানৱৰ হৃদয়-ৰঞ্জন!
সৃষ্টিৰ বাহিৰে সি যে কিবা সৃষ্টি—গৰিমা অতুল,
জগতৰ পৰাণীৰ আজীৱন চিত বিয়াকুল,
এনে সেই সাম্ৰাজ্য বিপুল!
দুচকুৰ অগোচৰ যদি' তাৰ শাসন-মাধুৰী
চিৰকাল আছো মানি, ৰম মানি চিৰকাল
ৰঙমনে হেৰা মায়াপুৰি!

• • • •

সন্ধিয়া যেতিয়া হয় আকাশত তৰাৰ দীপালী,
চোতালত বহি জহকালি
সুধিছিলো আইতাক—'কোঁৱাঁচোন তৰা কিনো, আই!'
'পুণ্যাত্মা মানুহ মৰি স্বৰগলৈ উঠি গুচি যায়,'
আয়ে মোক দিছিল বুজাই;
'পৃথিবীত যত নিজ ভাই বন্ধু এৰি যায় গই,
সবাকে দিনটো থাকি যায়হি এবাৰ চাই
সন্ধিয়াৰ বস্তিগছ লই।'

• • • •

বয়স বাঢ়িল, তাৰ লগে লগে শিকিলো আকউ,—
গ্ৰহ-উপগ্ৰহ যত দেখিছো নিতউ,
পৃথিবীৰ দৰে জুৰি সিহঁতেও বহু বহু ঠাই,
জোন-বেলি কেন্দ্ৰ কৰি ঘূৰি ঘূৰি ফুৰিছে সদায়,
সূৰুযৰ কিৰণ বিলাই।
শিকিলো কতনো আৰু সুবিশাল সৌৰজগতৰ
ৰহস্যে আবৰি থকা সৃষ্টিতত্ব! শুনিশুনি মোৰ
বাঢ়িছিল বিস্ময় মনৰ।



জগতৰ পাকেপতি ঘূৰি পুনু কতনো দেখিলো,
কত পালো, কত হেৰুৱালো!
জ্ঞান-জগততো দেখো ঘূৰি ঘূৰি পাওঁ একেঠাই,
বহুত 'শিকা'ৰ পিছে চাওঁ—মই একো শিকা নাই,
এন্ধাৰতে ভ্ৰমিছো সদায়!
শত সৌৰ জগতৰো অতীতত অতি সংগোপনে,
নাইনে একোৱে' বাৰু? নাই নে ৰহস্য-মেলা?—
মনে মোৰ সোধে ক্ষণে ক্ষণে।

• • • •

দেখোমানে পৃথিবীত অনাবিল শব্দ ৰস প্ৰাণ,
ক'ত তাৰ সৌন্দৰ্য্য-যোগান?
ফুল পাত ঘাঁহ বন—তাৰ মাজে মাজে মূৰ্ত্তি ধৰি
কি এটি মহান প্ৰাণ উঠে বাৰু ৰওত শিয়ঁৰি,
নিজতেই নিজ ব্যক্ত কৰি?
বুকুৰ কুটুমবোৰ, জুই দি কলৈ গুচি যায়?
মৃত্যুত কি সুধা আছে?—সকলোৰে ভেদ মোক
কোনে বাৰু দিবহি বুজাই?

• • • •

তেতিয়া ভাবিছো মই কিনো তুমি হেৰা স্বৰ্গপুৰি!
কিনো সেই ৰাজ্যৰ মাধুৰী
নজহা নপমা ফুল জগতৰ কৰি আহৰণ
ৰাখিছা পাশত বান্ধি সুচঞ্চল জগত যৌৱন,
মানৱক কৰি অকিঞ্চন;
তোমাৰ কাষত ৰাখি কল্পনাৰ বিচিত্ৰ তুলিকা,
ক্ষীণজ্যোতি কৰি দিছা জগতৰ প্ৰেম-সূৰ্য্য,
সংসাৰৰ আনন্দ-কণিকা।

• • • •

সিপুৰীত আছে ফুলি হৃদয়ৰ প্ৰণয়-স্ফুলনি,
ই পুৰীত বিলাপ-বিননি;
মৰতৰ পৰাণীৰ কাঢ়ি লই হৃদি মধুৰিমা
মাজত নাচিছে এই আনন্দৰ বিমল পূৰ্ণিমা,
সানি লই ৰূপালী ৰঙিমা;
গতি নাই, স্থিতি নাই,—মাধুৰীৰ শ্ৰাৱণ প্লাবন;
মুগুধ প্ৰকৃতি দেৱী, বিৰহ মিলন গান,
মুগুধ ই হৃদয়-বেদন!

• • • •

ছন্দৰ দেৱতা মোৰ আছে কোন ওখ কৈলাসত?
মই বহি গছৰ তলত
আকাশৰ ফালে চাই টোকাৰীত আঙুলী বুলাওঁ,
বাউলৰ দৰে মই নিজে নাচি নিজে ভোল যাওঁ,
লোকলই উভটি নেচাওঁ।
কিন্তু কোনে নাচে সউ সমুখত উৰ্দ্ধবাহু হই?
অনন্ত উৰ্দ্ধৰ ফালে কি অময়া পুৰী আছে,
তালে' মোক কোনে যাব লই??

• • • •

থাকা ফুলি যতে আছা, স্বৰ্গ! তুমি নন্দন ৰাজত,
মানৱৰ মনৰ মাজত;
তোমাৰ বুকুতে থক বিৰহৰ চকুৰ পানীৰে
অগণন তৰা ফুলি অমৰণ সৌন্দৰ্য্য যেশেৰে
সংসাৰৰ সুখ-স্মৃতি দৰে;
খণ্ড খণ্ড জ্যোতি যত, চিৰন্তন অখণ্ড বেশেৰে
লভিম এদিন গই যিদিনা লভিম স্থান
তোমাতেই আনন্দ মনেৰে।

শ্ৰীভিম্বেশ্বৰ নেওগ

---

# প্ৰেমিক সন্ন্যাসী

( ১৬ )

## অনুসন্ধান

ৰাতি ৬॥ মান বাজিছে। পথাৰৰপৰা সকলো মানুহ গৰ ঘৰ চাপিছেহি। প্ৰত্যেক ঘৰতে সন্ধিয়াৰ চাকি জ্বলিছে এনেতে ঘোৰ অন্ধকাৰ পৃথিৱী ব্যাপি পৰিলহি। আকাশ ডাৱৰে ঢাকি পেলালে। সুদূৰ আকাশ মণ্ডলত মেঘৰ ঠেকা-ঠেকি লাগি হিৰ্ হিৰ্, গিৰ্ গিৰ্, ছৰ্ ছৰ্ শব্দ হব ধৰিলে। লগে লগে পশ্চিমফালৰপৰা চোঁ চোঁ, ভোঁ ভোঁ শব্দ কৰি বতাহ বৰষুন আহিল। অলপ পিছতে ভয়ানক শিলাবৃষ্টি আৰম্ভ হল।

পিটাৰৰ ঘৰত দুৱাৰ খিৰিকি সকলোতে কৰ্জা-কবাট লগাই বন্ধ কৰা হৈছে। বৃদ্ধ পিটাৰে নিজৰ শোৱাপাটীত পৰি টোপনিত লালকাল দিছে। মাৰ্টিনে দুৱাৰৰ ওচৰতে ৰহি ধেনুত নতুনকৈ গুণ দিব ধৰিছে। জেৰাৰ্ড আৰু মাৰ্গেৰেট দুয়ো বিদায়-সম্ভাষণতে ব্যস্ত। মাৰ্গেৰেটে কান্দোকাল্কোকৈ কলে, "প্ৰাণৰ জেৰাৰ্ড! এনেকৈ থাকিলে কি হব? তোমাক যে হাততে হেৰুৱাওঁ!—তুমি এতিয়াই পলোৱা নহলে মস্কিল ঘটিব। কিন্তু কোন সত্তেৰে তোমাক বিদায় দিওঁ। আহা! প্ৰাণে যে প্ৰবোধ নামানে।" তেওঁ চকু-লো মচি আকৌ কিবা কব খুজিছিল এনেতে বাহিৰৰপৰা দুৱাৰত এটা ঢকা পৰিল—লগে লগে মাৰ্গেৰেট আৰু জেৰাৰ্ডৰ হৃদয়-তন্ত্ৰীতো সেই ঢকা পৰিল। মাৰ্টিনে তৎক্ষণাৎ কৈ উঠিল "চুপ।" মাৰ্গেৰেটৰ মনৰ কথা মনতে ৰল—শেষ কৰিবৰ সময় নাপালে।

আকৌ এক মিনিটমান পাছতে আৰু এটা ঢকা পৰিল। মাৰ্টিন থিৰ হল—সুধিলে "কোন?" বাহিৰৰপৰা উত্তৰ দিলে "দুৱাৰ মেলি দে।"

মাৰ্টিন—"ভদ্ৰলোক হলে দুৱাৰ মেলি দিব পাৰো কিন্তু চোৰ ডকাইতৰ নিমিত্তে দুৱাৰ মেলিব নোৱাৰো। এই অন্ধকাৰ ঘোৰ নিশা কোনো ভদ্ৰলোক বাহিৰলৈ নোলায়।" এনেতে মাৰ্গেৰেটে জেৰাৰ্ডক নিজ শোৱা-কোঠালীলৈ টানি লৈ গল আৰু মাৰ্টিনক কৈ গল "জেৰাৰ্ড আছিল, কিন্তু এতিয়া নাই বুলি কবা।" বাহিৰৰপৰা আকৌ কৈ উঠিল, "আইনৰ দোহাই দুৱাৰ মেলি দে।"

সৈনিক মাৰ্টিনে ডাইৰিকৰ মাত বুজি পালে। ভয় ভয়কৈ দুৱাৰ মেলি দিলে। মুহূৰ্ত্ততে ডাইৰিক আৰু চাৰিজন পুলিছ পিটাৰৰ ঘৰত সোমালহি। ডাইৰিকে চাৰিওফালে এবাৰ চকু ঘূৰাই চাই লৈ মাৰ্টিনক সুধিলে "মাৰ্টিন, জেৰাৰ্ড কত?"

মাৰ্টিন—জেৰাৰ্ড ইয়াতেই আছিল, কিন্তু এতিয়া নাই গুচি গৈছে।

ডাইৰিক—মিছা কথা। বৰষুণ এৰিবৰ দহ মিনিট হোৱা নাই ইয়াৰ ভিতৰতে সি কলৈ গল? ঠিক কৰি কোৱা।

মাৰ্টিন—মই সেই বিষয় একো নাজানো দেউতা! কেৱল এইখিনি জানো—জেৰাৰ্ডৰ ভাই সেই বাওনাটো ইয়ালৈ আহিছিল। সি জেৰাৰ্ডক ওচৰলৈ মাতি নি কাণে কাণে কি কলে মই দূৰৈত থকা বাবে শুনিবলৈ নাপালো। তাৰ পিছতে দেখো জেৰাৰ্ড আৰু মাৰ্গেৰেট দুয়ো পৰস্পৰ আলিঙ্গনাদি কৰি বিদায়-চুমা খোৱা-খুই কৰিলে। তাৰ পিছত কোন ফালে গল কব নোৱাৰো দেউতা!

ডাইৰিক নিৰাশ হল; ভাবিলে মাৰ্টিনে বোধ হয় ঠিকেই কৈছে। কিন্তু উভতি গৈ বাইছব্ৰেটক কি কৈফিয়ৎ দিব একো ভাবি নাপাই মাৰ্টিনক কলে, "বাৰু যি কি নহওক আমি ঘৰখন এবাৰ বিচাৰি চাওঁ।" এই বুলি কৈ ডাইৰিকে দুৱাৰ খিৰিকিবোৰ ভালকৈ বন্ধ কৰি এজনক লেম্প এটা হাতত দি লগত ৰাখিলে আৰু বাকী তিনিজনক দুৱাৰে দুৱাৰে থাকিবলৈ কলে। ঘটনা দেখি মাৰ্টিনৰ বুকু কপি উঠিল; ভাবিলে "নিশ্চয় জেৰাৰ্ড আজি ধৰা পৰিব—কোনো ভুল নাই। আজলী মাৰ্গেৰেটে কি জানে যে জেৰাৰ্ডক কোনোবা দুৱাৰ বা খিৰিকিয়ে



পলুৱাই পঠিয়াব পাৰিব।" পিছ মুহূৰ্ত্ততে আকৌ ভাবিলে "অ, নহয়, এনেকৈ থাকিলে নহব। সঁচা কওঁ যদি জেৰাৰ্ড ধৰা পৰে। জেৰাৰ্ডক ৰক্ষা কৰিলে নিজৰ জীৱন যায়। হায়! কি কৰো? বিষম সমস্যা।" কিছু সময় ভাবি-চিন্তি ঠিক কৰিলে, "নহয় এই ধেনু-কাড়েৰে হয় জেৰাৰ্ডক ৰক্ষা কৰিম নহয় নিজৰ জীৱন উছৰ্গা কৰিম।" এই বুলি মাৰ্টিনে ধেনুত কাঁড় এডাল লগাই সাজু হৈ বাহিৰৰ ফালে একেথৰে চাই থাকিল—কি জানি জেৰাৰ্ড ওলাই যাওঁতে ইহঁতে ধৰে।

ডাইৰিক প্ৰথমতে পিটাৰৰ শোৱা-কোঠালীত সোমাল গৈ। দেখে যে মাৰ্গেৰেট এহাতমান ওখ জীৰ্ণ-শীৰ্ণ অৱস্থাত পৰি থকা পালেং এখনত শুই আছে। ডাইৰিকৰ চকু থিৰ হল—ৰ লাগি একেথৰে চাই থাকিল—বাস্তৱিক কি সৌন্দৰ্য্য! ভগা পালেংখন বগা কাপোৰেৰে ঢকা; তাৰ ওপৰত বগা কাপোৰেৰে ঢকা গাৰু এটা মাথোন আৰু একো নাই। মাৰ্গেৰেট নিশ্চিন্তমনে তাত শুই আছে। কোনো সাজসজ্জা নাই, কোনো জাকজমক নাই তথাপি কি মনোহৰ ছবি! আহা! মাৰ্গেৰেট আচলতে ছেভেন-বাৰ্গেনৰ সৌন্দৰ্য্য-কুঁৱৰী (Beauty of Sevenburgen)। চুলিতাৰ চাৰিওফালে ৰহি পৰিছে, সমস্ত শৰীৰ অতি কম দামৰ সামান্য বগা কাপোৰেৰে ঢকা তথাপি তাৰ মাজেদি সেই মনমোহিনী, ভুবনমোহিনী মুখখনিৰ পৰা কি স্বৰ্গীয় জেউতি ওলাব ধৰিছে!

মাৰ্গেৰেটে ওচৰতে লেম্পৰ পোহৰ আৰু মানুহৰ ভৰিৰ শব্দ শুনি সাৰ পাই শোৱাপাটীত উঠি বহিল। আগতে ডাইৰিকৰ ভয়ঙ্কৰ মূৰ্ত্তি দেখি চিঞৰিব ধৰিলে। ডাইৰিকে লাহেকৈ কলে, "কোনো ভয় নাই মিছ মাৰ্গেৰেট। আমি তোমাৰ একো অনিষ্ট নকৰো তুমি নিশ্চিন্ত মনে বিবাহৰ দিনা 'বাসৰ ঘৰৰ' কথা ভাবি টোপনি যোৱা। আমি ইতিমধ্যতে ইয়াত জেৰাৰ্ড আছেনে নাই চাই লওঁ।"

জেৰাৰ্ডৰ নাম শুনি মাৰ্গেৰেট খঙতে জ্বলি উঠি কলে, "জেৰাৰ্ড মোৰ ইয়াত?" ডাইৰিকে থতমত খাই কলে, "নহলে কত আছে? সিহঁতে কয় যে আগতে জেৰাৰ্ড আৰু তুমি—।" ডাইৰিকে কিবা কব খুজিছিল—মাৰ্গেৰেটে বাধা দি কলে, "পাপিষ্ঠ! নাজাননে সিহঁতে জেৰাৰ্ডক মোৰপৰা আঁতৰাইছে—এনেকি নিজ জন্মভূমিৰ পৰা খেদাই দিছে? অ, বুজিলো এইটো কেৱল এটা ফিকিৰ? তহঁত চোৰ, ডকাইত; তহঁত নিশ্চয় ছেভেন-বাৰ্গেনৰ মানুহ নহয়; হোৱাহেঁতেন পিটাৰব্ৰেণ্ডৰ জীয়েক মাৰ্গেৰেটৰ ঘৰত জেৰাৰ্ডক নিবিচাৰিলিহেঁতেন। উঃ কি সাহস! এজনী সামান্য অৱলা ছোৱালীক অত্যাচাৰ কৰিবৰ নিমিত্তে ৪।৫ জন অস্ত্ৰধাৰী ভীম পুৰুষ! ছিঃ ছিঃ, তহঁতৰ ঘৰত থকা তিৰুতাবোৰ নিশ্চয় বেশ্যা নহলে তহঁতে এজনী চৰিত্ৰৱতী ছোৱালীক আদৰ-সন্মান নকৰি নোৱাৰিলিহেঁতেন।"

মাৰ্গেৰেটৰ কথা শুনি ডাইৰিক লাজ আৰু ভয়তে অস্থিৰ হল। তৎক্ষণাৎ মানুহকেজনক লগত লৈ বাহিৰলৈ ওলাই গল।

( ১৭ )

## প্ৰেমে নকৰে কি

ধন্য মাৰ্গেৰেট, তোমাৰ জীৱনেই ধন্য! তুমি ৰমণী-কুলৰ আদৰ্শ মহিলা। জেৰাৰ্ডৰ প্ৰতি তোমাৰেই পবিত্ৰ প্ৰেম বিৰাজ কৰিছে। এনেকুৱা পবিত্ৰ নিঃস্বাৰ্থ প্ৰেম কেইজনৰ! সতী নাৰীয়ে কৰিব নোৱাৰে এনেকাম অতি কম। তিৰুতাই সচাঁকৈয়ে যাক ভাল পায়, তাক ৰক্ষা কৰিবৰ বাবে সিহঁতে নিজৰ জীৱনো অকপটে দান কৰিব পাৰে। প্ৰেমিকক ৰক্ষা কৰিবলৈ প্ৰেমিকাই কৰিব নোৱাৰে এনে কাম পৃথিৱীত বিৰল।

মাৰ্গেৰেটৰ শোৱাপাটীৰ ঠিক তলতে ছফুটমান দীঘল আঠে ফুটমান বহল আৰু দুই ফুটমান দ এটা পকি গাত আছিল। পিটাৰৰ আৰ্থিক অৱস্থা ভাল থাকোঁতে, তাত তেওঁ বাচন-বৰ্ত্তন, টকা-কড়ি, গহনা-পাতি ৰাখিছিল যাতে চোৰ ডকাইতে সহজে ঢুকি নাপায়; কিন্তু এতিয়া সেই গাঁত সম্পূৰ্ণ খালি পৰি থাকে—তাত নাই বাচন-বৰ্ত্তন নাই ধান-ধন, নাই অলঙ্কাৰ-পাতি। গাঁতটোৰ মুখখন ঢকাকৈ এছটা কাঠ, তাৰ ওপৰত মাৰ্গেৰেটৰ ভগা-ছিগা পুৰণি পালেঙ খন।

বাহিৰত মানুহৰ শব্দ শুনিয়েই বুদ্ধিমতী মাৰ্গেৰেটে জেৰাৰ্ডক টানি আনি সেই গাঁতটোত সুমুৱাই থৈছে আৰু টোপনি অহা ভাওজুৰি নিজে শোৱাপাটীত পৰি আছেহি। যেতিয়া মানুহবোৰে ঘৰখন তদন্ত কৰি গলহি মাৰ্গেৰেটে গাঁতৰ মুখৰপৰা পালেঙখন আৰু কাঠছটা গুচাই গাঁতৰ ওচৰলৈ গৈ জেৰাৰ্ডক মাত লগালে, "জেৰাৰ্ড! ঈশ্বৰেই ধন্য। মানুহবোৰ ওলাই গৈছে তুমি উঠা।" তেওঁ জেৰাৰ্ডৰপৰা কোনো উত্তৰ নাপালে; আকৌ মাতিলে, "জেৰাৰ্ড উঠি আঁহা কোনো ভয় নাই." তথাপি কোনো উত্তৰ নাই। মাৰ্গেৰেটে জেৰাৰ্ডৰ গাত হাত দি আকৌ মাতিলে, "জেৰাৰ্ড!' কোনো উত্তৰ নাই। "উঃ কি হল" বুলি তেওঁ জেৰাৰ্ডৰ গোটেই গাতে হাত বুলাব ধৰিলে। জেৰাৰ্ডৰ গা চেঁচা পৰিছে। লাহে লাহে জেৰাৰ্ডক গাঁতৰপৰা তুলিলে কিন্তু মৰা শ এটাৰ দৰে হাতৰ পৰা সৰি পৰিল! আচৰিত! লৰালৰিকৈ মাৰ্গেৰেটে জেৰাৰ্ডক দুৱাৰৰ ওচৰলৈ নি দুৱাৰ খিৰিকি মেলি দি বিচিব ধৰিলে তথাপি জেৰাৰ্ডৰ গাত তত নাই। মাৰ্গেৰেটৰ চুলিৰ আগেদি জীৱ উৰি গল— গোটেই গা কঁপি উঠিল। তেওঁ কান্দিব ধৰিলে, "উঃ কি কৰিলো! ভাল কৰিব যাওঁতে হাততে হৰুৱালো। হে প্ৰভু! দয়া কৰা এই অবলাক! জেৰাৰ্ড! তোমাক মই নিজহাতে হত্যা কৰিলো! নিজে তোমাক হত্যা কৰাতকৈ সিহঁতক নিব দিয়াহেঁতেন শতগুণে ভাল আছিল। জেৰাৰ্ড! মই বৰ অন্যায় কৰিলো—এবাৰ মোক মাত দি ক্ষমা কৰা." তাৰ পিছতে মাৰ্গেৰেটে নিজে নিজে কিৰাকিৰি বকিব ধৰিলে, "নহয়, এনে হব নোৱাৰে—নতুবা এই সংসাৰত ঈশ্বৰ নাই। মোৰ প্ৰিয়তম জেৰাৰ্ড কেতিয়াও মৰা নাই। মই জেৰাৰ্ডক বৰ ভাল পাওঁ—নিজৰ জীৱনতকৈও ভাল পাওঁ। জেৰাৰ্ড মোৰ প্ৰাণনাথ, প্ৰাণ-বল্লভ প্ৰিয়তমৰ প্ৰিয়তম। জেৰাৰ্ড! এবাৰ মাথো মোক মাত দিয়া। মোক গালি-শপনি পাৰা—যি ইচ্ছা তাকে কৰা। উঃ মই নিজ স্বামী হত্যাকাৰিণী—মোৰ নৰকতো স্থান হবৰ নাই। হত্যাকাৰিণী, হত্যাকাৰিণী!" এই বুলি মাৰ্গেৰেটে বৰ ডাঙৰকৈ এটা চিঞৰ মাৰিলে, সেই চিঞৰ-ডাইৰিক আৰু তাৰ লগৰ মানুহবোৰৰ কাণত পৰিলগৈ। ততালিকে ভিতৰত কিবা ঘটনা হোৱা বুলি ভাবি সিহঁতে মাৰ্গেৰেটৰ শোৱা-কোঠালীৰ ফালে খোজ ললে। মাৰ্টিনে ধেনুত কাঁড় লগাই সিহঁতৰ ফালে লক্ষ্য কৰিলে। এনেতে ডাইৰিকে মাত দিলে, "কিহে মাৰ্টিন! আমাৰ ওপৰতে-নেকি কাঁড়ৰ লক্ষ্য?" মাৰ্টিনে থত্‌মত্‌ খাই কলে, "নহয়—মই নতুনকৈ কাঁড় লগাই ধেনুখনহে ঠিক কৰিছো।" ইহঁত দুয়ো কথা পাতি থাকোতেই সিফালে ডাইৰিকৰ লগত থকা জোৰিয়ান কেটেল বুলি পুলিছ এজন একেবাৰে মাৰ্গেৰেটৰ শোৱা-কোঠালীত উপস্থিত হলগৈ। ডাইৰিকে মাৰ্টিনক কলে, "বাৰু, যি কি নহক, অলপ জুইকে ধৰা আমাৰ ভিজা কাপোৰ-কানিবোৰ শুকাই লওঁ—বৰ জাৰ লাগিছে।" মাৰ্টিনেও বিনাবাক্যে ডাঙৰকৈ একুৰা জুই ধৰিলে—সিহঁতে তাতে নিজ নিজ কাপোৰ-কানিবোৰ শুকাই ললে।

মাৰ্টিনে মাৰ্গেৰেটৰ কোঠালীত কন্দাকাটিৰ শব্দ শুনি সেইফালে যাব ওলাল; এনেতে ডাইৰিকে থাপ মাৰি ধৰি লগৰ মানুহবোৰক মাৰ্টিনক হাতে-ভৰি বান্ধিব কলে। মাৰ্টিনে কত আজোৰ-পিজোৰ কৰিলে কিন্তু এজন বৃদ্ধ সৈনিক ৪।৫ জন ডেকাৰ আগত কোন কুটা।

মাৰ্টিনক হাতে ভৰি ভালকৈ বান্ধি থৈ ডাইৰিকহঁতে মাৰ্গেৰেটৰ কোঠালীলৈ খোজ ললে, এনেতে জোৰিয়েন কেটেলক বাহিৰ ওলাই অহা দেখি সকলো থমকিল। তাৰ পিছত নানা কথা-বাৰ্ত্তা কৈ সকলো টাৰ্গো বুলি যাত্ৰা কৰিলে।

মাৰ্গেৰেটে জেৰাৰ্ডৰ কত সেৱা-শুশ্ৰূষা কৰিলে। কত যতন ললে। কিন্তু কোনো ফল নফলিল। জেৰাৰ্ডৰ মাত নোলাল। তেওঁ কপাল-মূৰ ভুকুৱাই কান্দিব ধৰিলে "কলৈ যোৱা প্ৰাণনাথ! এই হতভাগিনী, অনাথিনী, স্বামী হত্যাকাৰিণীক এৰি? মোকো লগতে লৈ যোৱা।" এনেতে জোৰিয়েল কেটেল মাৰ্গেৰেটৰ আগত থিয় হলগৈ। কেটেলে ঘটনা দেখি অবাক্। মাৰ্গেৰেটৰ আউলি-বাউলি কান্দোন দেখি কেটেলৰ কোমল হিয়া পমি গল, চকুজুৰি চকুলোৰে পূৰ হল।



কেটেল অৱশ্যে বিপক্ষৰ মানুহ—কিন্তু হলে কি হব? জেৰাৰ্ডৰ ভয়ানক শোচনীয় মৃতপ্ৰায় অৱস্থাই, মাৰ্গেৰেটৰ অন্তৰ্ভেদী হা হুমুনিয়াহে কেটেলৰ মন ঘুৰাই দিলে। এনে অৱস্থাত কি কোনো মানুহৰ শত্ৰুৰ প্ৰতি শত্ৰুভাৱ থাকে। জেৰাৰ্ড কেটেলৰ শত্ৰুই বা কিহৰ? ঘাইছব্ৰেটৰ অত্যাচাৰ উৎপীড়নত সকলো প্ৰজা অসন্তুষ্ট! জেৰাৰ্ডৰ বিপক্ষে যে চলিছে সি কেৱল জীৱনৰ দায়ত আৰু একমাত্ৰ ধনৰ লোভত। কাজেই নিজ চকুৰ আগতে এনেবোৰ মৰ্ম্মভেদী আকস্মিক অঘটন ঘটা দেখি কেটেলৰ মনৰপৰা সকলো কুভাব দূৰ হল। কেটেলে সকলো ঘটনা বুজিলে। ততালিকে এখন আৰ্চি জেৰাৰ্ডৰ নাকৰ আগত ধৰিলেগৈ, আৰ্চিখন মলিয়ন পৰি গল। "তেনেহলে জেৰাৰ্ডৰ প্ৰাণপক্ষী এতিয়াও সজাৰ বাহিৰ হোৱা নাই"—বুলি কৈ তেওঁ পাহাৰৰফালে লৰ দিলে। পাঁচ মিনিটমান পাছতে কিছুমান গছৰ পাত লৈ আহিল। সেইবোৰ মোহাৰি গুৰা কৰিলে আৰু জেৰাৰ্ডৰ নাকৰ ওচৰতে ধৰিলেগৈ। দুই তিনি মিনিটমান পাছতে জেৰাৰ্ডে দীঘলকৈ হুমুনিয়াহ এটা কাঢ়িলে। আকৌ ধৰিলে—আকৌ হুমুনিয়াহ কাঢ়িলে। এনেকৈ দহ মিনিটমান সেই ঔষধ নাকৰ ওচৰত ধৰাৰ পাছত জেৰাৰ্ডে "পা—নী পা—নী" বুলি পানী খুজিব ধৰিলে।

মাৰ্গেৰেটৰ হৃদয়ত জীৱন সঞ্চাৰ হল। মাকে বহুদিন বিদেশত থকা পুতেকক পোৱাৰ দৰে বা হৰিণীয়ে নিজ পোৱালী বিচাৰি পোৱাৰ দৰে মাৰ্গেৰেটে হেৰোৱা ধন জেৰাৰ্ডক পাই সাবট মাৰি ধৰি একে উশাহে চুমাৰ উপৰি চুমা খাব ধৰিলে। কেটেলে ভাবিলে—"বৰ প্ৰমাদ হল—বাহিৰত লগৰ মানুহবোৰে কিবা সন্দেহ কৰিব পাৰে। বিশেষকৈ জেৰাৰ্ডৰ আৰু ভয় নাই এতেকে যোৱাই ভাল।" এই ভাবি মাৰ্গেৰেটৰ কাণ্ড-কাৰখানা দেখি কলে, "আইটি! তুমি তেওঁক এতিয়া বেছি কষ্ট নিদিবা, অলপ সুস্থিৰ হব দিয়া, ভয় নকৰিবা, এতিয়া মই আহিলোহে" বুলি বাহিৰলৈ গৈ ডাইৰিকহঁতক লগ ধৰিলেগৈ।

( ১৮ )

## বিদায়

বতাহ-বৰষুণ এৰিবৰ প্ৰায় দুই-তিনি ঘণ্টামান হল তথাপি ডাইৰিকহঁত উভতি নহা দেখি ঘাইছব্ৰেটে নিজে দুটা চিকাৰী কুকুৰ লগত লৈ ছেভেনবাৰ্গেনৰ ফালে খোজ ললে। (Blood hounds—এই চিকাৰী কুকুৰবোৰে মানুহৰ বা জন্তুৰ তেজৰ গোন্ধ অনুসৰণ কৰি চিকাৰ খেদে। ইহঁতৰ হাতৰপৰা সাৰিবৰ কোনো উপায় নাই। যি বাটেৰে যোৱা যায় সেই বাট সিহঁতে বিচাৰি উলিয়ায়। কোনোবা নেদেখা ঠাইত লুকাই থাকিলেও সিহঁতে তেজৰ গোন্ধ পাব; এতেকে সিহঁতে সেই ঠাই এৰি কলৈকো নাযায়।) বাটতে দেখে যে ডাইৰিকহঁতে এখন মদৰ দোকানত সুৰাদেৱীৰ পূজা কৰি চকু ধুলধুলীয়া কৰি বাগৰা-বাগৰি লগাইছে। ঘাইছব্ৰেটৰ বুকু কঁপি উঠিল; নিজে নিজে গদগদ্‌কৈ,—"খালে, খালে ইহঁতে মোক খালে, মোৰ সৰ্ব্বনাশ কৰিলে" বুলি কৈ তাত খন্তেকো নাথাকি একেচাৰেই ছেভেনবাৰ্গেনত বৃদ্ধ পিটাৰৰ ঘৰত উপস্থিত হলগৈ।

* * *

ঘাইছব্ৰেটৰ চকু স্থিৰ হল—তাত কোনো নাই। মাৰ্গেৰেট, জেৰাৰ্ড আৰু মাৰ্টিন তিনিও এঘণ্টামান আগতে হাবিৰ মাজৰ বাটেদি পলাই পত্ৰং দিছে। ঘাইছব্ৰেটৰ খং মূৰ পালেগৈ—থিৰেৰে থাকিব নোৱাৰি কুকুৰ দুটাক চিকাৰৰ সন্ধানৰ উপদেশ দি হাবিৰ মুখে বাট ললে।

ছেভেনবাৰ্গেনৰপৰা তিনি মাইলমান আঁতৰত ঘাইছব্ৰেটে জেৰাৰ্ড, মাৰ্গেৰেট আৰু মাৰ্টিনক দেখা পালে। জেৰাৰ্ডে ঘাইছব্ৰেটক দেখি ওচৰ পাওঁ—নোপাওঁতেই লাঠিৰ একেকোবে ধৰাশায়ী কৰিলে—ঘাইছব্ৰেট নানা কষ্ট ভুগি তাতেই পৰি থাকিল। কিছু দূৰ গৈ বুজিব পাৰিলে যে তেওঁলোকক চিকাৰী কুকুৰ দুটাই পিছে পিছে খেদা দিছে। মাৰ্গেৰেটে গতি বিষম দেখি পিছ হোহকা মাৰি কিছু পিছ পৰিল আৰু নিজৰ হাতখনত কটাৰি এখনেৰে ঘা এটা মাৰি তেজ উলিয়াই বাটৰ দুয়োকাষে

থকা ঘাঁহ বনত তেজ সানি দিলে কিজানি কুকুৰবোৰে এই তেজৰ গোন্ধ পাই ক্ষান্ত হয়। কিন্তু বেচেৰী মাৰ্গেৰেটৰ সকলো চেষ্টা বিফল হল। কুকুৰবোৰে তেওঁলোকৰ পিছ নেৰিলে।

মাৰ্টিন আগত, মাৰ্গেৰেট মাজত আৰু জেৰাৰ্ড সকলোৰে পিছত। জেৰাৰ্ডৰ ইঙ্গিতমতে মাৰ্টিন আৰু মাৰ্গেৰেট কুকুৰবোৰৰ অলক্ষিতে বনৰ জোপা এটাৰ মাজত লুকালগৈ—বাকী থাকিল জেৰাৰ্ড। কুকুৰবোৰো যে একেবাৰে ওচৰতে। উপায়ান্তৰ নেদেখি তেওঁ এজোপা গছত উঠিল গৈ। পিছ মুহূৰ্ত্ততে এটা কুকুৰে জেৰাৰ্ডক ধৰিবৰ আশাৰে ওপৰলৈ জাপ মাৰিলে জেৰাৰ্ডে এডাল কাঁড় মাৰি তাক ধৰাশায়ী কৰিলে। তাৰ পিছতে দ্বিতীয়টোৱেও জাপ দিলে তাৰো সেই অৱস্থা ঘটিল।

এতিয়া জেৰাৰ্ডৰ কোনো ভয় নোহোৱা হল। তেওঁ গছৰপৰা নামি আহি মাৰ্টিনহঁতক লগ ধৰিলেহি। কিছুদূৰ গৈ দেখিলে যে গন্তব্য স্থানলৈ যোৱা বাটৰ মুখ পালেহি। তেতিয়া জেৰাৰ্ডে মাৰ্টিনক ওচৰলৈ মাতি নি সাবটমাৰি ধৰি কলে, "প্ৰিয় মাৰ্টিন! তুমি মোৰ পৰম হিতৈষী, সহায়কাৰী আৰু পৰম বিশ্বাসী বন্ধু। মোৰ জীৱন থাকেমানে তোমাৰ এই অযাচিত অকপট নিঃস্বাৰ্থ সহায় কোনোমতে পাহৰিব নোৱাৰিম তোমাৰ ওচৰত মই চিৰ-ঋণী চিৰ-ধৰুৱা; তোমাৰ ওচৰত মই কৃতজ্ঞতা পাশেৰে আবদ্ধ। মাৰ্টিন! তুমি মোৰ সকলো জানা তোমাৰ কোনো অবিদিত নাই। তুমি মোৰ এই প্ৰাণৰ প্ৰিয় প্ৰতিমা মাৰ্গেৰেটক সকলো প্ৰকাৰে সৰ্ব্বতোভাবে ৰক্ষা কৰিবা—মোৰ অবিহনে যেন মাৰ্গেৰেটে কোনো কষ্ট নাপায়। তোমাৰ হাতত আজি এই সদ্য প্ৰস্ফুটিত গোলাপ পাঁহিটো সঁপি দিলো, আদৰেৰে ৰাখিবা মাৰ্টিন। তুমি এইবাবে কোনো অৰ্থাভাব কষ্ট নোপোৱা। লোৱা এই মোনাত যথেষ্ট ধন আছে সেয়ে তোমালোক দুজনৰ অভাৱ পূৰণ কৰিব।"

মাৰ্টিনে কান্দোকান্দোকৈ কব ধৰিলে, "মাষ্টাৰ জেৰাৰ্ড! আইটাৰ বাবে তুমি কোনো চিন্তা নকৰিবা; সেই ভাৰ মোৰ ওপৰত থাকিল। মাৰ্গেৰেট যদি তোমাৰ একোই নহলহেঁতেন, তথাপি তেওঁৰ যত্ন লবৰ নিমিত্তে মই সদায় সাজু। তাতে আকৌ তেওঁ তোমাৰ বিবাহিতা স্ত্ৰী, সহধৰ্ম্মিণী! মই নিজ প্ৰাণ দিও তেওঁৰ যতন লম।"

জেৰাৰ্ড কিছু শান্ত হল। মাৰ্টিনক কলে "মাৰ্টিন! এই বিদায়ৰ সময়ত তুমি অলপ আঁতৰি যোৱা মই প্ৰাণ-প্ৰতিমা মাৰ্গেৰেটৰ ওচৰত বিদায় লওঁ।" মাৰ্টিন আঁতৰি গল। জেৰাৰ্ডে মাৰ্গেৰেটক এফলীয়াকৈ মাতি নিলে—দুয়ো পৰস্পৰ আলিঙ্গন কৰি হেপাহ পলুৱাই দুয়ো দুইকো চুমা খালে। সেই ঘোৰ অৰণ্যত হাবিবননিয়ে, পশু-পক্ষী, চৰাই-চিৰিকতিয়ে তাৰ উত্তৰ দিলে। লাহে লাহে জেৰাৰ্ড তাৰপৰা কিছু আঁতৰিল।

আহা! বিদায়ৰ পূৰ্ব্ব-মিলন কি মধুৰ! কি সুন্দৰ! হাঁহোহাঁহোকৈ নহঁহা, কান্দোকান্দোকৈ নকন্দা ধুলধুলীয়া চকুকিটিলৈ এবাৰ মনত কৰি চোৱা, তাত যেন বহুত কথা সেই চকুকিটিৰ চাওনিত লুকাই থাকিল। অন্তৰৰ সকলোভাব যেন চকুকিটিত বিৰিঙ্গি পৰিলহি। আহা! কি মৰ্ম্মস্পৰ্শী।

জেৰাৰ্ড মাৰ্টিনৰ ওচৰলৈ আহি, "মাৰ্টিন! এতিয়া বিদায়হে" বুলি বৃদ্ধ সৈনিক বিশ্বাসী ভৃত্যক নমস্কাৰ জনাই নিজ বাটত—ইটালীলৈ যাম বুলি খোজ ললে। মাৰ্টিন ৰটাৰ্ডমলৈ আৰু মাৰ্গেৰেট ছেভেনবাৰ্গেনলৈ যাত্ৰা কৰিলে।

( ১৯ )

## গুপ্ত দুৰভিসন্ধি

বৃদ্ধ বিশ্বাসী সৈনিকভৃত্য মাৰ্টিন আৰু জীৱনসৰ্ব্বস্ব প্ৰাণৰ জেৰাৰ্ডৰ অনুপস্থিতি মাৰ্গেৰেটৰ অসহনীয় হৈ উঠিল। ঘৰৰ কাম-কাজ, বুঢ়া বাপেকৰ সেৱা-শুশ্ৰূষা সকলোৰে প্ৰতি যেন তেওঁৰ অমনোযোগ হল। যিপিনেই চায় সেইপিনেই সকলোকে আন্ধাৰ যেন দেখা হল। মনত সুখ-শান্তি অলপো নাইকিয়া হল। কোনো কাম কৰিবলৈ গৈ হয়তো এঘণ্টামান তাতেই বহি থাকে। খোৱা-লোৱা, পিন্ধন-উৰণ সকলোতে বেৰাগ জন্মিল, লাহে লাহে শুকাই-ক্ষীণাই গৈ অৱশেষত জৰ বেমাৰত পৰিলগৈ। মাৰ্গেৰেট ভান্-আইকে তেওঁৰ



ওচৰলৈ যাব মাতিলে কেতিয়াবাহে যায়। মাৰ্গেৰেটৰ এই অৱস্থা দেখি ভান্-আইকে এদিন সুধিলে, "আইটি, তোমাৰ কি হৈছে? দিনে দিনে শুকাই-ক্ষীণাই দেখো যাব ধৰিছা?" মাৰ্গেৰেটে ভালেখিনি সময় তলমূৰকৈ থাকি উত্তৰ দিলে, "একো হোৱা নাই, মেদাম্" আৰু হুমুনিয়াহ পেলাব ধৰিলে। ভান্-আইকে আকৌ সুধিলে, "কি হৈছে ভাঙ্গি নোকোৱা কিয়? মোৰ আগতো লাজ কৰানে? তোমাৰ যদি কোনো অসুখ হৈছে বা অন্তৰত কোনো দুখ-কষ্ট হৈছে মোৰ আগত সমস্ত বিবৰি কোৱা কোনো দোষ নাই।" মাৰ্গেৰেটে চকুলো টুকি টুকি কব ধৰিলে, "মেদাম্, কি কম দুখৰ কথা! যিদিনাৰপৰা মোৰ প্ৰাণৰ প্ৰিয়তম জেৰাৰ্ডৰ লগত গুপ্তভাবে বিবাহ হৈ গল সেইদিনাৰপৰা মোক লগলগৰীয়াবোৰে বাটে-ঘাটে-হাটে যতে পায় ততে নানাৰকম ঠাট্টা বিদ্ৰূপ কৰে। মই সেইবোৰ কেনেকৈ—"বুলি কৈয়ে কান্দিব ধৰিলে। আকৌ আৰম্ভ কৰিলে, "মই এনেকুৱা ঘৃণনীয় হলো যে এনেকি শহুৰ-শাহুৱেও মোৰ কোনো খবৰ বাতৰি নলয়!" তেওঁ আকৌ উচুপি উচুপি কান্দিব ধৰিলে।

ভান্-আইকৰ দয়া, মায়া, কোমলতাপূৰ্ণ হৃদয় পমি গল। কিছুসময় নীৰবে ভাবি থাকি কলে, "আইটি, কোনো চিন্তা নকৰিবা মই তাৰ প্ৰতীকাৰ কৰিম। তুমি এতিয়া ঘৰলৈ যোৱাগৈ মাজে মাজে এইদৰে আহি থাকিবা।"

* * *

সেই সময়ত বাৰ্গোমাষ্টাৰক অপমান দিয়া বা চিকাৰী কুকুৰ আদিক বধ কৰা বৰ অপৰাধৰ কথা আছিল। সেই কাৰণে মাৰ্টিন ৰটাৰ্ডমলৈ গৈয়ে জেৰাৰ্ডে বাৰ্গোমাষ্টাৰ ঘাইছব্ৰেটক অপমান দিয়া আৰু তেওঁৰ দুটা চিকাৰী কুকুৰ বধ কৰাৰ কথা ৰজাক জনালেগৈ। ৰজাই আনন্দমনেৰে জেৰাৰ্ডক ক্ষমা কৰিলে। মাৰ্টিনে এই খবৰ পোৱা মাত্ৰকে মাৰ্গেৰেটৰ ওচৰলৈ আহি সকলো বৃত্তান্ত জনালেহি। মাৰ্গেৰেটৰ মন অলপ পাতল পৰিল, মুখত হাঁহি দেখা দিলে। কিন্তু এনেকুৱা সুখৰ বাতৰি অতি সোনকালে জেৰাৰ্ডক জনাব লাগে বুলি মাৰ্টিনক ভান্-আইকৰ ওচৰলৈ ততালিকে পঠাই দিলে। এই খবৰ পাই ভান্-আইকো বৰ আনন্দিত হল আৰু মাৰ্টিনক কৈ পঠালে, "মাৰ্টিন, পৰহিলৈ মোৰ এজন বন্ধু ইটালী বুলি যাত্ৰা কৰিব। এই সুযোগতে মাৰ্গেৰেটে জেৰাৰ্ডলৈ যি ইচ্ছা তাকে লিখি পঠাব পাৰিব। এতেকে আজি চিঠি লিখি কাইলৈ মোৰ হাতত দিবাহি।"

মাৰ্গেৰেটে প্ৰফুল্লিতমনেৰে হেপাহ পলুৱাই জেৰাৰ্ডলৈ—প্ৰাণৰ জেৰাৰ্ডলৈ—দীঘলীয়া চিঠি এখন লিখি চিত্ৰকৰৰ দ্বাৰাই চিত্ৰাঙ্কন কৰাই যথা সময়ত ভান্-আইকৰ হাতত দিলেগৈ। কিন্তু "Walls have ears" ঘৰৰ বেৰবো যে চকু-কাণ আছে মিছা নহয়। কথা হল মাৰ্টিন, মাৰ্গেৰেট আৰু ভান্-আইক তিনিয়োৰো মাজত—জেৰাৰ্ডৰ ভাই চিব্ৰাণ্ড আৰু কৰ্ণেলিছৰ কাণত পৰিলগৈ কেনেকৈ? খবৰ পায়েই সিহঁত ঘাইছব্ৰেটৰ ওচৰ পালেগৈ। ঘাইছব্ৰেটে কি কৰিব কি নকৰিব কত ভাবিলে কত চিন্তিলে কত ঘাটিলে-ঘুটিলে—শেষ মীমাংসা কৰিলে "এই চিঠিখন সলাব লাগে অৰ্থাৎ এই চিঠিখন আমাৰ হাত কৰি তাৰ ঠাইত এনেকুৱা চিঠি এখন দিব লাগে যাতে সেই চিঠি পঢ়ি জেৰাৰ্ড আৰু পৃথিবীত জীয়াই নাথাকে বা থাকিলেও আৰু টাৰ্গোলৈ উভতি নাহে। বেছ এয়ে উত্তম উপায়, উত্তম সুযোগ।" এইবোৰ ভাবি-চিন্তি চিঠি সলাবৰ নিমিত্তে তেওঁ চিব্ৰাণ্ড আৰু কৰ্ণেলিছক যথোপযুক্ত পৰামৰ্শ দি বিদায় দিলে। সিহঁত দুয়ো চিঠি পৰিবৰ্ত্তন কৰিবৰ নিমিত্তে নানা চেলু বিচাৰিব ধৰিলে। ভান্-আইকৰ বন্ধু মেমলিঙে কাপোৰ-কানি বান্ধি থৈ থাব বহোঁতে সিহঁতে কাৰ্য্য সিদ্ধি কৰিবৰ নিমিত্তে এবাৰ চেষ্টা কৰিলে কিন্তু নোৱাৰিলে। যেতিয়া মেমলিঙ ওলাই যায় তেতিয়া সিহঁতে তেওঁক বাটতে আগুৰি ধৰি চিঠিখন জোৰকৈ কাঢ়ি আনিলে আৰু তাইৰ হাতত আন এখন চিঠি দিলে। তাত লিখা আছিল:—

প্ৰাণৰ জেৰাৰ্ড!

বৰ দুখৰ বাতৰি—জনাবলৈ সাহ নহয়, বুকু কঁপি উঠে। কিন্তু কি কৰিম! নিয়তিৰ লীলা! তোমাৰ

প্ৰাণ-প্ৰতিমা মাৰ্গেৰেটৰাও আৰু ইহজগতত নাই। আজি বৃহস্পতিবাৰ গধূলি ৪টা বজাত তাই ঢুকাইছে। মই নিজে আগত থাকি তাইক কবৰ দিয়াইছো। কি কম জেৰাৰ্ড! প্ৰাণে নসয়। তাই মৰিবৰ সময়তো কেৱল "জেৰাৰ্ড জেৰাৰ্ড" কৈ প্ৰাণ এৰিছে। সেইদেখি তুমি ইটালীকে তোমাৰ মৃত্যু ঠাই বুলি ভাবি জন্মভূমি টাৰ্গো আৰু ছেভেনবাৰ্গেনৰ কথা পাহৰি পেলোৱা—সকলো কথা সকলো ভাব অন্তৰৰপৰা মচি পেলোৱা।

তোমাৰ হিতাকাঙ্ক্ষী
মাৰ্গেৰেট ভান্-আইক

(২০)

## জাৰ্ম্মানীত

আজিকালি ইঠাইৰপৰা সিঠাইলৈ যাবলৈ যেনেকুৱা সুবিধা আগেয়ে কিন্তু তেনেকুৱা সুবিধা নাছিল। আজিৰ দৰে দেশে দেশে, জিলাই জিলাই, চহৰে চহৰে ৰেলগাড়ী জাহাজ, মটৰগাড়ী আদি নচলিছিল। বাট-পথবোৰ তেনেই দুৰ্গম, তাতে আকৌ চোৰ ডকাইতেৰে ভৰপূৰ আছিল। এবাৰ দেশ ভ্ৰমণৰ উদ্দেশ্যে বাহিৰ হলে পুনৰায় উভতি আহিবৰ আশা নাছিল।

জেৰাৰ্ড মাৰ্টিন আৰু মাৰ্গেৰেটৰপৰা বিদায় লৈ এই ঘোৰ হাবি-বননিয়ে ভৰা দুৰ্গম পথৰ পথিক হল। তেওঁৰ লগত সম্বল কেৱল সেই চিৰ লগৰীয়া আইৰণ ফ্লাস্কটো (iron flask), দুই শলাটো, ছুৰি এখন আৰু লাঠি এডাল। এই সম্বল কেইটা লৈয়ে জেৰাৰ্ডে আত্মৰক্ষাৰ্থে সংসাৰৰ সকলো সুখকে ত্যাগ কৰি তেওঁৰ চিৰবাঞ্ছিত চিৰকল্পিত প্ৰাকৃতিক সৌন্দৰ্য্যৰ ৰাণী ইটালীলৈ যাত্ৰা কৰিলে। তেওঁ অকলে অকলে বহু কষ্ট সহ কৰি কোনোমতে জাৰ্ম্মানীৰ প্ৰান্ত প্ৰদেশ পালেগৈ। বাটত যাওঁতে তেওঁৰ কত বিলাই-বিপত্তি হৈছিল, কত অঘটন ঘটিছিল তাৰ সীমা সংখ্যা নাই।

এদিন গধূলি ৰাতি থাকিবৰ নিমিত্তে কোনো আশ্ৰয় পাই বুলি ফুৰোতে হঠাৎ এখন হাবিৰ ওচৰ পালেগৈ। তেওঁৰ গা শিয়ৰি উঠিল—সন্মুখত ঘোৰ অৰণ্য, চৰাই-চিৰিকতি-বোৰে ঘূৰি-ফুৰি নিজ নিজ বাহলৈ উভতিছে। নিশাচৰ-বোৰে চিকাৰৰ অনুসন্ধানত গাঁত-ভুঁইলৈ যাবৰ আশাৰে ঘোৰ অৰণ্যৰ মাজৰপৰা ওলাই বাহিৰত ভুমুকি মাৰিছেহি। জেৰাৰ্ডে দেখিলে সেই অৰণ্যৰ মাজেদি এটি সুৰসুৰীয়া বাট। মানুহ এটা কোনোমতে যাব পাৰি, তুয়োকাষে বাঁহ যেন নল খাগৰি, গছ-গছনি। আকৌ তেওঁ শুনিলে হাবিৰ ঠিক অন্য পাৰে যেন মানুহৰ কোলাহল। পাছৰ ফালে চাই দেখে প্ৰায় তিনি চাৰি মাইল ঘূৰি মুকলি পথাৰ। তেওঁ এই সন্ধ্যা সময় যায় কলৈ? তেওঁ দো-মনাত পৰি অনেক ভাবিলে, অনেক চিন্তিলে। "যি জীৱন পিতৃ-মাতৃৰ কাজত নালাগিল, যি জীৱন দেশৰ, দহৰ কাজত নালাগিল সেই জীৱনৰ প্ৰয়োজন কি? যাওক এই ছাৰ জীৱন। কিন্তু মাৰ্গেৰেট! সেই প্ৰাণাধিক প্ৰিয়তমা মাৰ্গেৰেট!" আকৌ কিছু সময় নীৰৱ থাকি নিজে নিজে কৈ উঠিল "নহয়, সেই মাৰ্গেৰেটেই এই দুখ-দুৰ্গতিৰ মূল।" এই বুলি তেওঁ নিজ বাটত আগ বাঢ়িলে।

বনৰপৰা মুকলি পথাৰ আৰু মানুহৰ আশ্ৰয় পাবলৈ বেছি দূৰ নাই আৰু দুই তিনি মিনিটৰ বাট গলেই বনৰ পাৰ পায়গৈ। এনেতে ভয়ঙ্কৰ সিংহ এটা আগতে ওলালহি। জেৰাৰ্ডৰ চুলিৰ আগেদি জীৱ গল! কিংকৰ্ত্তব্যবিমূঢ় হৈ পলাবৰ নিমিত্তে ইফাল সিফাল চাওঁতেই সি বজ্ৰনাদেৰে জেৰাৰ্ডৰ ওপৰতে পৰিলহি। জেৰাৰ্ডে চিঞৰ-বাখৰ লগালে। তেওঁৰ চিঞৰ-বাখৰে, সিংহৰ গোজৰনিয়ে হাবি-বননি কঁপাই তুলিলে। দুমিনিটমান বাগৰাবাগৰিকৈ থাকোতে সিংহটো ধম কৰে মাটিত পৰি গল আৰু গোঁৰৰি গোঁৰৰি সেই পিনে প্ৰাণ এৰিলে।

জেৰাৰ্ডৰ ওচৰতে এজন সশস্ত্ৰ সৈনিক যোদ্ধৃবেশেৰে হাতত খোলা তৰোৱাল বাৰুলি কৰি দণ্ডায়মান। জেৰাৰ্ড অচেতন। সৈনিকজনে লৰালৰিকৈ ওচৰৰ নাদ এটাৰপৰা এখন গামোছা তিয়াই আনি জেৰাৰ্ডৰ মূৰত ধৰিলে আৰু কাষতে বহি লাহে লাহে বিচিব ধৰিলে। অলপ পিছতে এস্লেলেম নামেৰে ধৰ্ম্মযাজক এজন ঘটনাস্থলত উপস্থিত হলহি। সৈনিকজনে তেওঁক সকলো ঘটনা আদ্যোপান্ত জনালে। দুয়ো লগলাগি ধৰাধৰিকৈ জেৰাৰ্ডক



ওচৰৰ অতিথি-ঘৰ এটালৈ লৈ গল আৰু তাতে পাৰে মানে শুশ্ৰূষা কৰিব ধৰিলে। আধাঘন্টামানৰ পাছত জেৰাৰ্ডৰ সংজ্ঞা আহিল। তেওঁ চকু মেলিয়েই দেখে যে তেওঁৰ মূৰটো এজন অচিনাকী সৈনিক পুৰুষৰ কোলাত। জেৰাৰ্ডে একেথৰে কিছু সময় চাই থাকি কাতৰ-সুৰেৰে সুধিলে—"প্ৰভু, তুমি কোন? মানুহ নে দেৱতা?"

সৈনিকজনে উত্তৰ দিলে, "খন্তেক নীৰৱে থাকা, বেছি লৰচৰ নকৰিবা, ঘাবোৰৰপৰা আকৌ তেজ ওলাব পাৰে।"

জেৰাৰ্ডৰ সেইপিনে টোপনি আহিল। সৈনিকজনে ওৰে ৰাতি ঔষধ-পাতি খুৱালে, লিপিলে, নানা ৰকম যতন ললে। ৰাতিপুৱা জেৰাৰ্ড উঠি বহিল। সৈনিকজনৰ নেৰানেপেৰা অশেষ যতন দেখি জেৰাৰ্ড আচৰিত হল আৰু ঘনাই ঘনাই সুধিব ধৰিলে "তুমি কোন দেৱ?"

"মই এজন সামান্য সৈনিক। কিন্তু এতিয়া কামৰ পৰা অৱসৰ পাই ফুৰি ফুৰিছো।"

"যদি আপোনাৰ নাম—"

"মোৰ নাম ডেনিজ। তোমাৰ?"

"মোৰ নাম জেৰাৰ্ড। আপুনি মোৰ পৰম বন্ধু দেৱ। আপুনি মোক জীৱন দান দিলে, আপোনাৰ ওচৰত মই চিৰ ধৰুৱা। এই ধাৰ মই সমস্ত জীৱনতো শুজিব পাৰিবৰ নহয়" বুলি কৈ জেৰাৰ্ডে চকুলো টুকিব ধৰিলে। তাকে দেখি সৈনিকজনে কলে—"সেইবোৰ নাভাবিবা বন্ধু। মানুহৰ কাম মানুহে কৰিবই একো নতুন নহয়। মোৰ বিপদত তুমি, তোমাৰ বিপদত মই সহায় কৰা ৰক্ষা কৰা, উদ্ধাৰ কৰা,—মানুহে পৰস্পৰ সহায় কৰা— সংসাৰৰ ধৰ্ম্ম।"

জেৰাৰ্ড আৰু ডেনিজৰ মাজত নানা ৰকম আলাপ-পৰিচয় হল— বন্ধুত্ব স্থাপন হল। সেই দিনৰপৰা জেৰাৰ্ড আৰু ডেনিজ নলে-গলে লগা বন্ধু। খন্তেক সময়ো দুয়োকো দুই এৰাএৰি নাই। দুয়ো একেলগে ফুৰে একেলগে খায়, একেলগে শোৱে—মুঠতে দুয়োৰো জীৱন একে হৈ পৰিল। দুয়ো জাৰ্ম্মানীৰ নানা ঠাই ঘূৰি চাই ফুৰিব ধৰিলে।

এদিন দুপৰীয়া কৰবাত ঘূৰি ঘূৰি ৰাইন নদীৰ পাৰত উপস্থিত হলহি। ৰাইন নদীৰ কুলু কুলু ধ্বনিয়ে নদীৰ পৰিস্কাৰ নিৰ্ম্মল পানীয়ে তেওঁলোকৰ মন আকৰ্ষণ কৰিলে। দুয়ো কাপোৰ-কানি থৈ গা ধুবলৈ নামি নানা ৰকম ধেমালি কৰিব ধৰিলে। হঠাৎ ডেনিজ ভাটি গল তেওঁ সাঁতুৰিব নাজানে অলপ দূৰ গৈয়ে পানী খাই কঙ্কবক্ কৰিব ধৰিলে। জেৰাৰ্ডে চকুত পৰা মাত্ৰকে সাঁতোৰ মেলিলে। তেওঁ সাঁতোৰত বৰ পাৰ্গত; ততালিকে ডেনিজক গলত সাবট মাৰি ধৰিলেগৈ আৰু ভৰা নদীত সাঁতুৰি সাঁতুৰি পাৰ পালেগৈ।

এইদৰে সুখে-দুখে, বিপদে-সম্পদে দুয়ো দিন কটাব ধৰিলে। এদিন গধূলি ফুৰি ফুৰোতে এখন অতিথি-শালাত দুয়ো ৭৷ মান বজাত কিছুমান ডকাইতৰ হাতত পৰিলগৈ। দুয়ো অসীম সাহেৰে সিহঁতৰ লগত যুজিলে, সিহঁতক হৰুৱাই কোনোমতে সিহঁতৰ হাত সাৰিল!

এই ঘটনাবোৰে তেওঁলোকৰ বন্ধুত্ব আৰু দৃঢ় কৰি তুলিলে। তেতিয়াৰপৰা জেৰাৰ্ড আৰু ডেনিজ অভিন্ন-হৃদয় বন্ধু। কাৰো মনত কোনো কথা নৰল; এজনৰ সুখেই দুয়োৰো সুখ, এজনৰ দুখেই দুয়োৰো দুখ।

কিছুদিন এনেকৈ থকাৰ পিছত ডেনিজ ৰটাৰ্ডম, ঘেণ্ট আদি ঠাইলৈ যাম বুলি মনৰ ভাব জনালে। জেৰাৰ্ডৰ মনত আনন্দ হল। তেওঁ দুখন চিঠি লিখিলে এখন পিতা-মাতা ইলিয়াম আৰু কেথেৰিণলৈ, আনখন প্ৰাণ-প্ৰতিমা মাৰ্গেৰেটলৈ।

চিঠি দুখন শেষ কৰি ডেনিজৰ হাতত দি কলে, "বন্ধু! তুমি যেন অতি সোনকালে এই চিঠি আচল গ্ৰাহকক পাওনি কৰা এইহে আশা। মই এতিয়া ৰোম বুলি ৰাওনা হওঁ— তুমি ছেভেনবাৰ্গেন বুলি যাত্ৰা কৰা।" ডেনিজ আনন্দেৰে মান্তি হল। বহু আলিঙ্গনাদিৰ পিছত দুয়োকো দুই এৰাএৰি হল। (আগলৈ)

শ্ৰীশান্তি ৰাম দাস

# বড়ো জাতিৰ ধৰ্ম্মতত্ত্ব

বহুতে ভাবে যে বড়োবিলাক ভূত উপাসক। সেই ভুল ধাৰণাৰ নিমিত্তে বোধকৰো আসাম গৱৰ্ণমেণ্টে সেই সম্প্ৰদায়ৰ মানুহবিলাকক animist বুলি নিৰ্দ্দেশ কৰিছে। ঐতিহাসিক তত্ত্বজিজ্ঞাসু সহৃদয় লোকসকলেও বোধকৰো তেওঁলোকৰ ধৰ্ম্মৰ বিষয় অলপো গমি চোৱা নাই। কাৰণ যিবিলাকে ইতিহাসৰ দোহাই দি তেওঁলোকৰ বিষয় লিখিবলৈ চেষ্টা কৰিছে, দেখা যায় যে তেওঁলোকক তেওঁলোকে সিজু গছৰ উপাসক বুলি লিখিছে। কিন্তু তেওঁলোকে প্ৰকৃততে গছকে পূজা কৰে নে গছৰ বাহিৰে অইন কাৰবাক পূজা কৰে অলপ গমি চোৱা হলে সন্তোষ পালোহেঁতেন। সিজু গছৰ মাজত প্ৰকৃত সত্য নিহিত আছে নে নাই, আৰু যদি একান্তই গছক পূজা কৰে, তেনেহলে কি কাৰণত পূজা কৰে সেইবোৰ আগ-পাছ ভাবি লিখাটো ঐতিহাসিকবিলাকৰ উচিত বুলি বিবেচনা কৰা যায়।

আমি জানো, তেওঁলোকে কেতিয়াও গছক পূজা নকৰে; কিন্তু তেওঁলোকে সিজুৰ ভিতৰেদি সত্য শিব সুন্দৰ সেই এক পৰমেশ্বৰক পূজা কৰে বুলি তলত লিখা পূজাৰ সময়ত উচ্চাৰণ কৰা মন্ত্ৰৰপৰা বেছকৈ জানিব পাৰি——

আহাম্ ফৰমাদে,
বাথৌয়া জাদং বান্ধৰা,
সিজৌয়া জাদং গৰংবা।
মইথাহাজি, ৰাংৰাচি, বাৰিগংথাম্,
নংন জাদং ছাচেথান ফান্থাম্।

ইয়াৰ সাৰমৰ্ম্ম এই——'হে সদাবিৰাজিত প্ৰভু, তুমি পঞ্চভূতেৰে জগতৰ স্ৰষ্টা, আৰু ত্ৰিগুণত্বশালী। সেই কাৰণে পঞ্চভূতৰ চিন স্বৰূপে 'বাথৌ'ক ⊕ পাঁচোটা বাণেৰে বান্ধে আৰু গৰ্ত্তবিশিষ্ট সিজু গছক চোতালত পুতি থয়। উদ্দেশ্য এই, যাতে সদায় তাৰফালে চাই জগতখন পঞ্চভূতেৰে সৃষ্ট বুলি মনত ৰাখি ঈশ্বৰৰ ফালে মন আকৃষ্ট কৰিব পাৰে।

বড়োৰ দৰ্শনমতে ঈশ্বৰ মইথাহাজি, ৰাংৰাচি, বাৰিগংথাম্ এই ত্ৰিগুণত্বশালী আৰু তেওঁ এই তিনি গুণেৰে জগতৰ সৃষ্টি, স্থিতি আৰু সংহাৰ (taking in) কৰিছে। তেওঁলোকে বিশ্বাস কৰে যে মইথাহাজি পিতা, ৰাংৰাচি মাতা আৰু বাৰিগংথাম্ পুত্ৰ। মইথাহাজি আৰু ৰাংৰাচি বাৰিগংথামত লীন হয় অৰ্থাৎ মাতা আৰু পিতা পুত্ৰত লীন হয়।

পোনপ্ৰথমত তেওঁলোকে সাত্ত্বিকভাৱে একমেবাদ্বিতীয়ম্ —অদ্বিতীয় ঈশ্বৰক পূজা কৰিছিল, এতিয়াও কৰে। কিন্তু বৰ্ত্তমানে তেওঁলোকে বিজাতীয় ধৰ্ম্মৰ প্ৰবল প্ৰকোপত তেওঁলোকৰ আগৰ পবিত্ৰ বিশ্বাসৰপৰা লাহে লাহে আঁতৰিব ধৰিছে।

বড়োবিলাকৰ ভিতৰত যি কিম্বদন্তী চলি আহিছে তাৰপৰা জানিব পৰা যায় যে তেওঁলোকৰ আদি পুৰুষবিলাক গঙ্গাযমুনাৰ সঙ্গমস্থলৰপৰা সাংগ্ৰাইমা (অৰ্থাৎ ব্ৰহ্মপুত্ৰ) নৈয়ে দি উজাই আহি গুৱাহাটীৰ নীলাচল পাহাৰৰ ওচৰত বসতি কৰেহি। ইয়াতে তেওঁলোকে প্ৰথম ৰাজ্য স্থাপন কৰে। তেতিয়া বড়োৰাজ্যত সদায় শান্তি বিৰাজ কৰিছিল, বৈদেশিক কোনো অত্যাচাৰ নাছিল। সেই নিমিত্তে বড়োবিলাকে সাত্ত্বিকভাৱে ভগবানৰ উপাসনাত কাল নিয়াব পাৰিছিল।

কালক্ৰমত বড়োৰাজ্যত বৈদেশিক অত্যাচাৰ আৰম্ভ হল। তেতিয়া বড়োবিলাকে দেখিলে যে, সকলোৱে সদায় সাত্ত্বিকভাৱে ভগবানৰ উপাসনা কৰি থাকিলে ৰাজ্যৰক্ষা নহয়। সেই কাৰণে বড়োবিলাকে বীৰশক্তি সঞ্চয় কৰিবলৈ দিহা বিচাৰিলে। সেই সময়ত 'আলা-

⊕ বাথৌ পঞ্চবন্ধনবিশিষ্ট বাঁহেৰে ঘেৰা বেদি। বাথৌ শব্দটো বড়োভাষাৰ বা (পাঁচ), থাম্ (তিনি), গথৌ (গভীৰ) এই তিনিটা শব্দৰপৰা ওলোৱা। এই বাথৌত বড়োবিলাকে পঞ্চভূতেৰে জগতৰ স্ৰষ্টা, ত্ৰিগুণত্বশালী আৰু অধাৱনীয় ঈশ্বৰক প্ৰতিমা ৰূপে দেখুৱাইছে।



বিদাম্ব্ৰা'ৰ আবিৰ্ভাৱ হৈছিল। আলাবিদাম্ব্ৰাক আমি অসুৰতাৰ বুলিব পাৰো। আলাবিদাম্ব্ৰাই বড়োবিলাকৰ ভিতৰত বীৰশক্তি সঞ্চয়ৰ কাৰণে বীৰপূজা আৰম্ভ কৰিলে আৰু তামসিক শক্তি সঞ্চয়ৰ কাৰণে বলিদান আৰম্ভ কৰিলে। সেই আলাবিদাম্ব্ৰাৰ দিনৰপৰা বড়োবিলাকে বীৰপূজা আৰু বলিদান কৰি আহিছে। বড়োবিলাকৰ ভিতৰত খেৰায় (অসমীয়া ভাষাত নাথপূজা) বুলি যে বাৎসৰিক উৎসৱ আছে তাত অকল জাতীয় বীৰবিলাকৰ পূজা হয় আৰু বীৰবিলাকৰ উপাখ্যান বৰ্ণিত হয়। আচৰিত হব, তেওঁলোকে কোচৰজা * নৰনাৰায়ণৰ ভায়েক বীৰ চিলাৰায়কো এতিয়াও পূজা কৰে।

বড়োবিলাক যে প্ৰকৃততে একেশ্বৰবাদী তাত কোনো সংশয় নাই। তেওঁলোক সাকাৰ আৰু নিৰাকাৰবাদী। তেওঁলোকে পূজাৰ সময়ত বাথৌৰ মাজত চাকি লগায়। এই চাকি ঈশ্বৰৰ জ্যোতিৰ্ম্ময় ৰূপৰ পৰিচায়ক। ইয়াৰ পৰা আমি জানো যে তেওঁলোকে ঈশ্বৰক জ্যোতিৰ্ম্ময় বুলি বিশ্বাস কৰে আৰু চন্দ্ৰ-সূৰ্য্যকো এক এক দেৱতা বুলি মানে।

এতিয়া সহৃদয় পাঠকবৰ্গে ভাবি চাওক তেওঁলোক animist নে animist নহয়।

শ্ৰীমদাৰাম ব্ৰহ্ম

# অসমীয়া ভাষাৰ বৰ্ণমালাৰ সম্পৰ্কে

আমাৰ ভাষাৰ বৰ্ণমালাৰ সম্পৰ্কে আজি কিছুদিনৰপৰা 'অসমীয়া' বাতৰি কাকতত আৰু 'মিলন' আলোচনীত অলপ তৰ্ক-বিতৰ্ক আৰু কিছু সমালোচনা দেখা গৈছে। এজনে কোনো এটা বৰ্ণমালা ৰাখিবলৈ "অসম-সাহিত্য সভা"ক আবেদন কৰিব খোজে, আকৌ অন্য এজনে তাকে আপত্তি কৰিবলৈ ককালত কমৰ বান্ধি উঠিছে, আকৌ আন এজনে সংস্কৃতৰ পাণিনিৰ ব্যাকৰণৰ সূত্ৰ উল্লেখ কৰি দুৰ্য্যোধনক নিস্তব্ধ ৰাখিবলৈ যত্ন কৰিছে। পাছে আটাইকেওজনে মোৰ মনেৰে কথাটো খৰচি মাৰি জুকিয়াই এটা সিদ্ধান্তলৈ নিবলৈ যত্ন কৰা নাই।

মই অসমীয়া ভাষা আৰু বৰ্ণমালাৰ সম্পৰ্কে আজি বহুদিনৰপৰা অলপ আলোচনা কৰি আহিছো। সাত আঠ বছৰৰ পূৰ্ব্বে ডিব্ৰুগড়ৰপৰা ওলোৱা মাহিলী "আলোচনী" নামেৰে এখন কাকতত এই ভাষাৰ বৰ্ণমালাৰ বিষয়ে আধাৰদিয়েক কথা কৈছিলো, তেতিয়া সেই বিষয়টোৱে মানুহৰ মন আকৰ্ষণ নকৰাৰ বাবেই হওক বা অন্য কাৰণৰ বাবেই হওক, সেই সময়ত আৰু একো আলোচনা কৰা নহল। কিছুদিনৰ পাছত যোৰহাটৰ নৰ্ম্মাল স্কুলৰ ছুপৰিণ্টেণ্ডেণ্ট বন্ধুবৰ শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামীয়ে এই বিষয়ে "অসমীয়া" বাতৰি কাকতত যৎকিঞ্চিৎ আলোচনা কৰি দুখনমান চিঠি লেখে। তাৰ উত্তৰত বহুতে প্ৰত্যুত্তৰ দিয়ে, কিন্তু বিষয়টো আলোচনা কৰাতকৈ বহুতে গোস্বামীদেৱৰহে তীব্ৰ সমালোচনা কৰে। সিও আজি তিনি চাৰি বছৰৰ কথা। আলোচনাত যোগ দিয়া সকলে বোধ কৰো এইটো নিশ্চয় জানিছিল যে গোস্বা-

* কোচৰজাবিলাকৰ আদি পুৰুষ হাওৰিয়া মণ্ডল এজন বড়ো মানুহ আছিল। তেখেতৰ গাওঁ "চিৎথাগাওঁ"খন এতিয়াও লেখকৰ ঘৰৰ ওচৰত আছে। হাওৰিয়া মণ্ডলৰ পুতেক বিশ্বসিংহ ৰজাই প্ৰথম হিন্দুধৰ্ম্ম গ্ৰহণ কৰি কোচ নাম পায়। তেখেতৰ বংশধৰবিলাকক সেই কাৰণে কোচৰজা বুলি জনা যায়। শুনিবলৈ পাও কোচবিহাৰৰ মহাৰজা এতিয়াও নাকি বাথৌক পূজা কৰি বড়োৰ মৰ্য্যাদা ৰাখিছে আৰু প্ৰায় পঞ্চাশ বছৰৰ আগত নাকি বিজনীৰ ৰজাও বড়োৰ দেৱতা 'আই'ক পূজা কৰিছিল আৰু পূজাৰ সময়ত বড়োতন্ত্ৰবিলাক নিমন্ত্ৰিত হৈছিল।

মীদেৱো এজন অসমীয়া আৰু অসমীয়া ভাষাৰ অহিতাকাঙ্ক্ষী নহয় ; আৰু অসমীয়া ভাষাৰ উন্নতি হলে তেওঁলোকতকৈ বেছিকৈ নহলেও গোস্বামীদেৱ কোনো অংশে কমকৈ সুখী নহব। গতিকে "তীব্র সমলোচনা"তকৈ ধীৰ আলোচনা কৰি এটা সিদ্ধান্তলৈ যাবলৈ যত্ন কৰাহে সকলোৰে উচিত আছিল। সি যি হওক, সেই বিষয়ে আকৌ আমাৰ ভিতৰত কথা-বতৰা হৈছে যেতিয়া পুনঃ তাৰ সঙ্গ আলোচনা কৰা ভাল যেন দেখো।

কোৱা কথাই ভাষা। পাছে এই ভাষাত আমাৰ একো তৰ্ক-বিতৰ্ক উঠা নাই, কেৱল কোৱা কথা যি আখৰেৰে লিখোহঁক সেই আখৰ বা বৰ্ণবিলাক লৈহে আমাৰ তৰ্ক-বিতৰ্ক আৰু মতামত চলিব লাগিছে।

আমাৰ ভাষাত প্ৰকৃততে আখৰ কেইটা ? স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱাই তেখেতৰ ব্যাকৰণত "সংস্কৃতৰ দৰে" অসমীয়া ভাষাত আখৰ "পঞ্চাশ" আছে বুলি ধৰিছে। তাৰ পাছত লেখিছে "ঌ, ৯, ৠ এই তিনিটা আখৰৰ ব্যৱহাৰ অসমীয়া ভাষাত নাই।" আৰু লেখিছে "ঙ আৰু ঞ, এই দুইটা আখৰো অসমীয়া ভাষাত একে দৰেই উচ্চাৰিত হয়।" —হেমকোষৰ পাতনি। হেমকোষৰ পাতনিত বৰুৱা ডাঙৰীয়াই আৰু লেখিছে "আমাৰ ভাষাত যেনেকৈ শ, ষ, স এই কেইটা আখৰৰ উচ্চাৰণৰ একো প্ৰভেদ নাই, তেনেকৈ চ-ছ, ই-ি, ঈ-ী আৰু উ ু -ঊ ূ ইহঁতৰো প্ৰত্যেকবোৰৰ উচ্চাৰণৰ একো বিভিন্নতা নাই।" কিন্তু তেখেতে এই আখৰবিলাকৰ অসমীয়া ভাষাত ব্যৱহাৰ নাই যদিও তাক "মূল ৰক্ষাৰ হেতু" ৰাখিব লাগে বুলি উক্ত পাতনিতে যুক্তি কৰি কৈছে আৰু বৰ্ণ কেইটা ৰক্ষা কৰিছে। "মূল ৰক্ষাৰ হেতু"ৰ অৰ্থ এই যে যদি কোনো অসমীয়া ভাষাত থকা শব্দ অন্য কোনো ভাষাৰপৰা আহি ব্যৱহৃত হৈ অসমীয়াত চলিত হলহি তেন্তে সেই শব্দটোৰ যদি মূল ভাষাত থকা ইকাৰ বা ঈকাৰেৰে অথবা উকাৰ বা ঊকাৰেৰেই আমাৰ ভাষাতো লেখিব লাগে অৰ্থাৎ ঈকাৰ বা ঊকাৰ যদিও আমাৰ ভাষাত নাই তথাপি মূল ভাষাৰ শব্দত আছিল কাৰণে ঈকাৰ ঊকাৰ দি আজি আমাৰ ভাষাতো লেখা উচিত, আৰু তেনেকৈয়ে শব্দটোৰ মূল ৰক্ষা পৰিব।

এই যুক্তি কিন্তু ফহিঁয়াই চালে গ্ৰহণ কৰিব পৰা নাযাব যেন লাগে।

(১) মূল ৰক্ষা শব্দৰ বৰ্ণবিন্যাসৰপৰা হয় নে, নাই উচ্চাৰণৰ পৰা হয় ? সংস্কৃত শব্দ "পিতৃ" আৰু লেটিন শব্দ Pittar এই দুই শব্দৰ মূল একেটা বুলি ভাষাজ্ঞসকলে বৰ্ণবিন্যাসৰপৰা ঠাৱৰ কৰিলে নে নাইবা উচ্চাৰণৰ সাদৃশ্যতাৰপৰা ঠাৱৰ কৰিলে ? প্ৰথমে ভাষাৰ আদিতে কোৱা ভাষা, পাছতহে লিখিত অৱস্থাত পৰেগৈ। কোৱা ভাষা আৰু লিখা ভাষা বেলেগ নহয়, আৰু হবও নোৱাৰে। আৰ্য্যসকলে "পিতৃ" শব্দৰ লৈ কথিত ভাষাৰে ব্ৰহ্মবৰ্ত্তভূমিৰপৰা নানা স্থানলৈ যোৱাৰ পাছত ইউৰোপৰ অঞ্চলত "পিতৰ" Pittar আৰু ভাৰতৰ অঞ্চলত 'পিতৃ' ৰূপে ব্যৱহৃত হয়। আৰু লিখিত অৱস্থাত পৰি নিজ নিজ ঠাইৰ আখৰেৰে লিখি ব্যৱহাৰ হয়। বহুদিনৰ পাছত ভাষাতত্ত্বজ্ঞসকলে ভাষা আলোচনা কৰি "পিতৰ" আৰু "পিতৃ" এই দুই শব্দৰ উচ্চাৰণৰ সাদৃশ্যতাত আৰু একে অৰ্থবোধকতাৰপৰা দুই শব্দৰ মূল একে বুলি সিদ্ধান্ত কৰিব পাৰিছিল যদিও দুয়ো শব্দৰ লিখা আখৰ স্বৰ্গ-মৰ্ত্ত্য তফাৎ। সংস্কৃত "পূৰ্ব্ব" শব্দৰ পৰা অসমীয়া "পূব" শব্দ আহিছে, আৰু যেতিয়ালৈকে অসমীয়া "পূব" কথাটোৱে সংস্কৃত 'পূৰ্ব্ব' কথাটোৰ অৰ্থ বুজাই থাকে আৰু দুয়ো শব্দৰ উচ্চাৰণৰ সাদৃশ্যতা থাকে তেতিয়ালৈকে অসমীয়া মানুহে কোৱা "পূব" কথাটো সংস্কৃতৰ পূৰ্ব্বৰপৰা আহিছে বুলি সকলোৱে ধৰিব পাৰিব, তেহেলৈ অসমীয়া শব্দটো উকাৰ দিয়েই লেখক বা ঊকাৰ দিয়েই লেখক।

(২) অসমীয়া ভাষা অতি পুৰণি ভাষা, আৰু প্ৰায় কথাবিলাক পুৰণিকলীয়া। এনে স্থলত এইটো বৰ আচৰিত প্ৰণালী যেন লাগে যে মই মোৰ সদায় কৈ থকা কথা এটা লেখিব লগীয়া হলে তাক যি আখৰেৰে উচ্চাৰণ কৰো তাৰে নেলেখি, কথাটো আমাৰ ভাষাত আদিতে সোমাওঁতে কোন ভাষাৰপৰা আহি সোমালহি,



আৰু সি সোমোৱাৰ আগেয়ে নো কি কি আখৰটোৰে লোকৰ বা মূল ভাষাত লিখিত হৈ আছিল, তাক বিচাৰ কৰি, সেই লোকৰ ভাষাৰ আখৰটোৰে আমাৰ ভাষাত লিখিব লাগে ! অসমীয়া ভাষাৰ কোনটো শব্দ কৰ পৰা আহি সোমালহি তাক ভাষাতত্ত্ব আলোচনা নকৰিলে সদায় জনা টান, আৰু সৰ্ব্বসাধাৰণত সি তিমান আৱশ্যকীয় নহয়। স্কুলত পঢ়া লৰা এটাই সদায় কৈ থকা শব্দ এটা, ধৰক "সালিকা চৰাই" শব্দটো লিখিব লগীয়া হলে, সংস্কৃত ভাষাত (যদি সি ধৰে যে এই শব্দটো সংস্কৃতৰপৰাই আহিছে) "সালিকা" শব্দটো শ ষ স ৰ কোনটো দি লিখিত হৈছিল বা হৈছে তাক বিচাৰ কৰি সি লিখাটো তাৰ পক্ষে সাধ্যাতীত ; আৰু যদি সি উৰ্দ্দু বা কছাৰি বা বাইলুং ভাষাৰপৰা আহিছে বুলি ধৰিব খোজে তেন্তে বা তাৰে উপায় কি ? এইদৰে মূল ৰক্ষা কৰি অসমীয়া ভাষা লিখিবলৈ যোৱাটো মোৰ মনেৰে একপ্ৰকাৰ অসম্ভৱ। কাৰণ এজনে "শুদ্ধ" অসমীয়া লিখিব পাৰিবলৈ হলে, ভালকৈ সংস্কৃত ভাষা আৰু তাৰ লগতে কছাৰি, বড়ো, বাইলুং আৰু পাৰ্ছিয়ান বা উৰ্দ্দু ভাষাও আগধৰি শিকি লব লাগিব। "প্ৰতিযোগী" দীৰ্ঘ ঈকাৰেৰে লেখি "প্ৰতিযোগিতা" হ্ৰস্ব ইকাৰেৰে অসমীয়া ভাষাত লিখিবলৈ সংস্কৃতৰ কিছু ভাল জ্ঞান থাকিব লাগিব, নহলে "প্ৰতিযোগি" বা "প্ৰতিযোগীতা" লিখিলে অসমীয়া ভাষাত ভুল হব !!

(৩) অসমীয়া ভাষা এটা স্বতন্ত্ৰ ভাষা। ই সংস্কৃত ভাষা নহয় ; উৰ্দ্দু বা পাৰ্ছিয়ান ভাষাও নহয়, আৰু আহোম, কছাৰি, বা বড়ো ভাষাও নহয়, যদিও অসমীয়া ভাষা সংস্কৃত ভাষা, উৰ্দ্দু ভাষা, কছাৰি ভাষাৰপৰা ওলাইছে। সংস্কৃত বা উৰ্দ্দু ভাষাৰপৰা অসমীয়া ভাষা ওলাইছে বুলি কওঁতে আমি সংস্কৃত বা উৰ্দ্দু ভাষাৰ বাচি বাচি কেতবিলাক শব্দ আৰু ব্যাকৰণৰ সূত্ৰ আনি চিঙিল লগাই অসমীয়া মানুহক শিকাই এই ভাষা কৰি লোৱা হৈছে বুলি নুবুজো। সংস্কৃত ভাষা কোৱা কিছুমান মানুহ উত্তৰ-পশ্চিম অঞ্চলৰপৰা উলাই পূবমুৱা হৈ আহি ঠায়ে ঠায়ে বসতি কৰি সময়ত আমাৰ দেশ পায়হি। তেওঁলোকৰ মুখত আহি থাকোতে থাকোতে আদিতে কোৱা সংস্কৃত ভাষা যি পৰিৱৰ্ত্তন ঘটিছিল, সেই পৰিৱৰ্ত্তিত ভাষা আমাৰ দেশৰ অতীজৰ মানুহৰ কোৱা ভাষাৰ লগত মিহলি হৈ এই অসমীয়া ভাষা গঠিত হল। সংস্কৃত কোৱা ব্ৰহ্মাবৰ্ত্ত দেশৰপৰা এই আৰ্য্যসকল আমাৰ দেশলৈ অহা দুই-এদিনত ঘটা নাছিল। আৰ্য্যসকলে আদিস্থানৰপৰ স্থানান্তৰ হওঁতে বেদ-বেদান্ত লিখা বিশুদ্ধ সংস্কৃত ভাষা কৈছিল আৰু সেই ভাষাকে মুখে মুখে অন্য দেশলৈ লৈ আহিছিল বুলি ভাবিব নোৱাৰি। আৰু বাস্তবিকতে সেই সংস্কৃত ভাষা যে কোনোৰে কোনো সময়ত কোৱা ভাষা আছিল, ই বৰ সন্দেহৰ কথা। অৱশ্যে জনা-শুনা পণ্ডিতসকলে বিশুদ্ধ সংস্কৃত ভাষা লিখিছিল, আৰু কথা কওঁতেও কিছু পৰিমাণে সেই পৰিমাৰ্জ্জিত ভাষা কবলৈ চেষ্টা কৰিছিল। তাৰ উদাহৰণ স্বৰূপ আমি এতিয়া দেখো যে নাটকত কবিসকলে পণ্ডিত আৰু ডাঙৰ ডাঙৰীয়াৰ মুখত বিশুদ্ধ সংস্কৃত ভাষাৰে বচন দিছিল। গতিকে আৰ্য্যভূমিৰপৰা অহা লোকসকলে এই লিখিত ভাষা লৈ অহা নাই, অন্ততঃ অনেক দেশ বাগৰি আহি আমাৰ দেশ পাওঁতে তেওঁলোকে এই সংস্কাৰ কৰা ভাষা মুখত লৈ আমাৰ দেশত বসতি কৰা নাই। পণ্ডিত হৃষিকেশ ভট্টাচাৰ্য্যাই তেওঁৰ প্ৰাকৃত ভাষাৰ ব্যাকৰণৰ পাতনিত লেখিছে ;

"So long as the Sanskrit-speaking Aryans were confined to their favourite home of Brahmabarta, no great confusion of this language was possible. But when they began to emigrate into different parts of India, the pure Sanskrit Euphony became effected by the climate and other influences of the several places to which they resorted. The several dialects differing from each other in minute points gradually sprang up under the common name of Prakrita. * * * Many such dialects received more or less copious accessions

of words and forms from the aboriginal and foreign languages with which they in process of time came in contact." যদি এয়ে হয়, তেনে অসমীয়া ভাষাৰো শুৱি এয়ে। সংস্কৃত ভাষা আমাৰ ভাষাৰ আছল শুৱি নহয়। অসমীয়া ভাষাৰ শব্দ আৰু ব্যাকৰণৰ সূত্ৰ সংস্কৃত ভাষাৰপৰা অনা আৰু ভাষা সংস্কৃতীয়া কৰা চেষ্টা অসমীয়া ভাষাৰ মূল ৰক্ষা নহয়। প্ৰাকৃত ভাষাত শ, ষৰ ব্যৱহাৰ নাই, এটা স মাথোন ব্যৱহাৰ হৈছিল। সংস্কৃত 'শ্ৰৱণ'ৰপৰা যদিও প্ৰাকৃতলৈ "সুনা" আহিছিল, তেওঁলোকে প্ৰাকৃতত আমাৰ দৰে শুনা লেখা নাছিল—"সুনা" লেখিছিল। প্ৰাকৃতত ঋ, ৠ, ঌ, ৡ, ঐ, ঔ, আৰু ঙ, ঞ, শ, ষ, ন আৰু য ৰ ব্যৱহাৰ নাই। আৰু বাস্তৱিকতে আমাৰ পুৰণি পুথিবিলাকত শ, ষ, আৰু যৰ ব্যৱহাৰ পোৱা দেখা নপৈছিল। বঙ্গালী ভাষাৰ গৰাহৰপৰা ৰক্ষা কৰোতে বেপটিষ্ট মিছনাৰীসকলেও আদিতে এই কেইটা আখৰ ব্যৱহাৰ কৰা নাছিল। তেনে আমি আধুনিক লিখাকবিলাকে কিয় মূল ৰক্ষা কৰা যুক্তিৰে আমাৰ মূল ভাষা প্ৰাকৃত ভাষাৰ বৰ্ণমালা নলওঁহক? মাতা-পুত্ৰৰ সম্বন্ধত মাতাক নেওচি মাতামহক ধৰাটো মাতা বা মূল ৰক্ষা কৰা হয়নে? ই বাস্তৱিকতে আমাৰ ভুল। ডাক্তৰ গ্ৰীয়াৰ্ছন চাহাবে লেখিছে .* * •

The defenders of modern spelling have no right to misuse their vernacular by sending her out into the world masquerading in the clothes of her great grand-mother"—(Linguistic Survey of British India, Vol. V) আৰু শব্দাৱলীৰ বিষয়েও ডাক্তৰ গ্ৰীয়াৰ্ছন চাহাবে তাকে কয়, "The defenders of spelling and vocabulary of modern literary Bengali call themselves "conservatives." But this is mere playing with words. If that is the meaning of the term, then an English conservative is a person who wishes to retain all the civilisation and all the complex national existence of this year of grace but to administer them by the laws of Ina of Wessex. To change the metaphor, by all means let the writers of Bengal *write in Sanskrit if they like (and if they can)* but they have no right to misuse their vernacular. • • • •

মূল ৰক্ষা কৰিবৰ অনাৱশ্যকতাৰ স্থলতো মূল ৰক্ষা কৰিব লাগে বুলি ধৰি আমাৰ ভাষা অযথাত জটিল কৰাৰ কাৰণ নাই, আৰু ওপৰত লেখা কথাৰ যদি কিবা মূল্য আছে যেন বুলি সকলোৱে অনুভৱ কৰে তেনে আমাৰ ভাষা যেনে সম্পূৰ্ণ স্বতন্ত্ৰ তেনে ভাষাৰ ব্যাকৰণ আৰু বৰ্ণমালায়ো স্বতন্ত্ৰ হোৱা উচিত।

আমি ইমান দিন এনেকৈ ভাবিলো, আৰু আদিতে নো কিয় এনেকুৱা বৰ্ণমালা আৰু ব্যাকৰণ আমাৰ ভাষাৰ বুকুত চপাই লৈ এনে দুৰৱস্থা হবলৈ পালেগৈ, তাকো পাছলৈ আলোচনা কৰা হৈছে। এই মূল ৰক্ষাৰ বিষয়ে আৰু এটা যুক্তি বহুতে আগবঢ়ায় কাৰণে তাকো এবাৰ চোৱা যাওক।

(৪) ৺হেমচন্দ্ৰ বৰুৱাই হেমকোষৰ পাতনিত মূল শব্দৰ বৰ্ণবিন্যাস ৰক্ষা কৰিবলৈ আৰু এটা কাৰণ দিছে। তেওঁ লেখিছে "অস্থি বুজোৱা হড্ড শব্দৰ অপভ্ৰংশ হাড় শব্দক যদি আমাৰ উচ্চাৰণ অনুসৰি হাৰ লিখা যায়, তেন্তে তাৰ আৰু মুলবদৰে লিখিত, ডিঙিৰ অলঙ্কাৰ বুজোৱা "হাৰ"ৰ মাজত একো প্ৰভেদ নেথাকে। ভুলত অনুকাৰ "হাৰ ছিগিল" এনেকৈ লিখিলে তাৰ অস্থি ভাগিল নে অলঙ্কাৰ সুলকিল বুজা টান হব। সংস্কৃত ভাষাত তেনে শব্দ বহুত আছে, আৰু অনেক ঠাইত অৰ্থৰ বিষয়তো আশঙ্কা জন্মায়।" হেমকোষ প্ৰণেতাৰ এই যুক্তি বোধকৰো আজি অকি আনে বৰকৈ নধৰে। কোনো গুটীয়া শব্দই ভাষাৰ চিনাকি নিদিয়ে; শব্দ যেতিয়া কোনো বাক্যত বহি কোনো অৰ্থবোধক কথা বুজাব তেতিয়াহে সেই শব্দ কোন ভাষাৰ কথা তাক নিৰূপিত কৰি তাৰ অৰ্থ কৰিব পৰা হয়। "হাৰ ছিগিল" বুলি অকলৈ কোনো



কথাৰ (context) মাজত নবহুৱাকৈ কোনেও ব্যৱহাৰ নকৰে, আৰু অকলৈ ব্যৱহাৰ কৰিলেও পঢ়োতাই যি অৰ্থকে কৰিব তাত একো লেঠা বা "আশঙ্কা" ঘটিবৰ কাৰণ নাই। "ঘৰৰ চালত লাগি তেওঁৰ পিঠিৰ চাল ছিগিল।" এই কথা মুখেৰে কওঁতে অসমীয়া মানুহে কেতিয়াও 'চাল' শব্দৰ অৰ্থ বুজি দোধোৰ-মোধোৰত পৰা সম্ভৱ যেন নালাগে, কাৰণ কথাষাৰৰ বাক্যত তাৰ অৰ্থ স্ফুট ওলাইছে, কিন্তু এটা "ছাল" দ্বিতীয় ছৰে আৰু আনটো "চাল" প্ৰথম চৰে—(প্ৰথম চ, দ্বিতীয় ছৰে অভিহিত নকৰিলে এওঁলোকক চিনাক্ত কৰা টান!) নিলিখিলে পঢ়োতাই অৰ্থ কৰোতে বেমেজালি লগাব বুলি আশঙ্কা কৰি ডয়োটি চ ৰাখি ভিন্ন বৰ্ণবিন্যাসৰ আৱশ্যকতা দেখুৱালে, আমাৰ শিক্ষিতসকলৰ অৱস্থা অতি শোচনীয়ত পৰিবগৈ, আৰু অসম দেশত স্কুল-পঢ়াশালি উঠাই দি অসমীয়া মানুহৰ মানসিক বৃত্তিবিলাক পূৰ্ণ ৰখাটো অবাঞ্ছনীয় নহয় যেন পাওঁ। অথবা ভাষাৰ উন্নতি হবলৈ এইদৰে লিখোতা-পঢ়োতাসকলে উঠি অহা অসমীয়া জাতিটোক কেচুৱা কালৰেপৰা মাতকথা কবলৈ শিকাওঁতে "দ্বিতীয় ছৰ ছালত লাগি তেওঁৰ প্ৰথম চৰ চাল ছিগিল," বুলি কবলৈ বা "তালব্য (বা চিৰি শ) শৰ শৰে শৰে গৈ দ্বিতীয় ছৰ ছিকাৰীয়ে তালব্য শৰ শৰপহু দন্ত্য (বা দৈত) সৰ সৰেৰে মাৰিলে।" ইত্যাদিকৈ কবলৈ শিক্ষা পালে, পাছত তেওঁলোকৰ কওঁতে, পঢ়োঁতে আৰু লিখোঁতে আৰু কোনো বেমেজালি হোৱাৰ ভয় নাথাকিব। 'পানী খালৈ' কোৱাত কোনেও 'হাত কামোৰা' নাই, খজুৱতিত গাত সুত লাগিছে বুলিলে, লাও কোমোৰাৰ সুত গাত লাগিছে বুলি, বা সুত কুলৰ মানুহ গাত লাগিছে বুলি কোনেও নুবুজে। গতিকে একে বৰ্ণবিন্যাসৰ কথা থাকিলে ব্যৱহাৰত তাৰ আছল অৰ্থ বুজিবলৈ অকণো অসুবিধা নাথাকে। একে আখৰে লিখা নানা প্ৰকাৰ অৰ্থ থকা শব্দ সকলো ভাষাত আছে আৰু থাকিবও। "পাত" শব্দৰ অৰ্থ গছৰ পাত, কিতাপৰ পাত, দলিল (Stamp paper), পাত পাত কৰা, পাতিদিয়া, আৰু তাচ্ছিল্যাৰ্থে ব্যৱহাৰ হোৱা মাত—ইয়াত অৰ্থইপতি কোনো বৰ্ণবিন্যাসৰ বিভিন্ন হোৱা অনুচিত আৰু হোৱাও অসম্ভৱ।

ইংৰাজ ৰাজত্বৰ আদিতে আমাৰ ভাষা বঙ্গালী ভাষাৰ গৰাহত পৰি হজম হৈ যাবৰ উপক্ৰম হৈছিল, আৰু বঙ্গালী ভাষাৰ এটা বঢ়া ঠেঙুলি বুলি বঙ্গালীসকলে অসমীয়া ভাষাক আসামত ঠাই নিদি খেদাই দিছিল, আৰু কৈছিল যে অসমীয়াৰ মুখত বঙ্গালী ভাষাই চলি আছিল কিন্তু আহোম, কছাৰিৰ লগত অনেকদিন সংশ্লিষ্ট হোৱাত বঙ্গালী ভাষাটো তেওঁলোকে কওঁতে হেনা-ভচা হৈছে মাত্ৰ—তেনেকুৱা উদাহৰণ ছিলঠ, কাছাৰ আৰু চট্টগ্ৰামতো পোৱা যায়। ছিলঠ কাছাৰৰ মানুহে আৰু চট্টগ্ৰামৰ মানুহে আজি নিৰ্ব্বিবাদে বঙ্গালী ভাষাক আদৰ কৰি গ্ৰহণ কৰিছে, অসমীয়ায়ো তেনে কৰা উচিত; ছিলঠ কাছাৰৰ নিজৰ মানুহৰ ভিতৰত কথা কওঁতে যেনেকৈ তেওঁলোকে যেনে প্ৰকাৰে কথা কব খোজে তাকে কব পাৰিবৰ অনুমতি দিয়া হৈছে তেনেকৈ অসমীয়া মানুহকো দিয়া হব। কিন্তু সেই সেই অঞ্চলৰ লোকে লেখোতে, পঢ়োতে আৰু সভ্য সমাজত চলোতে যেনেকৈ বঙ্গালী চলাইছে, অসমীয়ায়ো অসমত তেনেকৈ বঙ্গালী চলাওক। ইত্যাদি কথা কৈ বঙ্গালী ভাষাকে অসমত চলাবলৈ আৰম্ভ কৰি অসমীয়া মানুহৰ মাত-কথা বড়ো, কছাৰি, আৰু আহোমৰ বুলি ভাষা শ্ৰেণীৰ যোগ্য নহয় কাৰণে বাদ দি যেতিয়া বঙ্গলা ভাষাই পূৰা ঠাই পালে, তেতিয়া অসমীয়া বৰ বিমোৰত পৰিল, আৰু অসমীয়াও যে এটা ভাষা তাক দেখুৱাবলৈ চেষ্টা কৰিলে। কিন্তু বড়ো কছাৰিৰপৰা আঁতৰ কৰি আৰ্য্য ভাষা বুলি দেখুৱাবৰ চেষ্টাত পৰিল। তেতিয়াৰেপৰা অসমীয়া লিখকসকলে অসমীয়াৰ ভাষা, অসমীয়া মানুহৰ মাতকথা বড়ো, কছাৰিৰ নহয়, ইও সংস্কৃতীয়া আৰু সংস্কৃত ভাষাৰপৰাই ওলাইছে তাক দেখুৱাবলৈ যৎপৰোনাস্তি চেষ্টা কৰিবলৈ ধৰিলে। "সংস্কৃতৰ দৰে" অসমীয়া ভাষাত "পঞ্চাশটা আখৰ" থকা এইবাবেই ওলাল, যদিও এক বাক্যে "অসমীয়া ভাষাত ব্যৱহাৰ নাই" বুলিও গোটাদিয়েক আখৰ বাদ পৰে বুলি অসমীয়া ভাষাৰ আদি ওজাই লেখিবলৈ বাধ্য হৈছিল। আমাৰ ভাষা বড়ো

কছাৰিৰপৰা তেনেই অঁাতৰ, সংস্কৃতৰহে তেনেই ওচৰ, এই কথা দেখুৱাবলৈ যাওঁতে আমি অনেক ঠাইত হাস্যাস্পদও হৈছোহঁক। হনুমন্তই লঙ্কালৈ বুলি জাপ মাৰোতে নাভাবি-নিচিন্তি পাৰ হলেৰে একেবাৰেই জাপ মাৰি দিয়া হলে, সাগৰৰ সিপাৰত পৰি প্ৰাণবায়ু হেৰুৱালেহেতেন আৰু ৰামচন্দ্ৰৰ লঙ্কা-বিজয় কাণ্ডও তাতে ওৰ পৰিলহেতেন। আহোম শব্দ "চাওদাং" ক সংস্কৃতীয়া কৰিবলৈ গৈ সংস্কৃত "চণ্ডাল" শব্দৰপৰা আমাৰ ভাষালৈ আহিল বোলা যেনে হাস্যাস্পদ, উৰ্দ্দু শব্দ "তুৰন্তে"ও সংস্কৃত "ত্বৰিতং" শব্দৰপৰা আহিছে বোলা তেনে হাস্যাস্পদ। অসমীয়া শব্দ "মালভোগ" ৰ অৰ্থ এবিধ কল, উৰ্দ্দু ভাষাৰ "মালভোগ" শব্দৰ অৰ্থও এবিধ কল। উৰ্দ্দুৰ মালভোগৰ পৰা আমাৰ মালভোগ নানি, 'সংস্কৃত মাল, বিষ্ণুৰে ভোগ কৰিবৰ যোগ্য বস্তু, এতেকে এবিধ কল' বুলি ধৰিলে আমাৰ ভাষা সচাঁকৈ সংস্কৃতৰ বেছি ওচৰ চাপিব নে কি? "ছাত্ৰবিলাকে সংসাৰৰ কঠিন নিষ্পেষণৰ আৰু দাৰিদ্ৰতাৰ তিক্ত কষাঘাটৰ আস্বাদানত অনভ্যস্ত, সুতৰাং উপৰোক্ত গুণাৱলী শিক্ষা কৰিবলৈ সুযোগও তেওঁলোকৰ নাই।" ( —প্ৰভাত )। ইত্যাদি অসমীয়া- (?) কেৱা লেখাৰ উদ্দেশ্য কি?

এই আটাইবিলাকে আমাৰ ভাষাক অস্বাভাৱিক বাটেদি টানি অনা হৈছে মাত্ৰ। অসমীয়া ভাষা স্বতন্ত্ৰ ভাষা গতিকে ইয়াৰ বৰ্ণমালা বা ব্যাকৰণ স্বতন্ত্ৰ। বঙ্গালীয়ে অনাৰ্য্য বুলি হাঁহিব বুলি অযথা সংস্কৃতীয়া কৰা অনুচিত। অসমীয়া ভাষাৰ ব্যাকৰণ লেখিবলৈ গৈ বঙ্গালী ব্যাকৰণ বা সংস্কৃত ব্যাকৰণৰ আহি লব নালাগে। আজি আমাৰ বঙ্গালীৰ ছাঁ লৈ লেখা ব্যাকৰণ, সাহিত্য, কাব্য, নাটক আৰু নভেলৰ সংখ্যাহে বেছি। নহলে অসমীয়া ভাষাৰ আদি গুৰিয়াল ৺হেমচন্দ্ৰ বৰুৱাই "পদ্ম"ক পদ্দ, "ভস্ম"ক ভস্সৃ বুলি অসমীয়াক উচ্চাৰণ কৰিবলৈ নিশিকালেহেতেন; অৱশ্যে আজিকালি নব্যশিক্ষিত ডেকা বহুতে পদ্মক পদ্দ ভস্মক ভস্সৃ বুলি উচ্চাৰণ কৰি সভা মনাই ফুৰা দেখিছো, কিন্তু পদ্দ, ভস্স ইত্যাদি খোৰা উচ্চাৰণ অসমীয়াৰ নাছিল। ডাক্তৰ গ্ৰীয়াৰ্ছন ছাহাবৰ এই বিষয়ে কোৱা কথা কেইষাৰ তুলি দিবৰ মন গল। তেওঁ লেখিছে, "The vocabulary of modern literary language is almost entirely Sanskrit and few of them pronounced as they are written. Bengali themselves struggle vainly with a number of complex sounds which the disuse of centuries has rendered their vocal organ unable or too lazy to pronounce. The result is a number of half pronounced consonants and broken vowels not provided for by their alphabets, amid which the unfortunate foreigner wanders without a guide, and for which his own larynx is as unsuited as is a Bengali for the sounds of Sanskrit." এই বঙ্গালীৰ ভাষাৰ অঙ্গবিহীন অৱস্থা আমি আজি পুনঃ অনুকৰণ কৰি আমাৰ ভাষাৰো অঙ্গহীন অৱস্থালৈ আমি কিয় আগ্ৰহ কৰিছোহঁক মই বুজা নাই। আমাৰ ভাষাৰ ব্যাকৰণৰ সম্পৰ্কেও যৎকিঞ্চিৎ আগলৈ কম বুলি আশা কৰো।

শ্ৰীদেৱেশ্বৰ চলিহা

---

# দৃষ্টিহীন

প্ৰথম কণা—তেওঁৰ বেমাৰ হৈছিল? তই জানিছিলি নে কি?

সকলোতকৈ বুঢ়ী কাণী—নাই, আমি একোকে নেজানো.........কেতিয়াও তো চকুৰে দেখা হোৱা নাই! আমাৰ এই ফুটা চকুৰ আগতেই কত কি হৈ গল, তেও কিবা গম পালো জানো? দেখি, একোকে গুজৰ নকৰিলে.........এতিয়া আৰু কি হব.........মই তিনটাকৈয়ো মৰা দেখিছো.........এনে নাই হোৱা.........এতিয়া আমাৰ পালতে পৰিল.........

প্ৰথম কণা—মই হলে তেখেতক কোনো দুখ-কষ্ট দিয়া নাছিলো...........মই কেতিয়াও কথা আমাৰকে কোৱা নাছিলো.........

দ্বিতীয় কণা—মযো পাই (একোকে কোৱা নাছিলো) ......মুখৰ মাত আমাৰ নোহোৱাকৈ তেখেতে কিছুকে কৰিবলৈ কৈছিল তাকে কৰিছিলো............

তৃতীয় কণা—সেই পাগলীজনীলৈ পানী আনিবলৈ যাওঁতেহে মৰিল..........

প্ৰথম কণা—পিছে এতিয়া কি কৰোহঁক?—কলৈ যাও?

তৃতীয় কণা—কুকুৰটো কত?

প্ৰথম কণা—এইটো সি মৰা শটো এৰি (নেযায়) যাবই নোখোজে।

তৃতীয় কণা—ধৰ দি লৈ আহচোন। খেদি দে, দূৰকৈ খেদি দেচোন।

প্ৰথম কণা—নাই, সি শটো এৰি নেযায়।

দ্বিতীয় কণা—হেৰ' আমিতো আৰু মৰা শটোকে আগত লৈ বহি থাকিব নোৱাৰো.........আমিওতো এইদৰে এন্ধাৰে-মুখাৰে মৰিব নোৱাৰো।

তৃতীয় কণা—আমি আটাইকেটা থুপ খাই থাকোঁহক যে; কোনেও কাকো এৰি আঁতৰি নেযাবহঁক; হাতে হাতে ধৰি থাকোঁহক যে; এই শিলটোৰ ওপৰতে আটাইকেটা বহি থাকোহঁক আহ.........ইকেটা ক'ত? আহহঁক। এইখিনিলৈ আহ আহ!

সকলোতকৈ বুঢ়া কণা—তইনো কত অ?

তৃতীয় কণা—এয়া; এইখিনিতে আছো। আমি আটাইবিলাক গোট খালোনে? হেৰ মোৰ ওচৰ চাপি আহহঁক। চাওঁ তইতৰ হাতবিলাক কত?—ইস্ যৰ চেচা!

গাভৰু কাণী—ইস্ তোৰ হাতকেটা এনে চেচা!

তৃতীয় কণা—তই কি কৰিছ?

গাভৰু কাণী—চকুহুটা মোহাৰিছিলো.........মই হঠাৎ আটাইবিলাক দেখা যেন লাগিছিল:.......

প্ৰথম কণা—সেইটো কোনে কান্দিছে?

সকলোতকৈ বুঢ়ী কাণী—পাগলীজনীয়ে দেখোন উচুপিব লাগিছে।

প্ৰথম কণা—অথচ, তাই আছল কথাটোতো জনাই নাই?

সকলোতকৈ বুঢ়া কণা—মোৰ মনেৰে আমি আটাই-সোপা ইয়াতে মৰিব লাগিব.........

সকলোতকৈ বুঢ়ী কাণী—কোনোবা আহিবও পাৰে...

সকলোতকৈ বুঢ়া কণা—আকনো কোন আহিব? কোন অহাৰ সম্ভৱ.........

সকলোতকৈ বুঢ়ী কাণী—জানো—কব নোৱাৰো।

প্ৰথম কণা—আশ্ৰমৰ তাপসী কেগৰাকীও আহিব পাৰে.........

সকলোতকৈ বুঢ়ী কাণী—গধূলি (হলে) তো সিহঁত কেতিয়াও বাহিৰলৈ নোলায়.........

গাভৰু কাণী—গধূলিহে নালাগে, বাহিৰলৈ নোলায়েই দেখোন।

দ্বিতীয় কণা—সেই আকাশবাত্তি থকা ওখ ঘৰটোৰ মানুহবিলাকেও হয়তো আমাক দেখিব পাৰে...

সকলোতকৈ বুঢ়া কাণী—দেখিলেইবা; সিহঁতো কেতিয়াও তাৰপৰা নামি নাহে.........

সকলোতকৈ বুঢ়া কণা—সিহঁতে সদায় সাগৰৰ ফাল-লৈহে চাই থাকে ........

তৃতীয় কণা—ইস্, বৰ জাৰ !

সকলোতকৈ বুঢ়া কণা—শুকান পাতবোৰলৈ কাণ দেচোন ; সেইবোৰ জাৰতে গোট মাৰিছে হবলা.........

সকলোতকৈ বুঢ়ী কাণী—উস্ পিথবীখন এনে নীৰস !

তৃতীয় কণা—মোৰ বাওঁহাতে কিবা শবদ এটা শুনিছো ; পিছে কিহৰ তাকহে ধৰিব পৰা নাই......

সকলোতকৈ বুঢ়া কণা—সেইখন সাগৰ ; পাহাৰৰ ওচৰত বেজাৰ কৰিছেহি.........

তৃতীয় কণা—মই আকৌ মাইকীকেজনী বুলিহে ভাবিছিলো ।

সকলোতকৈ বুঢ়ী কাণী—চৌৰ কোবত বৰফবোৰ ডোখৰে ডোখৰে ভগা যেন শুনিছো........

প্ৰথম কণা—হেৰ' সেইটো কোন ঐ ; কোন ইমানকৈ কঁপিছ ? ইস্ (আমি) বহিথকা শিল গোটেই-টোকে কঁপাইছে !

দ্বিতীয় কণা—মই হাতকে মেলিব নোৱৰা হলো ।

সকলোতকৈ বুঢ়া কণা—ধৰিবহে পৰা নাই, মই আৰু কিবা এটা শব্দ শুনিছো.........

প্ৰথম কণা—হেৰ' কোনঅ' সেইটো ; কোন ইমানকৈ কঁপিছ ? ইস বাম, গোটেইটো শিল কঁপাইছে !

সকলোতকৈ বুঢ়া কণা—মাইকী কেজনীৰে কোনোবা জনী হবলা—

সকলোতকৈ বুঢ়ী কাণী—মোৰ মনেৰে সেই পাগলী জনীজে ; ইমানকৈ কঁপিছে !

তৃতীয় কণা—(আজি) তাইৰ লৰাটোৰ কু-কাৰে শুনা নাই দেখোন !

সকলোতকৈ বুঢ়ী কাণী—পিয়াহ খাইছে হবলা ?

সকলোতকৈ বুঢ়া কণা—এৰা, আমিনো ক'ত (আছো) সিয়েহে অকল দেখিছে !

প্ৰথম কণা—সেয়া উত্তৰ কালে বতাহে হো-হোৱাব লাগিছে ।

ষষ্ঠ কণা—তৰা ওলোৱা নাই হ'বলা ; বৰফ পৰিছে দেখোন !

দ্বিতীয় কণা—তেনে, আমি বাটকে হেৰুৱালো ?

তৃতীয় কণা—হেৰ, কোনোবাই টোপনিয়ালে জগাই দিনিইক ।

সকলোতকৈ বুঢ়া কণা—মোৰ টোপনি আহিছেই !

[ পচোৱা বতাহ মাৰে আৰু বা-মৰলিত শুকান পাত উৰে ]

সকলোতকৈ বুঢ়ী কাণী—হেৰ' তইতে সেই শুকান পাতবোৰৰ খৰখৰণি শুনিছইকনে ? আমাৰ ফালে কোনোবা অহা যেন পাওঁ !

দ্বিতীয় কণা—শুনচোন, সেয়া পচোৱা বতাহ !

তৃতীয় কণা—এতিয়া আৰু কোন আহিব ?

সকলোতকৈ বুঢ়া কণা—ইস্, বৰ জাৰ পৰিছে......

গাভৰু কাণী—দূৰৈত কাৰোবাৰ খোজ যেন শুনিছো !

প্ৰথম কণা—মই হলে শুকান পাতৰ মৰমৰণিহে শুনিছো ।

দ্বিতীয় কণা—মই হলে উত্তৰ ফালে পচোৱা বতাহৰ হো-হোৱনিহে শুনিছো ।

গাভৰু কাণী—তোক কৈছো সঁচাকৈয়ে কোনোবা আমাৰ ফালে আহিছে ।

সকলোতকৈ বুঢ়ী কাণী—ময়ো কাৰবাৰ টুপুৰ-টাপাক খোজৰ মাত শুনিছো......

সকলোতকৈ বুঢ়া কণা—মোৰ বোধে মাইকী কেজনী তে ঠিক ।

[সোপাসোপে বৰফ পৰে]

প্ৰথম কণা—ঐ আই, মোৰ হাতৰ ওপৰতে এই-বিলাক কি পৰিল ; ইম'ন চেচা !

ষষ্ঠ কণা—বৰফ পৰিছে !

প্ৰথম কণা—আমি সকলোটি ওচৰ চাপি বহোঁহক আহ ! চাপি আহ !

গাভৰু কাণী—পিছে, সেয়া, খোজলৈ কাণ দেহঁক-চোন !

সকলোতকৈ বুঢ়ী কাণী—হেৰ ঈশ্বৰৰ দোহাই ! অকণমান মনে মনে থাকইকচোন !



গাভৰু কাণী—সেয়া ওচৰ চাপি আহিছে ! ওচৰ চাপি আহিছে ! শুনইকচোন ! শুন !

[এন্ধাৰ । গাভৰুকাণীজনীৰ লৰাটোৱে হঠাৎ চিঞৰ মাৰি উঠে । ]

সকলোতকৈ বুঢ়া কণা—লৰাটোৱে কান্দিছে !

গাভৰু কাণী—ঐ আই ! ই দেখে ! ই দেখে ! ই কান্দিছে যেতিয়া নিশ্চয় কিবা দেখিছে !

[তাই লৰাটো কোলাত লৈ খোজৰ শব্দ শুনাৰ ফালে বেগেৰে চোচা লয় ; বাকীকেজনী মাইকীয়েও বৰ উদ্বিগ্ন হৈ ততাতৈয়াকৈ তাইৰ পিছ ধৰি গাভৰু কাণীজনীক ঘেৰি ধৰে । ] চাওঁ মই তাৰ লগ ধৰোগৈ ! চাওঁ !

সকলোতকৈ বুঢ়া কণা—সাৱধান !

গাভৰু কাণী—উস, এইডালে কেনেকৈ কান্দিছে ! কি হল ? নেকান্দ !—ভয় নকৰিবি ; ভয় নকৰিবি কি কি আছে ? আমি আটাইবিলাক আছো ! কি দেখি-ছনো ? ভয় নকৰিবি ! এইদৰে নেকান্দ !—কি দেখি-ছনো ? কচোন কি দেখিছ !

সকলোতকৈ বুঢ়ীকাণী—শুনচোন, শুন ! খোজ-বিলাক লাহে লাহে ওচৰ চাপি আহিছে !

সকলোতকৈ বুঢ়া কণা—মই শুকান পাতবোৰৰ মাজত মেখেলাৰ খম্‌খমনি শুনো যেন কৰিছো ।

ষষ্ঠ কণা—কি ? মাইকী মানুহ নে কি (তেনে) ?

সকলোতকৈ বুঢ়া কণা—কি অ, সেইটো কাৰোবাৰ খোজৰে শব্দ নে কি ?

প্ৰথম কণা—সেয়া (সাগৰৰ) পানীয়ে গছৰ শুকান পাতৰ ওপৰত খৰখৰাইছে হব পায় !

গাভৰু কাণী—ওঁহো, নহয় ! সেয়া মানুহৰ খোজ ! খোজৰ শবদ ! মানুহৰ খোজ !

সকলোতকৈ বুঢ়ী কাণী—সেয়া, শুকান পাতবোৰৰ শবদটো শুনচোন ; ৰ, দেখিমেই এতিয়া ।

গাভৰু কাণী—ঐ মই শুনিছো, শুনিছো ! আমাৰ গাৰ ওচৰতে ! শুনচোন, শুনচোন !—হেই এইদাল কি দেখিছ ? সেইটো কি ? কি দেখিছ ?

সকলোতকৈ বুঢ়ী কাণী—সি কোন ফালে চাইছে ?

গাভৰু কাণী—যেনিয়েই মাতটো শুনিছে তেনিয়েই ;—মুৰ ঘূৰাব লাগিছে ! চাচোন ! চাচোন ! মই ইফালে টানি আনিলেও সি মাতশুনা ফালেহে চায় ! অ', সি দেখে ! দেখে !—দেখিছে ! নিশ্চয় কিবা নেদেখা বস্তু দেখিছে হবলা ! * * *

সকলোতকৈ বুঢ়ী কাণী—[ আগলৈ আহি ] চাওঁ তাক আমাৰ মূৰৰ ওপৰলৈ দাঙি ধৰ ; সি ভালকৈ দেখক ।

গাভৰু কাণী— চাওঁ বাৰু, অলপ আঁতৰ হ ! একতিয়া হ !

[ তাই লৰাটো কণা-কাণীবিলাকৰ মূৰৰ ওপৰকৈ দাঙি ধৰে । ]

হেৰ' খোজবিলাক আমাৰ মাজতে নাইকিয়া হল ! আমাৰ মাজতে বন্ধ হল ! • • •

সকলোতকৈ বুঢ়া কণা—এয়া ! এয়া ! আমাৰ মাজতে !

গাভৰু কাণী—কোন ? কোন অ ? তই কোন ?

[ নীৰৱতা ]

সকলোতকৈ বুঢ়ী কাণী—(কোন)—আমাক ৰক্ষা কৰা !

[ নীৰৱতা । লৰাটোৱে চেৰেউ-যেৰেউকৈ কান্দিবলৈ ধৰে । ]

আঁৰকাপোৰ

অন্ত

শ্ৰীহৰিপদ দত্ত

# ৺মাধৱদেৱ

(শ্ৰীযুত লক্ষ্মীধৰ শৰ্ম্মা দ্বাৰা লিখিত)

আজি আমি মাধৱদেৱৰ কাৰ্য্য, জীৱনী আৰু আসামৰ ইতিহাসত তেওঁৰ স্থান প্ৰভৃতিৰ বিষয়ে বিষদ আলোচনা কৰিবলৈ ওলোৱা নাই। তেওঁৰ পবিত্ৰ নাম স্মৰণ কৰি তেওঁৰ বিষয়ে কেইটিমান কথা কোৱাই আমাৰ উদ্দেশ্য।

জগতৰ ইতিহাস মানৱজাতিৰ ক্ৰমোন্নতিৰ এক অপূৰ্ব্ব কাহিনী। পৰ্ব্বতৰ গুহাত বন্য ফল-মূল আৰু কেচা মঙহ খাই পশুৰ দৰে জীৱন ধাৰণ কৰা মানুহ ক'ত, আৰু আজিৰ দিনৰ জ্ঞান-বিজ্ঞানেৰে মণ্ডিত মানুহ ক'ত? ভাৰত, তাৰাত, শিক্ষাত মানুহৰ উন্নতি ক'ৰ পৰা কলৈকে হৈছে, তাক ভাবিলে আচৰিত হব লাগে। আৰু ক্ৰমোন্নতি, মানৱ মনৰ এই ক্ৰমবিকাশ, ক্ষুদ্ৰৰপৰা বৃহত্তৰলৈ, অজ্ঞানৰপৰা জ্ঞানলৈ মানৱ মনৰ এই বিৰাট অভিযানেই মানুহক অন্য পশুৰ শাৰীৰপৰা ক্ৰমে আঁতৰ কৰি আনিছে। এই উন্নতিৰ মূলতে হৈছে মানুহৰ মনৰ উন্নতিৰ ফালে, বিকাশৰ ফালে এটি স্বাভাবিক প্ৰবৃত্তি।

কিন্তু সদায় মানুহে কেৱল এই উন্নতিৰ পথতে খোজ লৈ আহিছেনে? ব্যক্তিগত আৰু জাতীয় জীৱনৰ একো একোটা অৱস্থা আহে, যেতিয়া মানুহে নিজে উন্নতিৰ কাৰণে প্ৰস্তুত কৰা কিছুমান ৰীতি-নীতিৰে নিজক বান্ধি উন্নতিৰ পথত আগুৱাবৰ ইচ্ছা নকৰে। এই ব্যৱস্থাকে গীতাত ধৰ্ম্ম গ্লানি বোলা হৈছে। ধৰ্ম্ম কথাটিৰ প্ৰকৃত অৰ্থলৈ চালেও আমাৰ ব্যাখ্যা যে ভুল নহয়, সি স্পষ্ট হৈ ওলাব। এয়ে মানুহৰ দুৰ্দ্দশাৰ দিন। সামাজিকভাবে মানুহক এই অৱস্থাতে মৃত বুলিব পাৰি। এনে সময়ত একো একোজন মহাপুৰুষৰ আগমন হয়, যি এই অস্বাভাবিক অৱস্থা দূৰ কৰি মানুহক আকৌ সত্য সনাতন পথত অগ্ৰসৰ হবলৈ শিকায়। ইয়াকে গীতাত ভগৱানে 'সম্ভৱামি যুগে যুগে' বুলিছে। আসামতো শ্ৰীশঙ্কৰদেৱৰ আবিৰ্ভাবৰ আগতে এনে এক সামাজিক মৃত্যুৰ অৱস্থা আহিছিল আৰু শঙ্কৰদেৱে মৃত সঞ্জীৱনী মন্ত্ৰেৰে আসামক আকৌ প্ৰাণ দিলে আৰু তেখেতৰ এই অপূৰ্ব্ব কাৰ্য্যৰ দক্ষিণ হস্ত স্বৰূপ আছিল শ্ৰীমাধৱদেৱ।

অসমীয়া বৈষ্ণৱ ধৰ্ম্ম এটা সমস্ত ভাৰতব্যাপী নৱ-জীৱনৰ সূচনাৰ অংশ মাত্ৰ। য়ুৰোপৰ ফালে চকু দিলেও দেখা যায় যে তাতো এক নতুন উদ্দীপনাত নতুন ভাৱত এই একে সময়তে মানৱাত্মা জাগি উঠিছে। তাতো মধ্যযুগৰ সুপ্তিৰ পিছত এই নতুন যুগৰ আগমন। এই জাগৰণক এটা জাগতিক ব্যাপাৰ বুলিলেও বঢ়াই কোৱা নহব।

য়ুৰোপীয় নৱযুগ আৰু ভাৰতীয় নৱযুগৰ ভিতৰত এটা বিশেষ পাৰ্থক্য আছে। তাত কেৱল ধৰ্ম্মৰ পথত এই স্বাধীনতা আৰু প্ৰাণৰ সোঁত বোৱা নাছিল, জীৱনৰ সকলো কথাকে কেন্দ্ৰ কৰি এক বিৰাট ভাবৰ জাগৰণ, জীৱনৰ পূৰ্ণতাৰ প্ৰতি মানৱ মনৰ হাবিয়াস এয়ে য়ুৰোপীয় নৱযুগ। কিন্তু ভাৰতৰ নৱযুগ বা বৈষ্ণৱধৰ্ম্মৰ অভ্যুত্থান মূলতে ধৰ্ম্মৰাজ্যত মানৱাত্মাৰ মুক্তিৰ কাৰণে সততে প্ৰায় আবদ্ধ আছিল। যদিও জীৱনৰ অন্যান্য ঘটনাত এই ভাৱৰ ছাঁ পৰিছিল, তথাপি জীৱনৰ পূৰ্ণতাৰ প্ৰতি ধাৰ্ম্মিক ভাৰতৰ দৃষ্টি কম আছিল। তাৰ কাৰণ ৰাজনৈতিক প্ৰভৃতি যি কাৰণেই নাথাওক, আমি স্বীকাৰ কৰিবলৈ বাধ্য যে য়ুৰোপীয় নৱযুগৰ মাহাত্ম্য ভাৰতীয় নৱযুগৰ মাহাত্ম্যতকৈ অধিক। ভাৰতৰ অন্যান্য প্ৰায় সকলোবোৰ বৈষ্ণৱ প্ৰচাৰক আৰু আসামৰ শঙ্কৰদেৱৰ ভিতৰত এইখিনিতে এটা পাৰ্থক্য দেখা যায়। শঙ্কৰদেৱৰ ধৰ্ম্মৰ প্ৰতি দৃষ্টি প্ৰধানৰূপে থাকিলেও তেওঁ মানৱ জীৱনৰ প্ৰায় সকলোবোৰ কথাতে এক নতুন সোঁত বোৱাইছিল। সাহিত্য, সমাজ, সকলোতে তেওঁৰ প্ৰভাৱ পূৰ্ণৰূপে পৰিছিল। কিন্তু সেই প্ৰভাৱ একৰকম চিৰস্থায়ী হলেও তাৰ ক্ৰমবিকাশ আৰু নহল। আমি শঙ্কৰদেৱৰ দিনৰপৰা তেওঁৰ প্ৰদৰ্শিত পথত আগুৱাব পৰা নাই, বৰং ক্ৰমে পিছ পৰিহে গৈছো।



মাধৱদেৱৰ ধী শক্তি আৰু প্ৰতিভা এটাও শঙ্কৰদেৱতকৈ কম নাছিল, কিন্তু জীৱনৰ লক্ষ্যৰ বিষয়ে দুয়োৰো মত বিভিন্ন। মুক্তি অৱশ্যে দুয়ো বিচাৰে, কিন্তু শঙ্কৰে সেই মুক্তিৰ যাত্ৰাত জীৱনৰ অন্যান্য আনুসঙ্গিক কাৰ্য্যবিলাকক বাদ দি নগৈছিল, সমাজৰ উন্নতি যাতে সকলো বিষয়তে হয় সিও তেওঁৰ চেষ্টা আছিল। তেওঁৰ আদৰ্শ মানৱ আৰু মানৱ সমাজৰ সৰ্ব্বাঙ্গীন উন্নতি সাধন কৰা। কিন্তু মাধৱদেৱৰ আদৰ্শ আছিল গৃহ-সংসাৰ সকলো ত্যাগ কৰি যি প্ৰকৃত সত্য বস্তু, যাৰ সহায়েৰে আত্মাক মুক্তি দিব পাৰি, সেই সাৰপদাৰ্থৰ একাণপতীয়া সেৱা। শঙ্কৰ উদাৰ আৰু মাধৱদেৱ গভীৰ, এয়ে দুয়োৰো ভিতৰত পাৰ্থক্য। মাধৱদেৱৰ প্ৰত্যেক কাৰ্য্যতে তেওঁৰ হৃদয়ৰ অদম্য উচ্ছ্বাস প্ৰকাশ হৈ পৰিছিল। তেওঁ যে সত্যক উপলব্ধি কৰিছিল, তাকে তেওঁ সম্পূৰ্ণভাৱে জীৱনত প্ৰতিফলিত কৰিবলৈ চেষ্টা কৰিছিল। এই অপূৰ্ব্ব মনস্বী তাপস মাধৱ আসাম দেশৰ এটি উজ্জ্বল ৰত্নৰূপে চিৰকাল বিৰাজ কৰিব।

অসমীয়া বৈষ্ণৱ জগতত শঙ্কৰ আৰু মাধৱৰ মিলন এক অপূৰ্ব্ব বস্তু। ধীৰ শান্ত শঙ্কৰৰ কাৰ্য্য অপূৰ্ণ থাকিলহেতেন যদি এই কৰ্ম্মবীৰ ধৰ্ম্মবীৰ তপস্বী যুৱক আহি তেওঁৰ পবিত্ৰ মতৰ ভাৰখন নিজৰ কান্ধত তুলি নললেহেতেন। মাধৱৰ একাগ্ৰতা, ধী শক্তি, জ্ঞান আৰু উদ্যমেই তান্ত্ৰিক আসামক বৈষ্ণৱ আসাম কৰি গল।

আজিকালি বহুত মানুহে শঙ্কৰ মাধৱৰ দিনৰ অনুষ্ঠান আৰু সামাজিক ৰীতি-নীতি আৰু গঠনৰ বিপক্ষে কোনো কথা কবলৈ সাহ নকৰে আৰু আন কোনোবাই তেনে কৰিলেও তেওঁলোকৰ প্ৰতি অসন্তুষ্ট হয়। তেখেতসকলে বোধকৰো জানে যে মাধৱ আৰু শঙ্কৰেও ব্ৰাহ্মণ প্ৰভৃতি পুৰণা ভাৱত চলিব খোজা মানুহবিলাকৰ যথেষ্ট অত্যাচাৰ সহ্য কৰিব লগাত পৰিছিল। কিন্তু যি বস্তুক সত্য তাক আৱশ্যকীয় বুলি তেওঁলোকে বিবেচনা কৰিছিল, তাক গ্ৰহণ কৰিবলৈ বাধা-বিপত্তি থাকিলেও তেওঁলোক পিছ নপৰিছিল। তেওঁলোকৰ শিক্ষাৰ সাৰমৰ্ম্ম সত্যগ্ৰহণ, কোনো এটা ৰীতি নাইবা নিয়ম পালি চলা নহয়। তেওঁলোকক অপমান কৰা হব—যদি তেওঁলোকৰ হৃদয়ৰ সেই ভাৱটি গ্ৰহণ নকৰি তেওঁলোকে সেই সময়ত যিবিলাক সামাজিক আৰু ধৰ্ম্মজগতত ৰীতি-নীতিৰ অৱতাৰণা কৰিছিল, সময়ৰ সোঁত বুজি আৱশ্যক হলেও সেইবোৰ পৰিবৰ্ত্তন কৰিবলৈ আমি চেষ্টা নকৰো। অৱশ্যে কোনেও ভূত ইতিহাসক একেবাৰে বাদ দি চলিব নোৱাৰে আৰু আৱশ্যক নহলে সময়ে যিবিলাক বস্তু আমাক দি গৈছে তাক ধ্বংস কৰা অতি মূৰ্খতাৰ কাম। তথাপি এই ভূতৰ ভিত্তিৰ সম্বল লৈয়েই এটা সুন্দৰ আৰু গৌৰৱমণ্ডিত ভৱিষ্যৎ সৃষ্টি কৰিবলৈ আটায়ে চেষ্টা কৰা উচিত আৰু এয়ে তেওঁলোকৰ শিক্ষা।

মাধৱদেৱৰ ঋণ অসমীয়া জাতিয়ে কেতিয়াও পৰিশোধ কৰিব নোৱাৰে। জাতিৰ প্ৰিয়তকৈ প্ৰিয় বস্তু ভাষা, তাকো সবল সতেজ, দীপ্তিপূৰ্ণ কৰি গল মাধৱদেৱেই। বঙ্গদেশ আৰু ভাৰতৰ অন্যান্য প্ৰদেশৰ দৰে আজি অসমীয়া ভাষাৰ গৌৰৱ সাহিত্য। এই সাহিত্য আমাৰ নথকা হলে আসামৰ এই দুৰ্দ্দিনৰ দিনত অসমীয়া ভাষা বুলি এটা পৃথক ভাষা নাথাকিলহেতেন। আৰু কি সম্পূৰ্ণ এই সাহিত্য! কত গভীৰ ভাৱপূৰ্ণ, কত অসংখ্য ৰত্নৰাজিয়েই এই ভৰাল ভৰাই ৰাখিছে। আজিৰ অসমীয়া অজ্ঞ, সেইদেখি এই ভৰালৰ ৰত্নৰাজি পৰীক্ষা কৰি এবাৰ চাবলৈকো কাৰো উৎসাহ দেখা নাযায়!

সমাজত, ধৰ্ম্মত, সকলোতে কি এজন নৱ জীৱনীশক্তি এই তপঃপূৰ্ণ মহাপুৰুষে, কি ঐকান্তিকতাৰ সৈতেই ঢালি দিছিল। ধন্য আসাম! তুমি তোমাৰ গৰ্ভত শঙ্কৰ আৰু মাধৱৰ দৰে মহাপুৰুষক ধাৰণ কৰিছিলা।

মহাপুৰুষৰ জীৱনী আৰু কাৰ্য্য-কলাপ আলোচনা কৰিলে নিজৰ আত্মাৰ গভীৰতম প্ৰদেশৰপৰা মহৎ কাৰ্য্য সাধিবলৈ এটা প্ৰেৰণা আহে, আৰু সেই মহাপুৰুষ যদি নিজৰ জীৱনৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত থাকে, তেন্তে এই কথাৰ সত্যতা আৰু বাঢ়ে। এনে অৱস্থাত যদি অসমীয়া আকৌ জ্ঞান, ধৰ্ম্ম, শিক্ষা সকলোতে মহান হব খোজে, আসামৰ অপূৰ্ব্ব কৰ্ম্মবীৰ, ধৰ্ম্মবীৰ, সাহিত্যৰথী, জাতীয় জীৱন গঠনকৰ্ত্তা মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱ-

দেৱৰ গুণগান, জীৱনী আৰু কাৰ্য্যাৱলীৰ অধ্যয়ন আৰু আলোচনা কৰিব লাগিব আৰু তেওঁলোকে নিৰ্দ্দেশকৰা সত্যৰ পথত আগুৱাবলৈ প্ৰস্তুত হব লাগিব। অসমীয়া জাতি আৰু সভ্যতাৰ ভৱিষ্যত অন্ধকাৰ—যদি আমি এই মহাপুৰুষ-সকলৰ প্ৰকৃত মোল নুবুজো অথবা বুজিবলৈ চেষ্টা নকৰো।

দেশৰ ভৱিষ্যতৰ উজ্জ্বল ছবি মনত লৈ, সমাজৰ কল্যাণ কামনা কৰি, সাহিত্যৰ উন্নতি হিয়াত বান্ধি, ধৰ্ম্ম পথৰ সম্বল গোটাই চলিবলৈ আহাঁ। আজি আমি সকলো অসমীয়াই এই মহাপুৰুষসকলৰ, যাৰ প্ৰভাৱ আমাৰ জীৱনৰ প্ৰতি কথাতে পৰিছে, আজি এই পবিত্ৰ জীৱনত অসমৰ শ্ৰেষ্ঠ পুত্ৰ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ চৰণত বিনীতভাৱে আমাৰ ভক্তি-পুষ্পাঞ্জলি নিবেদন কৰি নিজকে কৃতাৰ্থ কৰো।

("অসমীয়া"ৰ পৰা)

---

# মহাৰাজ ৰাজেশ্বৰসিংহ স্বৰ্গদেৱ

## অষ্টম আখ্যা

### মোৱামৰীয়া বিদ্ৰোহ

স্বৰ্গদেৱ ৰাজেশ্বৰসিংহৰ দিনত, মোৱামৰীয়া মটকসকলে পূৰ্ব্বে ফুলেশ্বৰী কুঁৱৰীৰ হাতত পোৱা অপমানত অসন্তুষ্ট হৈছিল যদিও, সিহঁতে প্ৰকাশ্যে বিদ্ৰোহ কৰিবলৈ চেষ্টা পোৱা নাছিল। সিহঁতে বিদ্ৰোহৰ আয়োজন কৰা শুনিয়েই ৰাজেশ্বৰসিংহ স্বৰ্গদেৱে বুদ্ধি-কৌশলেৰে তাক ভুপতীয়াতে ধ্বংস কৰিলে। এইজনা স্বৰ্গদেৱৰ কোনো কথাতে অতিচাৰ নাছিল, আৰু পাত্ৰমন্ত্ৰীসকলকো দকৈ নাভাবি কোনো কাৰ্য্য তেওঁ কৰিবলৈ নিদিছিল। সকলো কথাতে তেওঁ সতৰ্ক আৰু সাৱধান আছিল, গতিকে মোৱামৰীয়া বিদ্ৰোহৰ ঘুমুক-ঘানাক্ উমঘাম্ শুনিয়েই তেওঁ তাৰ প্ৰতি-কাৰৰ বিধান কৰিছিল।

এই মোৱামৰীয়া বিদ্ৰোহৰ কিৰূপে সূত্ৰপাত হয়, আৰু ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ দিনত তাৰ অৱস্থা কিৰূপ আছিল, তাৰ বিষয়ে চুমুৰাবমান কোৱা যাওক। ইয়াৰ লগতে আহোমসকলৰ হিন্দুধৰ্ম্ম গ্ৰহণৰ ধাৰাবাহিক বুৰঞ্জী দিবলৈ যত্ন কৰা হব।

আহোম ৰজাসকলৰ ধৰ্ম্ম সৰ্ব্বপ্ৰথমে হিন্দুধৰ্ম্ম নাছিল, তেওঁলোকৰ ধৰ্ম্ম স্বকীয়া, শাস্ত্ৰ স্বকীয়া আৰু ধৰ্ম্মৰ অনুষ্ঠান আৰু বিবাহাদি কাৰ্য্যও স্বকীয়া আছিল। তেওঁলোকৰ প্ৰধান উপাস্য বাহানি আছিল চোম চেং বা চোমদেউ। সম্ভৱতঃ এই চোমদেউ শালগ্ৰামৰ দৰে এডুখৰি শিলা আছিল, চোমচেং শব্দৰ অৰ্থৰপৰা ইয়াক অনুমান কৰিব পাৰি; চোম = মূল্যবান; চেং = শিলা। ৰজা শিঙৰী ঘৰত উঠোতে এই চোমদেউক ডিঙিত আঁৰি লৈছিল, আৰু ৰজায়ো ইয়াক বছৰি তুবাৰ হে চাব পাৰিছিল। ইয়াৰ পূজাবিধিৰো বৰ গুপুতভাৱে অনুষ্ঠান হৈছিল, মাথোন স্বৰ্গদেৱকে সেই পূজাৰ দৰ্শক হবৰ যোগ্য বিবেচিত হৈছিল। আহোমসকলে বিশ্বাস কৰিছিল যে এই চোমদেউক ইন্দ্ৰই খুন্লুং-খুন্লাইক দান কৰিছিল। আহোমসকলে নানান দেৱদেৱীৰ পূজা কৰিছিল, তাৰ ভিতৰত এই সকল প্ৰধান,—ফু-ৰা-তা-ৰা অৰ্থাৎ সৃষ্টিকাৰক ঈশ্বৰ লেংডন্ বা দেৱৰাজ ইন্দ্ৰ, কাওখাম্ বা জলদেৱতা বৰুণ, লেংৰীন্ আৰু লেংডীন্ বা পৃথিৱীৰ দেৱদেৱী, আৰু ফাই বা অগ্নিদেৱতা। ৰাজ্যৰ মঙ্গলৰ অৰ্থে, নাইবা শস্যাদিৰ শ্ৰীবৃদ্ধিৰ কাৰণে আহোম পুৰোহিতসকলে 'চৈফা' আৰু 'উমফা' পূজা কৰিছিল। দেশৰ অমঙ্গল উপদ্ৰৱ গুচাবলৈ বা দেওভূত আঁতৰিবলৈ 'চৰকাই' পূজাৰ বিধান আছিল। আৰু ৰাজসিংহাসন-আৰোহণ কালত আৰু দিগ্বিজয়ৰ পাছত 'ৰিকখন' পূজা পতা হৈছিল। দেওধাইসকল আহোমৰ প্ৰধান পুৰোহিত আছিল।



দেওধাই-বাইলুং আৰু মোহনসকলে কুকুৰাঠেং কাটি মঙ্গল চাই ৰাজ্য আৰু ৰজাৰ ভালবেয়া নিৰূপণ কৰিছিল।

কিন্তু লাহে লাহে হিন্দুপ্ৰজাৰ লগত থাকি আহোম স্বৰ্গদেৱসকলৰ আসক্তি হিন্দুধৰ্ম্মলৈ বাঢ়িবলৈ ধৰিলে, আৰু হিন্দুৰ ধৰ্ম্ম অনুষ্ঠান আদি, আহোম ধৰ্ম্মত অনুষ্ঠান ক্ৰিয়া-কাণ্ডৰ লগে লগে চলিবলৈ ধৰিলে।

### আহোমৰ হিন্দুমত গ্ৰহণ

চুড্যাংফা—১৩২০ শকত চুডাংফা বামুণী কোঁৱৰ আহোম ৰাজপাটত উঠে। কোঁৱৰালি কালত তেওঁ হাবুঙীয়া বামুণ এঘৰত প্ৰতিপালিত হৈছিল, আৰু সিংহাসনত উঠাৰ পাছতো ৰজাৰ লগত অহা বামুণৰ লৰা কেইটাক বিহিঙত খাপি-সাঞ্চি কোঁৱৰ উপাধি দিয়া হৈছিল। ৰজাৰ প্ৰতিপালক ব্ৰাহ্মণৰ দ্বাৰাই আহোম পূজাবিধিৰ লগে লগে ৰজাচাঙত লক্ষ্মীনাৰায়ণ শালগ্ৰাম পূজাৰ বিধি চলিবলৈ ধৰিলে, আৰু বহুত কথাত হিন্দু আচাৰ-ব্যৱহাৰ বিশেষ প্ৰৱৰ্ত্তিবলৈ ধৰিলে।

চুহুম্মুং—১৪১৯ শকত চুহুম্মুং ৰজা হয়। এওঁৰ দিনত হিন্দুধৰ্ম্ম ক্ৰমে ৰজাৰ স্বীকৃত ধৰ্ম্ম হবলৈ ধৰিলে। ৰজাই হিন্দুমতে 'স্বৰ্গনাৰায়ণ' নাম গ্ৰহণ কৰে। এই ৰজাৰ আমোলতে অসমত শঙ্কৰদেৱ, মাধৱদেৱ আদি মহাপুৰুষে ভাগৱতী ধৰ্ম্ম প্ৰচাৰ কৰে। ৰজাই শঙ্কৰদেৱৰ শিষ্যত্ব গ্ৰহণ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰে, কিন্তু শঙ্কৰ-দেৱ মহাপুৰুষ ৰাজগুৰু হবলৈ অমান্তি হয়। স্বৰ্গদেৱে বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰত বিশেষ উৎসাহ দিয়ে।

চুচেংফা প্ৰতাপসিংহ—১৫৩৩ শকত চুচেংফা বা প্ৰতাপসিংহ বুদ্ধিস্বৰ্গনাৰায়ণ স্বৰ্গদেৱ ৰাজপাটত উঠে। কোঁৱৰালি কালত তেওঁৰ গাত এটা দেও লাগিছিল; সেই দেও ৰজাৰ গাত থাকিলে ৰাজকাৰ্য্যত অসুবিধা হব বুলি ৰজা হৈ প্ৰতাপসিংহ স্বৰ্গদেৱে তাক খেদাবৰ কাৰণে ব্ৰাহ্মণীয়ামতেও পূজা-পাতল কৰাবলৈ ধৰিলে। যোগিনী তন্ত্ৰৰ পদ এফাকিৰ মতে আঠকুণীয়া সোমাৰ বুলি সাব্যস্ত কৰি এই জনা ৰজাই নিজৰ নামেৰে আঠকুণীয়া মোহৰ মাৰিবলৈ ধৰিলে। ৰজাদেৱে মৃন্ময়ী মূৰ্ত্তি সাজিবলৈ আৰু তাৰ পূজা-বিধি শিক্ষা কৰিবলৈ কোচবেহাৰলৈ মানুহ পঠিয়ালে। সেই মানুহৰ সহায়েৰে স্বৰ্গদেৱে অসমত মৃন্ময়ী মূৰ্ত্তিৰ পূজা চলাবলৈ ধৰিলে। স্মৃতি আৰু বাক্-কৌশলত ব্ৰাহ্মণক বলী দেখি এওঁ আহোম কটকী গুচাই বামুণৰ কটকী পাতিবলৈ ধৰিলে। স্বৰ্গদেৱ প্ৰতাপসিংহই বিশ্বনাথ আৰু দেৰৰ গাৱঁত দৌল নিৰ্ম্মাণ কৰায় আৰু অনেক ব্ৰাহ্মণ আৰু দেৱতাক তামৰ ফলি কৰি মাটি-বৃত্তি দান কৰে। এই ৰজাৰ দিনত অসমত ক্ৰমাৎ হিন্দু ধৰ্ম্মৰ প্ৰতিপত্তি বাঢ়ি আহিল।

জয়ধ্বজসিংহ—১৫৭৬ শকত স্বৰ্গদেৱ জয়ধ্বজ-সিংহই গোপালদেৱৰ শিষ্য মহাশাস্ত্ৰজ্ঞ নিৰঞ্জন বাপুত শৰণ লয় আৰু স্বৰ্গদেৱে গালপোৰাৰ ঘাটত যাগ-যজ্ঞ পাতি গুৰুৰ দ্বাৰা আউনীআটীয় সত্ৰ স্থাপিত কৰে, আৰু ৰাজ-গুৰু নিৰঞ্জনদেৱ এই সত্ৰৰ সৰ্ব্বপ্ৰথম অধিকাৰ হয়। সত্ৰ চলাবৰ কাৰণে ৰজাদেৱে বিস্তৰ মাটি-বৃত্তি পাইক দেৱলীয়া দান কৰে। শ্ৰীগোবিন্দৰ মূৰ্ত্তিক স্বৰ্গদেৱে কুকুৰা-বাহীৰ পৰা আনি আউনীআটীত সংস্থাপিত কৰি নিৰ-ঞ্জন দেৱক গতাই দিয়ে। তেতিয়াৰ পৰা শ্ৰীগোবিন্দ আউনীআটীৰ উপাস্য দেৱতা হৈ আছে। এই মূৰ্ত্তি সৰ্ব্বপ্ৰথমে বৃন্দাবন ক্ষেত্ৰত আছিল। ওবেষাৰ এজন পাণ্ডাই স্বপ্নাদিষ্ট হৈ এই মূৰ্ত্তিক জগন্নাথলৈ আনে আৰু বহুদিনলৈ দ'লগোবিন্দ নামে এই ঠাইত পূজা চলি আছে। গোপালদেৱে স্বপ্নাদিষ্ট দিহিং সত্ৰৰ সংস্থাপক যদুমণি দেৱক আৰু আইতগুৰিৰ শ্ৰীৰামৰ দৰে উপযুক্ত মানুহ পঠাই শ্ৰীগোবিন্দক জগন্নাথৰ পৰা আনি কুকুৰা-বাহীত স্থাপন কৰে। এই জয়ধ্বজসিংহ স্বৰ্গদেৱেই কোচবিহাৰৰপৰা বনমালীদেৱক আনি মাজুলীত থকা বাঙলী-বাহৰ নামে ৰজাৰ নগৰৰ দক্ষিণে সত্ৰ সংস্থাপন কৰি দক্ষিণ-পাট নাম দিয়ে। এই বনমালীদেৱ অলৌকিক শক্তিৰ পুৰুষ আছিল, তেওঁৰ মাহাত্ম্যত ৺জয়ধ্বজসিংহ বিমুগ্ধ হৈ নিজৰ অন্তিম কালত বনমালীদেৱক চাঙলৈ তুলি নি কাষত ৰাখি তেওঁৰপৰা মৃত্যুমঙ্গল গ্ৰহণ কৰি ৰাজ্যভাৰ সমৰ্থিতে বাঙলীবাহৰ নগৰকো সেই বনমালীদেৱক সমৰ্পণ কৰি যায়। কিন্তু পৰম বৈষ্ণৱ সাত্ত্বিক জীৱনধাৰী গোঁসাইৰ পক্ষে

ৰাজকাৰ্য্যৰ ভাৰ বৰ বিষম হৈ উঠিল। তেওঁৰ সেই ৰাজ্যভাৰ চক্ৰধ্বজসিংহক সমৰ্পণ কৰি ভাগৱতী ধৰ্ম্ম অনুষ্ঠানত মন পাৰিবলৈ ধৰিলে।

চক্ৰধ্বজসিংহ—জয়ধ্বজসিংহ ৰজাৰ পাছত চক্ৰধ্বজসিংহ ৰাজপাটত উঠে। এওঁ মোগলৰ বিৰুদ্ধে যুদ্ধবিগ্ৰহাদিত লিপ্ত থকাত ধৰ্ম্মৰ ফালে বৰকৈ চাবলৈ সময় নাপাইছিল। অম্বৰাধিপতি ৰামসিংহই মোগলৰ সেনাপতি হৈ অসম ৰাজ্য আক্ৰমণ কৰিবলৈ আহে, তেওঁৰ বৈৰীধ্বেক আৰু মাকে অসম আক্ৰমণৰপৰা ৰামসিংহক ক্ষান্ত হবলৈ এইদৰে কৈছিল, "শুনিছো বোলে সি দেশত নামকীৰ্ত্তন অনেক প্ৰকাশ হৈ আছে। তাক মাৰি মজুম খাঁ নবাব কতকাল বক্ষিলে? আকে চাই যেধান কৰে।" ইয়াৰ পৰা অসমত ভাগৱতী ধৰ্ম্মৰ বহুল প্ৰচাৰৰ কথা বুজিব পাৰি।

ৰাজ্যবিপ্লৱ—চক্ৰধ্বজৰ মৃত্যুৰ পাছত দেশত চক্ৰান্তকাৰী মন্ত্ৰীসকলৰ আধিপত্য বাঢ়ি আহে। দহ-এঘাৰ বছৰৰ ভিতৰত সাত-আঠজনা ৰজা আহোম ৰাজপাটত বহে। তেওঁলোকৰ নিজৰ জীৱন চক্ৰান্তকাৰী মন্ত্ৰীসকলৰ হাতৰ মুঠিৰ তলত আছিল। ক্ষন্তেকীয়া ৰাজত্ব জীৱনৰ আশঙ্কা লৈ ধৰ্ম্মৰ উন্নতিৰ কাৰণে তেওঁলোকে চেষ্টা কৰিবলৈ সময় আৰু সুযোগ নেপাইছিল। তথাপি এই কালত যে দেশৰ হিন্দুধৰ্ম্মৰ প্ৰভাৱ আৰু মহাপ্ৰিয় গ্ৰন্থ দেশৰ প্ৰজাৰ আৰু বিশেষকৈ আহোম বিষয়াৰ মাজত ভালকৈ ব্যাপ্ত হৈছিল দুটা কথাৰপৰা তাক ভালকৈ বুজিব পাৰি।—প্ৰথম, এই বিপ্লৱৰ সময়ত প্ৰথম ছোৰাত ডেবেৰা বৰবৰুৱাই উজনীত ৰজা পাতি ৰজা ভাঙি ৰাজ্যত মহা অনিষ্ট কৰিছিল। তাকে নিবাৰণ কৰিবলৈ গুৱাহাটীত শৰাইঘটীয়াসকলে ব্ৰাহ্মণ আনি তাম, তুলসী, বস্ত্ৰাৱলী, শালগ্ৰাম লৈ কেৰে কাকো নেৰো বুলি শপত খাই বাঁহগড়ীয়া থাওন বুঢ়াগোহাঁইক মুখ্য পাতি ক্ৰমাৎ উজাবলৈ ধৰিলে। তাম, তুলসী, বস্ত্ৰাৱলী আৰু শালগ্ৰাম হিন্দুৰ পূজাৰ সম্ভাৰ; আহোম বিষয়াই তাকে আগত লৈ অঙ্গীকাৰ কৰিছিল। ইয়াৰপৰা হিন্দুধৰ্ম্মৰ বিস্তৃতিৰ কিমান পৰিমাণ আছিল তাকে অনুমান কৰিব পাৰি। দ্বিতীয়, ডেবেৰা বৰবৰুৱাক বন্দী কৰা হল, মেটেকাতলীয়া লালুকসোলা বৰফুকনে ডেবেৰাক সুধিলে, "ডেবেৰা, তই এনে কাম কিয় কৰিলি?" ডেবেৰাই কলে, "দশমৰ পদ ময়ো ৰচিছো, তুমিও ৰচিবা।" ইয়াৰপৰা অনুমান কৰিব পাৰি, মহাপুৰুষ শঙ্কৰদেৱ আৰু অনন্ত কন্দলীৰ দশমস্কন্ধ ভাগৱতে অসমত কিদৰে শিপা মেলিছিল।

গদাধৰ সিংহ—বহুত বিপৰ্য্যয়ৰ মূৰত ১৬০৩ শকত গদাধৰসিংহ আহোম ৰাজপাটত উঠে। বুৰঞ্জীয়ে কয়, তেওঁ কোঁৱৰালি কালত ভুখন সত্ৰত কিছু অপমান পাইছিল। আউনীআটীত থাকোতে এজন ভকতে "এইটো কৰ মানুহ, ইয়াৰপৰা যা" বুলি তামোল খাই গদাপাণিৰ গাত পিক পেলাইছিল। গদাপাণিৰ সিংহাসন লাভত সহায়কৰোতা বন্দৰ বৰফুকন, আৰু গদাপাণিৰ প্ৰাণহত্যা কামনাকৰোতা চুলিকফা লৰাৰজা দক্ষিণপাটৰ শিষ্য আছিল, গদাপাণিক লৈ বদন বৰফুকন উজনীলৈ যাওঁতে দক্ষিণপাট সত্ৰৰ অধিকাৰ বনমালী বাপুৱে একে গুৰুৰ ঘৰে সেৱক লৰাৰজাৰ বিৰুদ্ধে ঠিয় নহবলৈ বন্দৰ বৰফুকনক অনুৰোধ কৰিলে, বৰফুকন সন্মত নোহোৱাত অধিকাৰে শাপ দিলে,—"বন্দৰ, তোৰ ঘৰত আগলৈ বৰফুকন সম্পত্তি নহক।" বৈষ্ণৱ ধৰ্ম্মাৱলম্বী এই দুই সত্ৰত এনে অপমান পাই গদাধৰসিংহ স্বৰ্গদেৱে মনে মনে বৈষ্ণৱবিদ্বেষ ৰোপণ কৰিছিল। তাৰ উপৰিও ৰজাদেৱে ভাবিছিল,—"আমি ৰাজপুৰুষ, আমাক বীৰোচিত ধৰ্ম্ম লাগে, বৈষ্ণৱ ধৰ্ম্মৰ প্ৰতিপত্তি বাঢ়িলে আমাৰ বাহুবলী জাতি মুখবলী হবগৈ, আৰু ইয়াত প্ৰতিফল স্বৰূপে আমাৰ জন্মভূমি পৰৰ পদানত হব।" এই দুই আপাতত স্বৰ্গদেৱে বৈষ্ণৱ ধৰ্ম্ম প্ৰবৰ্ত্তক বহু মহন্ত-গোসাঁইক ধৰি আনি নিৰ্য্যাতন কৰিলে। আউনীআটীৰ গোবিন্দ ঠাকুৰক স্বৰ্গদেৱে পানীত পেলাবলৈ হুকুম দিলে। কিন্তু প্ৰকৃত প্ৰস্তাৱে সেই প্ৰাচীন মূৰ্ত্তি লুকুৱাই থৈ গোবিন্দ ঠাকুৰৰ সদৃশ আন মূৰ্ত্তি নি লুইতত পেলোৱা হল। দক্ষিণপাটৰ অধিকাৰ বাপুৰ চকু কঢ়া হল আৰু সেই সত্ৰৰ সোণ-ৰূপৰ মূৰ্ত্তিসকল নি ভাঙি অলঙ্কাৰ গঢ়োৱা হল। গদাধৰসিংহ ৺দেৱৰ এই বৈষ্ণৱ নিৰ্য্যাতনত ৰঙাচৰণ বেজবলৈ প্ৰধান কাৰ্য্যকাৰক



আছিল। ৰঙাচৰণে সকলো ঠাইলৈকে কটকী আৰু টেকেলা পঠাই ভকতৰ ধন-বস্ত্ৰ লুটি আনিবলৈ ধৰিলে। পাছলৈ ৺দেৱে ৰঙাচৰণৰ অত্যাচাৰৰ কথা ভু পাই তাক তুৰন্তে বন্ধ কৰিলে, আৰু লুৰি অনা বয়-বস্তুবোৰ গৰাকীসকলক ওভোটাই দিয়া হল। এইজনা ৺দেৱৰ প্ৰকৃত ধৰ্ম্মমত কি আছিল, আমি বাস্তৱিকে ঠাৱৰ কৰিব নোৱৰাত পৰিছো। তেওঁ যে হিন্দুধৰ্ম্ম-বিদ্বেষী আছিল, আমি সেইটোও কব নোৱাৰো, কাৰণ ১৬১১ শকত এবাৰ নৰীয়া পৰোতে ১০৮ জন ব্ৰাহ্মণৰ হাতে তেওঁ জপ-হোম কৰালে। কাত্যায়ন ভট্টাচাৰ্য্য মুকলিমুৰীয়া গোঁসায়ে তিলেকুশে ৺দেৱক এশ ব্ৰাহ্মণৰ আয়ুস দিলে। তাৰ বছৰচেৰেকৰ পাছত দুৰ্গোৎসৱ একাদশীত ভাত নাখাবৰ হৈ কাত্যায়নকে আদি কৰি পণ্ডিত ব্ৰাহ্মণসকলক ডিঙিত কংহ বান্ধি স্বৰ্গদেৱে পঠিয়াই থৈদিলে। গুৱাহাটীৰ উমানন্দত ৺দেৱ গদাধৰ সিংহই দৌল নিৰ্ম্মাণ কৰি মাটিবৃত্তি দান কৰি যায়। তাৰ উপৰিও, কেন্দু গুৰীয়া বৰপাত্ৰ গোঁহাই ডাঙৰীয়াৰ মঙ্গলাৰ্থে হাজোৰ মাধৱৰ মন্দিৰত খিউৰত্তি লগাবৰ কাৰণে সতৰাম নামে এজন মানুহক গদাধৰসিংহই তামৰ ফলিৰে মাটিবৃত্তি দি যায়। ইয়াৰপৰা স্বৰ্গদেৱৰ হিন্দু ধৰ্ম্মত আস্থাৰহে প্ৰমাণ পোৱা যায়।

ৰুদ্ৰসিংহ—১৬১৭ শকত গদাধৰসিংহৰ বৰজনা কোঁৱৰ ৰুদ্ৰসিংহ ৰাজপাটত উঠে। কথিত আছে বোলে বৈষ্ণৱ মহন্তসকলক নিৰ্য্যাতন কৰিবলৈ গদাধৰসিংহ ৰজাই পুতেকক নিজৰ অন্তিম সময়ত অনুৰোধ কৰিছিল। সেই মতে ৰুদ্ৰসিংহই মহন্তসকলক শাস্তি দিবলৈ আয়োজন কৰে। কিন্তু এদিন এটা সপোন দেখি ৺দেৱে বন্দীশালত শাস্তিৰ কাৰণে বাটচাইথকা মহন্তসকলক মুক্তি দিলে, আৰু তেওঁলোকক যথাস্থানত থাপি-সাক্ষি থলে। হিন্দুপ্ৰাণ ৰুদ্ৰসিংহ স্বৰ্গদেৱে হিন্দুৰ পৱিত্ৰ গঙ্গা অসমৰ অন্তৰ্ভূক্ত কৰিবলৈ বিপুল আয়োজন কৰিছিল। এই ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ দিনতে শূদ্ৰ মহন্তই ব্ৰাহ্মণক দীক্ষা দিব পাৰেনে নোৱাৰে, এই বিষয় লৈ বৰ বাদ-প্ৰতিবাদ চলিছিল। এইবিষয়ে শাস্ত্ৰৰ শ্লোক দেখুৱাবলৈ স্বৰ্গদেৱে শূদ্ৰ মহন্তসকলক তেওঁলোকৰ শাস্ত্ৰ পুথিপাঁজিৰে সৈতে ৰাজচ'ৰালৈ আনি এখন বিৰাট সভা পাতে।

শাক্তমতৰ প্ৰচলন—বুৰঞ্জীত আছে, ৰুদ্ৰসিংহ স্বৰ্গদেৱে অসম দেশৰ কোনো অধিকাৰত শৰণ লৈ মূৰ দোৱাই সেৱা কৰিব লাগে বুলি বুলি ইকাণ সিকাণ কৰিছিল, সেইদেখি পাত্ৰ-মন্ত্ৰীসকলৰ পৰামৰ্শমতে নদীয়া শান্তিপুৰৰপৰা কৃষ্ণৰাম ন্যায়বাগীশক ৰাজগুৰু পাতিবৰ মনেৰে অসমলৈ মাতি অনা হল। স্বৰ্গদেৱে ভাবিছিল, ৰাজগুৰু হবলগীয়া এই পণ্ডিতজন অলৌকিক প্ৰভাৱৰ মানুহ হব লাগিব; কিন্তু পণ্ডিতক অন্যান্য সাধাৰণ মানুহৰ দৰে দেখি তেওঁৰ শিষ্য হবলৈ স্বৰ্গদেৱে অনিচ্ছা প্ৰকাশ কৰিলে। পণ্ডিতে অপমান পাই দেশলৈ যাত্ৰা কৰিলে। কথিত আছে, অসমত নানা অমঙ্গলীয়া ঘটনা হবলৈ ধৰিলে, কোনো কোনো মন্দিৰৰ সোণৰ কলচী ভাগি পৰিল। পণ্ডিতক আকৌ ঘূৰোটাই অনোৱা হল, আৰু স্বৰ্গদেৱৰ আদেশমতে দেশৰ ভাল ভাল মানুহবোৰে পণ্ডিতৰ পৰা মন্ত্ৰ লবলৈ ধৰিলে। এনে সময়ত ১৬৩৬ শকত গুৱাহাটীৰ উত্তৰপাৰে ৰজাদুৱাৰত ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ মৃত্যু হয়।

শিৱসিংহ—ৰুদ্ৰসিংহৰ বৰজনা পুতেক সিংহাসনত বহিল। পিতৃৰজাই অন্তিম কালত দিয়া আদেশমতে শিৱসিংহ ৰজাই কৃষ্ণৰাম ন্যায়বাগীশৰপৰা দীক্ষা মন্ত্ৰ গ্ৰহণ কৰে আৰু ৰাজগুৰুক নীলাচলত থাকিবলৈ বন্দবস্ত কৰি দিয়া হয়; সেই দেখি কৃষ্ণৰাম ন্যায়বাগীশ আৰু তেওঁৰ সতী-সন্ততিক পৰ্ব্বতীয়া গোঁসাই বোলা হয়।

এই কৃষ্ণৰাম ন্যায়বাগীশৰপৰা অসমৰ ৰজা ঘৰ আৰু অন্যান্য ঠাইত শাক্তমতৰ প্ৰাধান্য বাঢ়িবলৈ ধৰিলে। ৰজা নিজেই শাক্তমন্ত্ৰত দীক্ষিত হল, আৰু অসমৰ বহুত ভাল ভাল মানুহ সেই মতাৱলম্বী হল। কৃষ্ণৰাম ন্যায়বাগীশ মহা পণ্ডিত আছিল। তেওঁ দিয়া বিধানমতে ৰজাঘৰত দুৰ্গোৎসৱ, চণ্ডীপাঠ আৰু বলিদান আদিৰ প্ৰথা চলিবলৈ ধৰিলে। ন্যায়বাগীশ পণ্ডিতে অসমৰ দেৱালয় আদিৰ পূজাবিধি নিৰূপণ কৰে, আৰু যোগিনীতন্ত্ৰ আৰু কালিকাপুৰাণ আদি গ্ৰন্থৰপৰা স্তুৰকৱচাদি উদ্ধাৰ কৰি

প্ৰত্যেক দেৱতাৰ বেলেগ বেলেগ পদ্ধতি কৰি দিয়ে। সৌৰ, গণপত্য, শৈৱ, শাক্ত, বৈষ্ণৱ দেৱালয়ত সেই সেই মতৰ নিত্যনৈমিত্তিক ক্ৰিয়াকলাপৰ বিধি প্ৰস্তুত কৰি প্ৰচাৰ কৰে, আৰু তাত যথাৰীতি পূজাৰ ব্যৱস্থা কৰি দিয়ে। তেতিয়াৰ পৰা অসমত তন্ত্ৰ অনুসাৰে ৰঘুনন্দনৰ স্মৃতিৰ ব্যৱহাৰ প্ৰচলিত হয়। কামাখ্যা দেৱালয়ৰ কাৰণে "দুৰ্গাচামণিমঞ্জৰী" নামে দুৰ্গাপূজাৰ একবিধি সংগ্ৰহ কৰি তাত প্ৰৱৰ্ত্তন কৰায়। এইদৰে ৰজা আৰু ভাল ভাল মানুহৰ পৃষ্ঠপোষকতা পাই অসমত তান্ত্ৰিক মত আৰু শক্তি মন্ত্ৰৰ প্ৰভাৱ বাঢ়িবলৈ ধৰিলে। কিন্তু সেই বুলি শিৱসিংহ স্বৰ্গদেৱে বৈষ্ণৱ মহন্ত-সকলৰ প্ৰতি কোনো প্ৰকাৰে অশিষ্ট ব্যৱহাৰ নকৰিছিল। ৰজাদেৱে ধৰ্ম্মকাৰ্য্যত বৰ মন দিছিল, একাত্মমনে দীক্ষা মন্ত্ৰ জপোঁতে ৰজাদেৱৰ বহুত সময় গৈছিল।

ৰজাৰ ঘৰত পৰ্ব্বতীয়া গোঁসাইসকলক বৰ সন্মান দেখুৱা হৈছিল। স্বৰ্গদেৱক সাক্ষাৎ কৰিবলৈ গলে স্বৰ্গদেৱৰ দুলীয়াই পহিচাঙ্গিৰে বিদেশী নলকীৰে তেওঁলোকক ৰজাৰ গড়ৰ ভিতৰলৈ আনে আৰু জাপীধৰাই বাখৰপতা সোণৰ চুলাৰে পানীজাপী ধৰি আহে। গোঁসায়ে দুৱাৰৰ মুখৰ ভিতৰ-দুৱাৰ-ঘৰৰ বাহিৰতে সেই চাঙৰ পৰা নামি তাতে ঘোঁৰাত উঠে, বানসিয়া ৰৰজাপী গোঁসাইৰ ওপৰত ধৰা হয়। এই দৰে গোঁসাইসকলে গোঁসাই ঘৰৰ জখলামুখৰ চাওদাং চৰাৰ ওচৰলৈকে আহি ঘোঁৰাৰপৰা নামি পয়জাৰেৰে জখলামুখ লৈকে গৈ তাত পয়জাৰ আৰু পিকপেলোৱা দাবৰ এৰি গোঁসাইঘৰৰ টুপত বগা থডাত বহেগৈ। গোঁসাইৰ কাষত নিৰ্ম্মালি আৰু হাঁছটি শৰাই থোৱা হয়। তাৰ পিছত স্বৰ্গদেৱে সেই টুপতে বানতত বহি গোঁসাইক প্ৰণাম জনায়। গোঁসায়ে মূৰতে নিৰ্ম্মালি দি ধৰি স্বৰ্গদেৱক আশীৰ্ব্বাদ কৰে।

## কুঁৱৰীৰ প্ৰতিপত্তি

স্বৰ্গদেৱ শিৱসিংহ মহাৰাজে এইদৰে ধৰ্ম্মানুষ্ঠানত ব্যগ্ৰভাৱে লিপ্ত থকাত তেওঁ স্বাভাৱিকতে ৰাজকাৰ্য্যত ভালকৈ মনযোগ দিবলৈ সময় নাপাইছিল। তাতে ৰজাদেৱে তিকতাক বৰ ক্ষমতা দিছিল আৰু তেওঁলোকৰ সুবিধাৰ কাৰণে তেওঁ ৰাজকাৰ্য্যতো বেমেজালি লগাইছিল। অসমীয়া স্বৰ্গদেৱসকল সুন্দৰী সুশিক্ষিতা কুঁৱৰীৰ স্বামী হোৱাৰ বহুতো প্ৰমাণ পোৱা যায়।— গড়গঞা ৰজাই নৰা ৰজাৰপৰা চাওচিং নামে এগৰাকী পণ্ডিতা কুঁৱৰী পাইছিল, তেওঁ ভৰিৰে আহোম আখৰ লিখিছিল, আৰু তেওঁৰ দিহামতে গড়গাওঁ নগৰত চাৰিবেৰে গড় দিয়া হয়। প্ৰতাপসিংহ ৰজাই দৰঙৰপৰা মঙ্গলদৈ কুঁৱৰীক লাভ কৰিছিল, আৰু ৰাজেশ্বৰসিংহ ৰজাই মণিপুৰৰপৰা কুৰঙ্গনয়নীক বঁটা পায়। কিন্তু এওঁলোকৰ কোনেও কুঁৱৰীসকলক ৰজাঘৰীয়া কামত হেতা-ওপৰা কৰিবলৈ নিদিছিল। যি কিজন স্বৰ্গদেৱে ৰজাঘৰীয়া কামত কুঁৱৰীসকলক হস্তক্ষেপ কৰিবলৈ দিছিল, তাৰপৰা তেওঁলোকৰ নিজৰ বা ৰাজ্যৰ অমঙ্গল হৈছিল। চুৰম্‌ফা ভগাৰজাৰ পুতেক মৰিল। কুঁৱৰীয়ে ৰোহ পাতিলে, "মৰাৰ পাছত মোৰ কৌঁৱৰে কাৰ লগত উমলিব?" এই আপাহত ডাঙৰীয়া-বিষয়াৰ লৰাক মৈদামত জীয়াই জীয়াই পোতালে। ইয়াৰ পৰিণামস্বৰূপে বিষয়াসকল অসন্তুষ্ট হৈ ৰজাক সিংহাসনৰ পৰা গুচাই আন এজনাক সিংহাসনত বহুৱালে। কোমলবয়সীয়া ৰজা চন্দ্ৰকান্তই বেঙেনাঅটীয়া সত্ৰৰ ভকত এজনৰ পদ্মাৱতী নামে এজনী জীয়ৰীৰ ৰূপ-লাৱণ্যত বিমুগ্ধ হল। স্বৰ্গদেৱে পদ্মাৱতীক নাচনিয়াৰ কৰিলে, পাছলৈ ছোৱালীৰ কন্যাকাল হওঁতে লিগিৰী কৰি স্বৰ্গদেৱে চাঙলৈ তুলিলে। পদ্মাৱতীৰ সৌন্দৰ্য্যত ৰজাদেৱ ইমান মোহিত হল যে তেওঁক ৰজাই কুঁৱৰী পাতিবলৈ মনস্থ কৰিলে। কিন্তু কুঁৱৰী পাতিবলৈ হলে ডাঙৰীয়াসকলৰ সন্মতি লাগে, কাৰণ সেই কুঁৱৰী পাছলৈ ৰজাৰ মাক হবগৈ। যাতে ৰজাৰ কুলমৰ্য্যাদা থাকে সেই-দেখি এই ব্যৱস্থা। এই বিষয়ে পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে ৰজাদেৱত জনালে, "স্বৰ্গদেৱে কুঁৱৰী পাতিব লাগিলে গোহাঁই-পৰীয়া আহোম অথবা চাৰিঘৰীয়া বা লাহন বা সন্দিকৈ আৰু দিহিঙীয়া আৰু ডাঙৰ আহোমৰ ছোৱালী আনি কুঁৱৰী পতা শ্ৰেয়ঃ। অতি সামান্য ভকতৰ জীয়ৰীক, বৰকুঁৱৰী, পৰ্ব্বতীয়াকুঁৱৰী আৰু ৰাইডঙীয়া কুঁৱৰী পতা ভাল নহয়। তথাপি যদি পাতিব খুজিছে তেন্তে তেওঁক চমুৱা কুঁৱৰীকে পাতক।" কিন্তু স্বৰ্গদেৱ চন্দ্ৰকান্তই ডাঙৰীয়াৰ কথা নুশুনি পদ্মাৱতীৰ পৰ্ব্বতীয়া কুঁৱৰী পাতিলে।



কিন্তু নিজৰ সন্মতি নলৈ পদ্মাৱতীক পৰ্ব্বতীয়াকুঁৱৰী পতাৰ কাৰণে পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াই কুঁৱৰীক সেৱা নকৰিলে। এই কাৰণত পদ্মাৱতীকুঁৱৰী ডাঙৰীয়াৰ প্ৰতি ৰুষ্ট হল। তেওঁ ৰজাদেৱক কবলৈ ধৰিলে,—"আপুনি নামমাত্ৰ ৰজা, বুঢ়াগোহাঁই হে ৰজা।" এইদৰে ডাঙৰীয়াৰ প্ৰতি চন্দ্ৰকান্ত ৰজাৰ মন লাহে লাহে বিষাক্ত হৈ আহিবলৈ ধৰিলে।

কথিত আছে বোলে কুকুৰাচোৱাভূতৰ পুতেক সত্ৰাম চাৰিঙীয়া ফুকন হৈ ৰজাৰ প্ৰধান বল্লভ হোৱাৰ কাৰণ সত্ৰামৰ ভনীয়েক লিখনী। ডাঙৰীয়া পূৰ্ণানন্দই ৰজাদেৱক এনেবোৰ কামত কেতিয়াও আসৈ নিদিছিল, আৰু সত্ৰামৰ অসৎ সঙ্গৰ পৰা ৰজাদেৱক আঁতৰত ৰাখিবলৈ যত্ন কৰিছিল। ইয়াতে অসন্তুষ্ট হোৱা মানুহে দলবদ্ধ হৈ ডাঙৰীয়াৰ প্ৰাণনষ্ট কৰিবলৈ ষড়যন্ত্ৰ কৰে। বদনচন্দ্ৰ এই কাৰ্য্যত লিপ্ত থকাৰ প্ৰমাণ পোৱাত তেওঁক ধৰিবলৈ মহেশ্বৰ পৰ্ব্বতীয়া ফুকনক পঠোৱা হয়। তাৰ পৰিণামে অসমলৈ মান আহে, আৰু অৱশেষত অসম দেশ ছাৰখাৰ হয়।

(আগলৈ)

---

# দীন-দুখী

বা

## লে মিজাৰাব্‌ল্

### চতুৰ্দ্দশ অধ্যায়

১৮২৩ খৃষ্টাব্দৰপৰাই টেনাৰ্ডিয়েৰ হোটেলৰ অৱস্থা বেয়া হৈ আহিছিল। "দেৱলিয়া" হব লগা অৱস্থা হোৱা নাছিল যদিও সেই বছৰতেই টেনাৰ্ডিয়ে ধাৰত পোত গল। এই সময়তেই দৈব-দুৰ্ব্বিপাকত টেনাৰ্ডিয়ে-দম্পতীৰ দাতৰ শূল চকুৰ কুটা হবলৈ আৰু দুটা লৰা উপজিল। দুজনীকৈ ছোৱালী আৰু তিনিটাকৈ লৰাৰে এঘৰ লৰা-ছোৱালীয়ে তেতিয়া সিহঁতৰ চকুৰ টোপনি একেবাৰেই নাইকিয়া কৰিলে।

মাডাম্ টেনাৰ্ডিয়েৰ মাতৃৰ চেনেহ আৰু নাৰীৰ কোমলতা জীয়েক দুজনীতেই শেষ। পুতেককেটাক তাই চকু-পাৰিও দেখিব নোৱাৰিছিল। জীয়েক দুজনী বাদ দি মাডাম্ টেনাৰ্ডিয়েক তাইৰ আদৰ-সাদৰ মৰম-চেনেহৰ ফালে চাই কোনোমতেই জননীৰ আখ্যা দিব নোৱাৰি। ডাঙৰটো লৰা গেভৰ'ক ভাগ্যৰ বলতহে কোনোৰকমে লেলাই-থেন্দাই ডাঙৰ' হল। জননীৰ হিয়াভৰা আশীৰ্ব্বাদ, নিস্পৃহ স্নেহ আৰু অতুলনীয় লালন-পালনৰ ছাঁটো গেভৰ'ক এখন্তেকলৈ ঠাই পোৱা নাছিল। তাৰ পাছত যেই দুবছৰৰ আগা-পিছাকৈ সৰু লৰা দুটা হল, মাডাম্ টেনাৰ্ডিয়েৰ সুপ্ত দানৱী প্ৰকৃত জাগ্ৰত হৈ পৰিল। ফলত ডাঙৰটো লৰা নিৰ্ব্বাসিত হল, ছোৱালী দুজনী পুৱা-গধূলি ঘৰৰ দুৱাৰদলি হৈ পৰিল।

কিন্তু ঈশ্বৰৰ ইচ্ছা, মাকৰ অসীম চেষ্টাৰ ফলত সৰু লৰাহালক আঁতৰাবলৈ অতি অলপ সময়ৰ ভিতৰতে সোণালী সুযোগ আহি নিজে সিহঁতৰ হাতত ধৰা দিলেহি। ওচৰতে থকা ৰক্ষিতা এজনীৰ একে বয়সৰে দুটা লৰা সেই সময়তে মৰি থাকিল। লৰাকেটাৰ অবিহনে লৰা হালৰ বাপেকৰপৰা কোনো ভৰণ-পোষণ নোপোৱাৰ ভয়ত ৰক্ষিতাজনীয়ে মাডাম্ টেনাৰ্ডিয়েক মাহে ১০ ফ্ৰাঁকৈ ধন দিবলৈ গাত লৈ টেনাৰ্ডিয়েৰ লৰাহালক নিজৰ লৰাৰ দৰে তুলিবলৈ বুলি লৈ গল। ৰক্ষিতাজনীৰ গৰাকীয়ে গমকে নেপালে। মাডাম টেনাৰ্ডিয়েও লাভৰ ওপৰতে লাভ কৰি মাছৰ তেলেৰে মাছ ভাজি একে-

বাৰে নিশ্চিন্ত হৈ পৰিল। কোমল বয়সৰ কোমল মনৰ এছেল্মা, ইপনিন্ আৰু গেভৰ'কেও দুদিনৰ পাছতে সক ভায়েকহালৰ কথা পাহৰি গল।

ভাগ্যৰ কঠোৰ শাসন! মাতৃ-স্নেহ-বঞ্চিত লৰা দুটিৰ ভাগ্য বেছি দিন ৰাঙলি বৰত যাবলৈ নেপালে। পিশাচী মাকৰ হাতৰপৰা সাৰি সুখতেই ডাঙৰ-দীঘল হৈ যেতিয়া সিহঁত সাত-পাঁচ বছৰীয়া, তেতিয়া এদিন ৰক্ষিতজনীক কিবা অপৰাধত পুলিচে ধৰি লৈ গল। বেচেৰিহঁতে তেতিয়া বাহিৰত খেমালি কৰি আছিল। গধূলি আহি মাকক বিচাৰি নেপাই সিহঁত কান্দি কান্দি অস্থিৰ হৈ পৰিল। কিন্তু সিহঁতৰ কান্দোনলৈ কাণ দিয়ে কোনে? লৰাহাল সেই মুহূৰ্ত্ততেই সংসাৰৰ চাকনৈয়াত উটি গল। ঘৰৰ আগতে বহি জোতা সি' থকা মুচিটোৱে আহি সিহঁতৰ মাকে সিহঁতলৈ বুলি এৰি থৈ যোৱা কাগজ এটুকুৰা দি ওচৰৰ মানুহ এঘৰলৈ যাবলৈ সিহঁতক বাট দেখুৱাই দিলে। মানুহ ঘৰৰ ঠিকনা কাগজটুকুৰাতে লেখা আছিল। ডাঙৰটো লৰাই এহাতে কাগজখন আৰু আনখন হাতেৰে ভায়েকক ধৰি লৈ মানুহ ঘৰৰ ফালে খোজ ললে। জাৰকালিৰ গধূলি: ওপৰত চেঁচা বতাহ; মাজবাট পাওঁতেই বতাহ এছাটিয়ে লৰাটোৰ ঠেটুৱাই ধৰি থেৰেঙা লগা আঙুলিৰপৰা কাগজখন উৰুৱাই নি কৰবাত পেলাই দিলেগৈ। ৰাতিৰ আন্ধাৰত লৰাহালে খপিয়াই-জপিয়াই কোনোমতে কাগজখন উলিয়াব নোৱাৰিলে। কলৈ কাৰ ঘৰলৈ যাব তাকো নেজানে: কান্দি কাটি বাটে বাটে লৰাহালি অকাই-পকাই ঘূৰি থাকিল।

* * *

সন্ধিয়া হওঁ হওঁ হৈছে। গেভৰ'কে নাপিতৰ দোকান এখনৰ আগত ঠিয় দি কিবা এটা ছল বিচাৰি দোকানৰ ফালে মু কৰি ৰৈ আছিল। সেইদিনা বতাহজাক ইমান চেঁচা যে মানুহে তেতিয়াই জাৰুৱাবী মাহৰ দৰে জাৰৰ কাপোৰ দীঘল চোলা পিন্ধিহে বাহিৰ হব পাৰিছিল। গেভৰ'কৰ জাৰ ভয় সকলো সমান। সি জাৰলৈ কেৰেপকে কৰা নাই—কৰিলেও উপায় নাই। নাপিতৰ দোকানৰপৰা চাবোন চুৰ কৰিবলৈ ছল বিচাৰি গেভৰক তাত ঠিয় হৈ আছিল। চাবন চুৰ কৰি নি আন ঠাইত বেচি সি তাৰে খোৱা খৰচ উলিয়ায়।

গেভৰ'কে এইদৰে ছল চাই থাকোতেই সেই লৰাহালে নাপিতৰ দোকান সোমাই সেপ্ ঢুকি ঢুকি নাপিত এটাক কিবা এটা খাবলৈ খোজা তাৰ কাণত পৰিল; নাপিতটোৱে লৰাহালক একো নিদি দবিয়াই হুকিয়াই দোকানৰ পৰা উলিয়াই দিলে। লৰাহাল কান্দি কান্দি দোকানৰ বাহিৰ হল। এনেতে মেঘে ওলোন্দাই আনিলে। চাওঁতে চাওঁতে এটোপ দুটোপকৈ বৰষুণ আহি ঘৰৰ বাহিৰত থকা মানুহৰ গাত পৰিল। গেভৰকে লৰমাৰি লৰাহালৰ কাষ চাপি মাত লগালে—

"হেই লৰাকেটা! তহঁতৰ কি হৈছে! তহঁতক কি লাগে?"

ডাঙৰ লৰাটোৱে কলে—"আমি আজি ক'ত শুম!

"ইঃ বৰ কথাতো! তালৈকে কান্দিছ! আহ, মোৰ লগত আহ।" গেভৰ'ক যাবলৈ ধৰিলে, লৰাহালেও কান্দিবলৈ এৰি পিছতে খোজ ললে। গেভৰ'কে গৈ থাকোতে এবাৰ খঙেৰে নাপিতৰ দোকানখনলৈ চাই পঠিয়ালে। চকুত ঘৃণা আৰু প্ৰতিহিংসাৰ ফিৰিঙতি জিলিকি উঠিল।

অলপ গৈয়ে এখন কটিৱালাৰ দোকান পাই গেভৰ'কে লৰাহালক সুধিলে—"হেৰ, তহঁতে কিবা খালিনে?

"আমি পুৱাৰে পৰা একো খোৱা নাই।"

"তেনেহলে তহঁতৰ মাৰ-বাপেৰ কোনো নাই।"

"আছে। ক'ত আছে কব নোৱাৰো।"

"আমি তেনেহলে এটাইকেটা একে। আমাৰ আই বোপাইবোৰ কৰবাত হেৰাল।"

সিহঁত তিনিওটা গৈ কটিৱালাৰ দোকান সোমাল। গেভৰ'কে বহুতপৰ তাৰ ফটা চোলাৰ জেপত খেপিয়াই খেপিয়াই ছু এটা উলিয়াই তাৰে এডোখৰ কটি কিনি নিলে। কটিডোখৰ তিনি ভাগ কৰি তিনিওটাই দোকানৰ পিৰালিত বহি খাবলৈ ললে। খোৱা শেষ হল, তিনিওটাই আকৌ খোজ ললে। সৰু দুটাই কব নোৱাৰিলে সিহঁত কলৈ গৈছে।



"বেষ্টাইল স্কোয়াৰ"ৰ কাষতে এটা স্মৃতিস্তম্ভ আছিল এতিয়া এই স্তম্ভটো ভাগি-ছিগি চিন-মোকামো নাইকিয়া হৈ পৰিছে। এই স্তম্ভটো শিল আৰু ইটাৰে সজা এটা প্ৰকাণ্ড হাতী। ৰাতি হলে আন ঠাইত নেপালে গেভৰকে এই হাতীটোৰ পেটৰ ভিতৰতে শুই থাকে। গেভৰকে লৰাকেটাৰে সৈতে আহি এই হাতীটোতে সোমালহি। তাৰ ফটা কাপোৰ-কানি যি আছিল সোপাকে জাপি-জুপি দি লৰাহালক আতৌ-পুতৌকৈ শুৱাই সিও সিহঁতৰ কাষতে কাতি হল। জাৰত কুচি-মুচি অহা লৰাহালে কাপোৰৰ উম পাই বৰত মাত লগালে—"কেনে উম!" গেভৰকে তাৰ যৎসামান্য আতিথ্যৰে অভ্যাগত অতিথি দুটিক শুশ্ৰূষা কৰিব পাৰি বৰ গৌৰৱ বোধ কৰিলে। সিহঁতৰ অকৃত্ৰিম শলাগনি "কেনে উম!" শুনি সি হাঁহি পেলালে। বৰ মৰম আৰু সাদৰেৰে সিহঁতৰ গাত হাত বুলাই বুলাই শুবলৈ কলে। লৰাহালিয়েও এটা সিহঁতৰেই লেখীয়া কেও-কিছু নাইকিয়া খাবলৈ নোপোৱা এই দুৰ্ভগীয়া লৰাটোৰ এনে অলৌকিক আদৰ-সাদৰৰ কথা ভাবি ভাবি আচৰিত হৈ অকণিহিয়াৰ অসীম কৃতজ্ঞতা জনাই শুই পৰিল! কোনেও কাকো চিনি নাপালে। তথাপি সিহঁত তেতিয়া যেন আপোনতকৈও আপোন!

নিৰৱ প্ৰকৃতিৰ নিস্তব্ধ জোঁৱাৰা নিশাৰ বুকত এই তিনটি প্ৰাণীয়ে অকাতৰে হিয়াৰ নিফুট সমিধানত জুকলি-জুপৰি হৈ অচেতন হৈ পৰি থাকিল। তিনিওটি পথ-হেৰুৱা পথিক। সংসাৰে মোৰ্ নুবুলিলেও টোপনিয়ে সিহঁতৰ আলৈ বিলৈ দেখি হাত নেমেলি থাকিব নোৱাৰিলে। ৰাতি পুৱাবলৈ সৰহ বেলি নাই। এনেতে কোনোবা এটাই আহি হাঁতীটোৰ কাষত ঠিয় হৈ গেভৰকে গেভৰক বুলি বিঙিয়াবলৈ ধৰিলে। গেভৰকে সাৰ পাই 'কোন' বুলি মাত দিয়া মাত্ৰকে বাহিৰত থকা মানুহটোৱে তাক ওলাই আহিবলৈ কলে। গেভৰক ওলাই আহিল। বাহিৰত ঠিয় হৈ থকা মানুহটোৱেই গেভৰকৰ সঙ্গী। গেভৰকে তাৰ সঙ্গীৰ মুখলৈ চাই কিবা এটা কব খোজোঁতেই মানুহটোৱে মাত লগালে—

"বেলি নকৰিবি! বৰ ডাঙৰ কাম। আমাক অলপ সহায় কৰিব লাগে। আহ।" গেভৰ'কে আনক সহায় কৰাত সদায়েই আগৰনুৱা। দ্বিতীয় প্ৰশ্ন নকৰি মানুহটোৰ পাছে পাছে গেভৰকে ঢাপলি ধৰিলে।

গেভৰকৰ লগৰীয়া এটাইবোৰেই চুৰকৰা মাৰ-পিতকৰা আদিত বৰ পাকৈত, আৰু সিহঁতৰ সৰহভাগেই তাৰে দৰে পোৱা-কপলীয়া অঘৰী। গেভৰ'ক তাৰ লগৰীয়াৰে সৈতে আহি ফাটেকৰ দুৱাৰমুখ পালেহি। কাম—ফাটেকৰপৰা কয়দী এটা পলুৱাই আনিব লাগে।

গেভৰ'কে লগৰীয়াৰ উপদেশ অনুসাৰে ককালত জৰী বান্ধি, দেৱালৰ ইটা খহাই দেৱালৰ পাচত দেৱাল পাৰ হৈ ফাটেকৰ ভিতৰ সোমাল। আগৰেপৰা বন্দবস্ত। কয়দীটো সাজু হৈ বাটলৈ চাই বাহ আছিল। গেভৰ'কে কয়দীটোৰ হাতত সকলো সাজ-সৰঞ্জাম দি বাট-খৰ কথা ভাঙি-ছিঙি বুজাই দিলে। খন্তেকৰ পাছতে দুয়ো দেৱাল বগাবলৈ ললে। ফাটেকৰখীয়াইতে ক'তো অকণো গম নেপালে। নিৰ্ব্বিবাদে দুয়ো আহি ফাটেকৰ বাহিৰৰ বাটত নামি প'ৰল। এনেতে ৰাতি পুৱাল। পুৱাৰ দোকমোকালিত দুয়োৰে মুখ পোহৰ হৈ উঠিল। গেভৰ'কে কয়দীৰ মুখৰ ফালে চাই আচৰিত হৈ মাত দিলে—"বোপাই দেখোন"!

টেনাৰ্ডিয়ে একো উত্তৰ নিদি বাটত তালৈ ৰৈ থকা লগৰীয়াকেটাৰ ফালে চাই মাত দিলে'—'পাছে আজি কাক ধৰা?" গেভৰ'ক অলপ আঁতৰি গল।

লগৰীয়াকেটাৰ এটাই কলে, "ৰু দি প্লুমে'ত এটা ঘৰ আছে। তাত মটা মানুহ কোনো নাই। এজনী মাইকী মানুহহে দেখিছো। আজি তাতে সোমাওঁ। তোমাৰ জীয়েৰ ইপনিন চাবলৈ গৈছিল। তাই হলে তাত একো নাই বুলি কৈছে।"

"আমিও চাই আহোঁ। থাকিবও পাৰে।"

গেভৰ'কে ইমান উপকাৰ কৰা সত্ত্বেও এই দলটোৰ এটা মানুহেও শলাগ লোৱা দূৰে থক তাৰ ফালে কেৱাহিকৈয়ে নেচালে। সি আনৰ নহলেও বাপেকৰ পৰা এষাৰি মৰমৰ আপুৰুগীয়া মাত ইমান দিনৰ পাছত

শুনিবলৈ পাম বুলি ওচৰতে বহি আশাভৰা চকুৰে চাই আছিল। বপুৰাই ভাবিছিল, সি তাৰ বাপেকৰ ইমান এটা ডাঙৰ উপকাৰ কৰিলে, বাপেকে নিশ্চয় তাক এষাৰ নহয় এষাৰ কথা কবই কব। কিন্তু সি বিমুখ হল। কোনেও একো নোকোৱা দেখি সি বৰ বেজাৰেৰে মাত লগালে, "তহঁতৰ কাম শেষ হল নে? তহঁতক মোক আৰু নেলাগে যদি মই যাওঁ। মোৰ লৰাহালক জগাই দিওঁগে।" কাৰোপৰা এষাৰো মাত নোলালে।

গেভৰ্'ক গুচি গল। দলৰ এটাই টেনাৰ্ডিয়েক কলে, "লৰাটো মন কৰিলানে?"

"কোন লৰাটো?"

"এই দেৱাল বগাই তোমাক লৈ অহা লৰাটো।"

"অহো, মন কৰিবলৈ নহল।"

"তোমাৰ লৰাটো হব পায়।"

"দেৎ! নহয়।"

টেনাৰ্ডিয়ে ফাটেকৰপৰা পলাই অহাৰ আগতে তাৰ দলৰ আনকেটা মানুহে "ক দি প্লুমে"ৰ এই ঘৰটোৰ ওপৰত চকু দি আছিল। ইপনিনক ঘৰটোৰ আঁতি-গুৰি লবলৈ পঠিয়াও দিছিল। কিন্তু ইপনিনে ঘৰটোত কজেট থকা দেখি ডকাইতহঁতক তাত চুৰ কৰিবলগীয়া একো বস্তু-বাহানি নাই বুলি আঁতৰাই ৰাখি আহিছে আৰু ইফালে হতাশ-প্ৰেমিক মেৰিয়াছক নি কজেটৰ লগত পুনৰ্মিলন কৰাই দিছে। ১৮৩২ খৃষ্টাব্দৰ মেই মাহটোৰ এনে এটা সন্ধিয়া নাছিল যিটি সন্ধিয়াত উদাৰ আকাশৰ তলত এই দুটি দেৱোপম মদন-ভিখাৰীৰ শ্বাস-নিশ্বাসৰ সুৰভি-সুষমাই ঘৰটোৰ আগচোতালত থকা ফুলনিখনি নন্দন কাননত পৰিণত কৰা নাছিল। সন্ধিয়াৰ লগে লগে যেতিয়া এই সখিয়তীহালি আহি তাত ঠিয় দিছিলহি, তেতিয়া তাত তীৰ্থৰ পূতপবিত্ৰ জ্যোতি বিয়পি পৰিছিল। ফুলবোৰ ফুলি উঠি সিহঁতৰ আমোল-মোলীয়া গোন্ধেৰে প্ৰেমিক-প্ৰেমিকাক অভিবাদন জনাইছিল। প্ৰেমিক-প্ৰেমিকাই সিহঁতৰ হিয়া উবুৰিয়াই কোৱা কথাৰে ফুলহঁতকো সলনিত ধন্যবাদ যাচিছিল। সিহঁতৰ ফুচফুচীয়া মেলে ওচৰৰ গোটেই প্ৰকৃতিকে অভিভূত কৰিছিল। যি মানুহে এই আবেগভৰা করুণ সুৰৰ একেষাৰি কথা শুনা নাই, যি এনে এষাৰি কথা জীৱনত কৈ পোৱা নাই, সেই নিচিনা দুৰ্ভগীয়া পৃথিবীত নাই।

এই দুটি প্ৰেমিক-প্ৰেমিকাক কোনে দেখিছিল? সন্ধিয়াৰ চিকিমিকি পোহৰত ফুলনিৰ মাজত সিহঁতক দেখিছিল পৃথিবীত ফুলনিৰ গোলাপ কেপাহিয়ে, সৰু সৰু চৰাইকেটাই আৰু ওপৰত নীল আকাশ জুৰি হাঁহি-নাচি থকা অগণন তৰাকাৰাশিয়ে। গোলাপ কেপাহিয়ে হৰিষত ফুলি উঠিছিল, চৰাইকিটিয়ে নিৰৱ নিস্তব্ধ হৈ একেৰাহে চাই আছিল, তৰাবোৰ বেছি উজ্জ্বল হৈ পৰিছিল।

এদিনা গধূলি মেৰিয়াছ 'ক দি প্লুমে'ৰ কাষেদি গৈ থাকোতে বাটতে ইপনিনক লগ পালে। ইপনিনক পাই মেৰিয়াছে মাতো-নেমাতোকৈ মাত দিলে—"ইপনিন নে কি?" ইপনিনৰ ওপৰত মেৰিয়াছৰ কোনো বেয়া ভাব নাছিল, বৰঞ্চ মেৰিয়াছ তাইৰ ওচৰত বৰ কৃতজ্ঞ; কাৰণ ইপনিনে দেখুৱাই নিদিয়া হলে মেৰিয়াছে কজেটক বিচাৰি উলিয়াব নোৱাৰিলেহেঁতেন। তথাপি ইপনিন যে টেনাৰ্ডিয়েৰ জীয়েক, এই কাৰণেই মেৰিয়াছে ইপনিনক বেয়া নেপালেও ভাল পাব নোৱাৰিছিল। মেৰিয়াছৰ কথাৰ উত্তৰত ইপনিনে কলে "মোক তুমি মাতো-নেমাতোকৈ মাতা কিয়? মই তোমাক কি কৰিলো?"

"একো কৰা নাই।"

"নহয়, কোৱাঁ, মই তোমাক কি কৰিলো?" ইপনিনে আৰু কিবা কব খুজিছিল, কব নোৱাৰিলে। তাই হাঁহিবলৈ চেষ্টা কৰিলে, কিন্তু হাঁহি নোলাল। অলপ-পৰ তলকা মাৰি থাকি তাই আকৌ মাত লগালে, "তেন্তে"—

তাই আকৌ তলমূৰ কৰি থমকি গল। খন্তেক থাকিয়ে বৰ আমন-জিমনকৈ "যোৱাঁ মেৰিয়াছ, মই তোমাক আমনি কৰিবলৈ ভাল নেপাওঁ" বুলি গুচি গল। মেৰিয়াছে একো বুজিব নোৱাৰিলে।



তাৰ পাছদিনাই ১৮৩২ খৃষ্টাব্দৰ ৩ জুন। মেৰিয়াছে আগৰ দৰেই 'ক দি প্লুমে'ত কজেটক দেখা কৰিবলৈ আহিছে। গধূলি হোৱা নাই, হওঁ হওঁ হৈছে। ইপনিনে দূৰতে মেৰিয়াছক দেখা পাই পাছে পাছে আহি নওলামুখ পালেহি। মেৰিয়াছে কব নোৱাৰে। মেৰিয়াছ ফুলনি সোমাল। ইপনিনে আমন-জিমনকৈ নওলা-মুখতে বহি পৰিল। তাই বহিল যি বহিলেই, অকণো সাৰ-সুৰ নাই, অকণো কাতি-কুটা নাই। এইদৰে তাতে তাই বহি থাকিল। কিমানপৰ বহিল ঠিক নাই। এবাৰ তাই চক খাই উঠিল—কাঁহৰ মাত শুনি। কাঁহত তেতিয়া দহ কোৰ পৰিছিল। এনেতে এটা বুঢ়া পথিকে লৰা ঢপৰাকৈ আহি নওলা মেলি ঘৰলৈ সোমাওঁতে কাৰ-বাক বৰ করুণভাৱে "এতিয়া তেওঁ সদায়েই ইয়ালৈ আহে" বুলি কোৱা শুনি চকখাই উঠিল। বুঢ়াই ইফালে সিফালে চাই এন্ধাৰত কাকো নেদেখি নওলা-মাৰি ভিতৰ সোমাই গল। বুঢ়া ভিতৰ সোমাইছেহে, এনেতে আৰু ছটা মানুহ আহি জপনাৰ মুখত ঠিয় দিলেহি। মানুহ এটাই ঘৰটোলৈ আঙুলিয়াই মাত দিলে, "এইটোৱেই ঘৰ। মানুহকেটাই দা-কটাৰি, হাঁতুৰি বটালি উলিয়াই নওলা মেলি ভিতৰ সোমাব খোজোতেই নওলামুখত ছোৱালী এজনীক আগ-ভেটি ধৰি ঠিয় হৈ থকা দেখি ভয়ত পাছ হুঁহকি আহিল।

এটাই সুধিলে—"কোন এই পিশাচী?"

"তোমাৰ জীয়েৰ।"

"তোক কি লাগে? তই ইয়াত কি কৰিছহি?"

"মই আগেয়েই কৈছিলো নহয়, এই ঘৰটোত একো নাই। ইহঁত বৰ দুখীয়া মানুহ, সিহঁতক একো নকৰিবি।"

"যা, যা; আমি সকলো ঠিক-ঠাক কৰিলো, এতিয়া উভটি যাব নোৱাৰো। আমি চাই-চিতিহে যাম।" এই বুলি তাইক ঠেলা মাৰি থৈ মানুহটো যাবলৈ ওলাল। ছোৱালীজনীয়ে নওলাত আওজনি লৈ মানুহটোৰ কাণে চাই মাত দিলে—"মই যাবলৈ নিদিওঁ। যদি ভিতৰ সোমাব, মই চিঞৰি মানুহ মাতি আনিম। এটাইজাককে পুলিচৰ হাতত দিম।" তাইৰ কথা শুনি মানুহকেটা কঠৰ হৈ পৰিল। টেনাৰ্ডিয়ে লগৰ এটাক কাণে কাণে কলে—"অনন্তৰ নহয়। তাইহে যি, কৰিবও!"

"মই পিতাইকো নেৰো।"

টেনাৰ্ডিয়েই দাঁত কৰচি কৰচি কলে,—"তোৰ হৈছে কি? কিহে পাইছে? বাট এৰ!"

"নিদিওঁ বাট।"

টেনাৰ্ডিয়েৰ সঙ্গী এটাই কটাৰি এখন উলিয়াই ইপনিনৰ ফালে চোচা ললে। মানুহটোৰ পৈশাচিক মূৰ্তি দেখিও টেনাৰ্ডিয়েৰ মুখৰপৰা এটা শব্দও বাহিৰ নহল।

ইপনিনে মাত দিলে—"মোক ভয় দেখুৱাব নেলাগে, মই মৰিবলৈ ভয় কৰা নাই। মোক বোপায়ে ডিঙিত টিপা দিয়ে মাৰক বা তহঁতৰ এটায়ে দাৰে কুৰিয়াই মাৰ—তালৈ মোৰ ভয় নাই। মই জীয়াই থাকোমানে তহঁতক ইয়ালৈ সোমাবলৈ নিদিওঁ।"

তাইৰ নিৰ্ভিক উত্তৰ শুনি মানুহকেটাৰ থৰক্-বৰক্ লাগিল। ইটোৱে সিটোৰ চকুৰ ফালে চাই সুৰ-সুৰকৈ তাৰপৰা এটাইকেটা গুচি গল। ইপনিনে ৰাতিৰ আন্ধাৰত গা ঢাকি সিহঁতৰ গতি বিধি চাই নিসন্দেহ হবলৈ পাছে পাছে খোজ ললে।

বাহিৰৰ খবৰে ভিতৰৰ পূৰ্ণশান্তিত তিলমানো ব্যাঘাত ঘটোৱা নাছিল। আনকালৰ দৰেই কজেট আৰু মেৰিয়াছে ফুলনিত বহি কথা পাতি আছিল। কজেটৰ মুখ সেইদিনা বিষাদৰ ডাৱৰে ঢাকি পেলাইছিল। তাইৰ মুখখনি শেঁতা, চকুযুৰি ৰঙা। এই সুখৰ সমাজিকত এয়েই কজেটৰ প্ৰথম ক'লা মেঘ। মেৰিয়াছে কজেটক দেখা পায়ে আচৰিত হৈ মাত লগাইছিল—"তোমাৰ কি হৈছে!"

"দেউতা ইয়াৰপৰা যাবগৈ। আমি ইংলণ্ডলৈ যামগৈ।"

মেৰিয়াছৰ মূৰত সৰগ ভাগি পৰিল। সুধিলে—"কেতিয়াকৈ?"

"কব নোৱাৰো।"

"কেতিয়া উভটিবা?"

"কব নোৱাৰো।"

মেৰিয়াচ ঠিয় হল। থোকাথুকিকৈ মাত দিলে—"বা--বা—গৈ ক—জে—ট!"

"মই কি কৰিব পাৰো?" বুলি কজেটে মেৰিয়াছৰ হাতখন সাবটি ধৰিলে।

"যোৱা! ময়ো তেনেহলে কৰবাৰৈ যাব লাগিব।"

কথাষাৰ শুনি কজেটৰ হিয়া ভাগি যোৱা যেন হল। আকুল করুণাভৰা চকুযুৰিৰে একেথাহে মেৰিয়াছৰ মুখৰ ফালে চাই থাহেঁকৈ মাত দিলে—"কিয়?" কজেটৰ চকু তেতিয়া চলচলীয়া। মেৰিয়াছে ভগা মাতেৰে কবলৈ ধৰিল—"কজেট, জীৱনত প্ৰতিজ্ঞা কৰা নাছিলো, আজি এই প্ৰথম প্ৰতিজ্ঞা কৰিলো— তুমি গলে মই আৰু জীয়াই নেথাকো।"

ভয়ত কজেটৰ মুৰ ঘূৰি আহিল। মেৰিয়াছে কৈ গল—"মোক কাইলৈ লগ নোপোৱা।"

"কিয়?"

"নোপোৱা।"

"কিয়?"

"কাৰণ আছে। কোনে জানে এই খন্তেকৰ বিচ্ছেদতে হয়তো চিৰজীৱনলৈ মিলন হব পাৰে! পৰশুলৈ ন বজাতহে লগ ধৰিম।"

কজেটৰ হতাশ প্ৰাণত আশাৰ সঞ্চাৰ হল। কজেটে আকুলকৈ মেৰিয়াছৰ চকুযুৰিলৈ চাই পঠিয়ালে। মেৰিয়াছৰ চকুযুৰিত যেন তাই ভবিষ্য-আশাৰ সোণালী ছবিখনি দেখিবলৈ পাব। মেৰিয়াছে হাত দুখনেৰে কজেটৰ মূৰটি দাঙি ধৰিলে। কজেটেও তাইৰ আঙুলিৰ মূৰত দিগ্ দি মেৰিয়াছৰ চকু দুটিলৈ ৰব হেপাহেঁৰে চাবলৈ ধৰিলে। দুয়োটি তন্ময় তন্মাদ্ হৈ পৰিল। খন্তেকৰ পাছতে দুয়ো দুয়োৰে বাহুপাশত বান্ধ খাই আহিল। নিৰৱে নিশব্দে ওঁঠকিটি লগ লাগিল; আধা-মেলা আধা-জপা চকুকিটিয়ে আকাশৰ তৰা লেখিলে।

মেৰিয়াছে উভটি যাওঁতে বাটত মানুহ-দুনুহ কোনো নাই। অলপ আগতে ইপনিন ডকাইতহঁতৰ পাছে পাছে গুচি গৈছিল।

জঁভেলজঁ সদায় সাবধান, সদায় সতৰ্ক। টেনৰ্ডিয়ে ফাটেকৰপৰা ওলাই আহিবৰ দিনাই ভেলজঁৰ চকুত পৰিল। ভেলজঁক টেনাৰ্ডিয়েই কিন্তু চিনিব নোৱাৰিলে। তথাপি ভেলজঁই তাত থকাটো নিৰাপদ নেদেখি ইংলণ্ডলৈ যাবলৈ ঠিক থাক কৰি কজেটক সাজু হৈ থাকিবলৈ আগজাননী দি থলে। কজেটে নেজানিলে কিহৰ নিমিত্তে বাপেকে ফ্ৰান্স এৰিবলৈ ওলাইছে, জানিবলৈকো ইচ্ছা নকৰিলে। বিচ্ছেদৰ দুঃসহ যাতনাৰ ভাৱনাই তাইৰ আন সকলো ভাব হেঁচা মাৰি তল পেলালে।

• • •

কেদিনমানৰ আগতে মাথোন ফাদাৰ জিল্ নৰমেণ্ডৰ ৯১ম জন্মতিথি পাৰ হৈ গৈছে। ৫ বছৰ পাৰ হৈ ৫ বছৰ সোমাল, বুঢ়াই নাতিনীয়েক মেৰিয়াছ আজি আহিব কালি আহিব কৰি নিৰাশাৰ ওপৰতো আশাৰ বহন সানি বাটলৈ চাই বহি আছিল। দিনৰ পাছত দিন গৈছে, মেৰিয়াছৰ পা-খবৰ নাই। বুঢ়াৰ মনত শোক-বেজাৰ আক্ষেপ-অভিমানৰ সীমা নাই।

জুনৰ ৪ তাৰিখ। বুঢ়াই কিতাপ এখন মেলি লৈ হেলনি চকি এখনত আউজি কিতাপ চাই আছিল। কিতাপ চাই থাকোতেই পাহৰো বুলিলে বেছিকৈ সুঁৱৰি উঠা সেই একেটা কথালৈকে মনত পৰিল। বুঢ়াই কিতাপ এৰি নিজক নিজে বুজাবলৈ ধৰিলে—মেৰিয়াছ আৰু নাহে। এনেতে চাকৰ এটা সোমাই আহি খবৰ দিলেহি "মছিঅ'ৰ মেৰিয়াছে দেখা কৰিব খোজে।"

বুঢ়া থপৰাই বহি পৰিল। আচৰিত হৈ মাত লগালে, "মছিঅ'ৰ মেৰিয়াছ! কোন! কোন!"

"মছিঅ'ৰ মেৰিয়াছ নামেৰে ডেকা এজন বাহিৰত ৰৈ আছে।"

বুঢ়াই থৰক-বৰক কৰি মাত দিলে—"মাতি আন!" চাকৰটো ওলাই গল। বুঢ়াই উদ্বিগ্নচিত্তে একেথাহে দুৱাৰমুখৰ ফালে চাবলৈ ধৰিলে। দুৱাৰ মেল খালে। লগে লগে মেৰিয়াছ বুঢ়াৰ চকুত পৰিল। মেৰিয়াছক দেখা মাত্ৰকে বুঢ়াৰ মন নাচি উঠিল। ইচ্ছা হল, তেওঁ যেন লৰি গৈ মেৰিয়াছক সাবটি ধৰিব। ভাবে বুঢ়াৰ বুকত খোকি-বাথো লগালে—"কি লাগে! মোৰ ওচৰত ক্ষমা বিচাৰি আহিছ! নিজৰ ভুল এতিয়া বুজি পালিনে?"



বুঢ়াৰ প্ৰকৃততে মেৰিয়াছক এনেধৰে সম্বোধন কৰিবৰ ইচ্ছা নাছিল। বুঢ়া বৰ মৰমিয়াল। মৰমতেই বুঢ়া অভিমানী হৈ উঠিছিল। মেৰিয়াছে হাতযোৰ কৰি উত্তৰ দিলে—"মোক ক্ষমা কৰক।"

"তোক কি লাগে?"

"মই অহাত আপুনি অসন্তোষ পাইছে বুলি মই জানো, তথাপি মই আহিছো। এষাৰ কথা সুধিয়ে মই গুচি যাম।"

"মূৰ্খ! তোক গুচি যাবলৈ কোনে কৈছে? বাৰু, তোক কি লাগে ক'।"

"মোক বিয়া কৰিবলৈ সন্মতি দিব লাগে।"

বুঢ়াই জীয়েকক মাতাই পঠিয়ালে। জীয়েক আহি কোঠা সোমালতে বুঢ়াই জীয়েকক কলে,—"বিশেষ কাম নাই। এওঁ মছিঅ'ৰ মেৰিয়াছ। এওঁক অভিবাদন কৰা। তেওঁ বিয়া কৰিব খুজিছে। এতিয়া তুমি যোৱা।"

জীয়েকে মেৰিয়াছৰ ফালে চাই পঠিয়ালে। চিনি পালেনে নেপালে কব নোৱাৰি। কিন্তু বুঢ়াৰ কথা শেষ হোৱাৰ লগে লগেই তাই কোঠাৰ বাহিৰ হল। বুঢ়াই কবলৈ ধৰিলে—"তুমি বিয়া কৰিবা! বয়স ২১ বছৰ। সকলো ঠিক-থাক! বাকী মোৰ সন্মতি। বহাঁ, বহাঁ! অ', তুমি ওকালতি কৰি কিমান পোৱা?"

"একো নেপাওঁ।"

"তেনেহলে তোমাৰ ভাবী পত্নী বৰ অৱস্থাপন্না।"

"নহয়, মোৰে নিচিনা।"

"কি! যৌতুক নোপোৱা—আশাও নাই?"

"মোৰ বিশ্বাস আশাও নাই।"

"নাম?"

"মেডম্'জেল কেকল ভেণ্ট!"

"ফুঃ—২১ বছৰ বয়স—কাম-কাজ নাই—বেৰনেচ্ পণ্টমাছিয়ে—"

মেৰিয়াছ বলিয়া মানুহৰ দৰে চিঞৰি উঠিল—"আপোনাক ধৰ্ম্মৰ দোহাই দি মিনতি কৰিছো, মোক বিয়া কৰিবলৈ সন্মতি দিয়ক।"

বুঢ়াই বিদ্ৰূপৰ হাঁহিৰে ঘৰ খলক লগাই দি কবলৈ ধৰিলে,—"আহাহা! মনতে ভাবি আহিছা—বুঢ়া গাধটোক কমগৈ, মই বিয়া কৰাওঁ; বছ! সকলো ঠিক। বুঢ়াই মোক দেখি আনন্দত দেও দি উঠিব, গতিকে বিয়া কৰিবলৈ সন্মতি দিব। আৰু যোৱা যে কি যোৰ! এটাৰ নাই চোলা, এজনীৰ নাই মেখেলা। কেতিয়াও নহয়—কেতিয়াও নহয়! হবই নোৱাৰে পচলভেণ্ট-কপলভেণ্ট মই চিনি নপাওঁ! মই এনেদৰে উচ্ছন্ন যাবলৈ দিব নোৱাৰো—উপাৰ্জ্জনৰ ঘৰত ছু এটা নাই, বিয়া কৰাবলৈ লাগে! কেতিয়াও নহয়!"

"দেউতা!"

"কেতিয়াও নহয়; কেতিয়াও নহয়!"

মেৰিয়াছে বুঢ়াৰ মূৰ্ত্তি দেখি সকলো আশা জলাঞ্জলি দি গিৰিসকৰে উঠি যাবলৈ ওলাল। দুৱাৰমুখ পাওঁতেই বুঢ়াই খেদামাৰি গৈ মেৰিয়াছক ডিঙিত ধৰি টান মাৰি আনি চকি এখনৰ ওপৰত হেঁচামাৰি বহুৱাই দি মাত লগালে—"কৰ ছোৱালী, কি কথা, মোক কচোন!"

মেৰিয়াছৰ 'দেউতা' সম্বোধনে বুঢ়াৰ কঠোৰ মন কোমলাই পেলালে। বুঢ়াৰ হিয়া গলি আহিল। মেৰিয়াছে কলে—"দেউতা! মই—"

বুঢ়াৰ মুখ আনন্দত জিলিকি উঠিল। মেৰিয়াছৰ কাষ চাপি বৰ করুণ কণ্ঠেৰে মাত দিলে—"মেৰিয়াছ! মেৰিয়াছ! দেউতা বোল! দেউতা বোল! জান,' আজি কিমান দিন পিয়াহত অন্ত-কণ্ঠ শুকাই আছিল!" বুঢ়া আৰু কাষলৈ আহিল। মেৰিয়াছক ঘূৰাই-পকাই চাবলৈ ধৰিলে। হঠাৎ বুঢ়া চক্ খাই উঠি মাত দিলে, "মেৰিয়াছ! তই ইমান দুখত আছ? এই ফটা কাপোৰ-কানি পিন্ধি ফুৰিছ। চোৰৰ দৰে কাপোৰ পিন্ধিছ, মূৰত ফটা টুপি! ল' এই 'লুই' এটা। ভাল চাই টুপি কিনি লবি।"

"দেউতা! আপুনি যদি জানিলেহেঁতেন—মই ছোৱালীজনীক কিমান ভাল পাওঁ! আপুনি কল্পনাও কৰিব নোৱাৰে। তাই এতিয়া বাপেকৰ লগত ইংলণ্ডলৈ

যাবলৈ—বাপেকে আমাৰ কথা একো নেশুনে। তাইক বিয়া কৰিবলৈ নেপালে মই বলিয়া হম, নহলে মৰিম।"

বুঢ়াই ৰহি ৰহি শুনি আছিল। মেৰিয়াছৰ কথাৰ শেষত মাত দিলে—"অ' বুজিছো। তাই বাপেকে নজনাকৈ তোৰ লগত কথা পাতে! কেনে ছোৱালী বুজ পাইছো। তই বলিয়া হবৰ দৰকাৰ নাই। মোৱো এদিন তোৰ দৰেই ডেকা আছিলো; মোৰো তোৰ দৰেই বলিয়ালিয়ে এবাৰ নহয় কেবাবাৰো উক্ দিবলৈ বিচাৰিছিল। তাই বিয়া কৰাবলগীয়া ছোৱালী নহয়। ধন-চন যি লাগে লৈ যা, তাইক বক্সিতা কৰি ৰাখগৈ।"

মেৰিয়াছ থপৰাই ঠিয় হল। টুপিটো দাঙি লৈ দুৱাৰ মেলি যাবলৈ ওলাই বুঢ়াৰ ফালে উভটি মাত দিলে—"আজি ৫ বছৰৰ আগতে আপুনি মোৰ স্বৰ্গীয় পিতাক এইদৰে অপমান কৰিছিল, আজি মোৰ পত্নীক অপমান কৰিলে! মই আপোনাক আৰু একো নকওঁ।"

মেৰিয়াছ গিৰিপ্ গিৰিপ্ কৰে শব্দ কৰি দৰ্বৰ বাহিৰ হৈ ওলাই গল। বুঢ়া মন্ত্ৰ-মুগ্ধ-প্ৰায় অনড়-অবাক হৈ বহি থাকিল। কথা কবলৈ বিচাৰিলে, এটা কথাও বাহিৰ নহল। উঠিবলৈ চেষ্টা কৰিলে, শৰীৰকে কৰিব নোৱাৰিলে। অলপ পৰৰ পাছতে বুঢ়াই হুৰা-মুৰা কৰি চকিৰ পৰা উঠি দুৱাৰমুখত গৈ ফোপাই-জোপাই চিঞৰিবলৈ ধৰিলে—"দেগাই আহ! কোন আছ!— দেগাই আহ!" ভিতৰৰ পৰা একে লৰে জীয়েক আহি বুঢ়াক সাবটি ধৰিলেহি। বুঢ়াই চিঞৰি চিঞৰি কৈ গল— "তাক ধৰি আন! ধৰি আন! মোৰ গাত দোষ! মোৰ গাত দোষ! এইবাৰ আৰু সি নাহে! মেৰিয়াছ! মেৰিয়াছ! মেৰিয়াছ!"

বুঢ়াৰ বিও মেৰিয়াছৰ কাণত নপৰিল। মেৰিয়াছ তেতিয়া বহুত দূৰত। কিছুমান পৰৰ পাছত বুঢ়া অলৰ-অচৰ হৈ চকি এখনত সোমাই পৰিল। তেতিয়া বুঢ়াৰ মুখত মাত নাই, তেজৰ ধমণি ক্ষীণ, চকু নিৰস; —যেন এটা কাঠৰ পুতলাহে। মাজে মাজে সোঁ হাতখনে মাথোন কপালৰ কুমলৈ উঠা-নমা কৰি বুঢ়াৰ সজীৱতাৰ পৰিচয় দি আছিল। (আগলৈ)

শ্ৰীথানেশ্বৰ হাজৰিকা

---

# পোৱা কিতাপ খনদিয়েকৰ কথা

শাহু-আই। "শ্ৰীনকুলচন্দ্ৰ ভূঞা প্ৰণীত। গাৱঁলীয়া চিত্ৰ।"

আমি কওঁ, গাৱঁলীয়া চিত্ৰই হওক বা নগৰীয়া চিত্ৰই হওক, সেই চিত্ৰৰ বিষয়টো যদি স্বভাৱতে গোকাট হয়, তেন্তে তাক বিচিত্ৰ কৰি-আঁকি সাহিত্যৰ ভদ্ৰ সমাজত প্ৰদৰ্শন কৰিবলৈ যোৱাটোও গোকাট কাৰ্য্য। গাৱঁতে হওক নাইবা নগৰতে হওক, নিজৰ ঘৰতে হওক বা পৰৰ ঘৰতে হওক, মানুহৰ দৈনিক জীৱনত কত ঘটনা ঘটে, সেইবোৰৰ ভিতৰত ভাল বেয়া বিবেচনা নকৰি যিটোকে দেখা যায় সেইটোকে কিতাপত তুলি দি সম্পদ বঢ়াইছো বুলি ভবাটোৰ সমান ভুল কথা নাই। প্ৰকৃত সাহিত্য কাক কয়, তাৰ লক্ষণ কি, এইটো জানি মনত ৰাখি কাপ ধৰিলে আৰৰ পাচীত হাত নপৰে। চিত্ৰ হলেই নহয়; ছবি, "ফটো" কত ৰকমৰ থাকে, কিন্তু সেই আটাইবোৰ জানো চকুৰৰ বাবত আঁৰিব পাৰি? মুইতে ঠাৰে-চিয়াঁৰে আমি এই কথাষাৰ কলোঁ, বুজোতাজনে বুজি লব। কিতাপখনৰ বিষয়বোছনি যেনে অশোভন, ভাৱৰীয়া ভাৱৰীয়ানীবোৰৰ মুখৰ মাত-কথাবোৰৰ অনেকখিনিও তেনে জঘন্য আৰু অশ্লীল। সেইবোৰ এনেকুৱা যে আমি ইয়াত তুলি দি দেখুৱাবকে নোৱাৰোঁ। ভূঞাদেৱে আগেয়ে অনেক ভাল কিতাপ লিখিছে, তেওঁ নিশ্চয়কৈ জানি লব যে, আমি তেওঁৰ



অনুৰাগী; কিন্তু এইখন কি কৰিলে! তেওঁ আমাৰ ওপৰত খং নকৰিব; আমি বাধ্য হৈ তেওঁক অনুৰোধ কৰোঁ, তেওঁ যেন কিতাপখন আৰলদ্ধে পুৰি পেলায়।

থুপিতৰা। "শ্ৰীডিম্বেশ্বৰ নেওগ প্ৰণীত। শ্ৰীজ্যোতিপ্ৰসাদ আগৰৱালা প্ৰকাশিত। বেচ আঠ অনা।" বত্ৰিশটা সৰু কবিতাৰ সমষ্টি। থুপিতৰা নামটি সাৰ্থক হৈছে। টেক্সটবুক কমিটিয়ে এই কিতাপখন স্কুলত চলালে বৰ সন্তোষৰ কথা হব।

শোণিত কুঁৱৰী। "শ্ৰীজ্যোতিপ্ৰসাদ আগৰৱালা প্ৰণীত। নিউ প্ৰেছৰপৰা প্ৰকাশিত। পকাবন্ধা ১৲ টকা।" নাট। কুমাৰ হৰণ অৰ্থাৎ উষা-অনিৰুদ্ধৰ প্ৰণয়; বাণ শ্ৰীকৃষ্ণৰ যুদ্ধ। ভাল ছপা, ভাল কাকত, ভাল বন্ধা, ভাল ৰচনা। পঢ়ি সন্তোষ পাইছো। ভাৱনা দেখিলে আৰু সন্তোষ পাম বুলি আশা কৰিছো। আমি আৰবেলি গুৱাহাটীলৈ যাওঁতে ইয়াৰ দুটা গান শুনিবলৈ পাইছিলো। "গছে গছে পাতি দিলে ফুলৰে শৰাই" গানে আমাক মুগ্ধ কৰিছিল। এইখিনিতে দুটা শব্দৰ বিষয়ে একাষাৰ কওঁ:— "তুলি" অসমীয়া নহয়; "লেখনী"হে অসমীয়া। যেনে, খনিকৰে লেখনীৰে পট আঁকিলে। "বঢ়াই-বুজাই" নহয়, "ৰবাই-বুজাই" হে, অৰ্থাৎ বুজনি দি সন্মত কৰোৱা। যেনে, সি গুচি গৈছিল, ৰবাই-বুজাই তাক ওলোটাই আনিলো। নগা ৰবাবলৈ কটকী পঠিয়া হৈছে। শাবৰক আহৰ বোলে, ৰবাব নোৱাৰি দেখি।

তত্ত্ব আৰু তথ্য। "শ্ৰীসৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী প্ৰণীত আৰু প্ৰকাশিত বেচ ৷৷০ অনা।" ইয়াৰ সৰহভাগ প্ৰবন্ধ 'বাঁহী' আৰু 'আলোচনী'ত প্ৰকাশিত হৈছিল। জটিল বিষয়বোৰ লেখকে যতদূৰ সম্ভৱ প্ৰাঞ্জল কৰি লেখিবলৈ চেষ্টা কৰিছে, আৰু তেওঁ অনেকদূৰ কৃতকাৰ্য্য হৈছে। ৯টা প্ৰবন্ধেৰে কিতাপখন গঠিত। কটকীদেৱৰ কিতাপখনিয়ে অসমীয়া সাহিত্য-ভঁৰাল চহকী কৰিলে। শিক্ষাবিভাগৰ গৰাকীসকলে কিতাপখন স্কুলত চলোৱা উচিত।

আসাম সাহিত্য সভা। কাৰ্য্য বিৱৰণী। ৭ম বছৰ। প্ৰকাশক শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী প্ৰধান সম্পাদক। পাই শলাগ লৈছো।

প্ৰভাত। যোৰহাট নৰ্ম্মাল স্কুলৰ আলোচনী কাকত। পাই শলাগ লৈছো।

প্ৰভাতী। শ্ৰীযুত কীৰ্ত্তিনাথ দাস সম্পাদিত মাহেকীয়া কাকত। পাই শলাগ লৈছো।

চেতনা। শ্ৰীযুত অম্বিকাগিৰি ৰায় চৌধুৰী সম্পাদিত। পাই আনো, আৰু মনে মনে চৌধুৰী ডাঙৰীয়াক শলাগি আছো। বেছ হৈছে।

আসাম হিতৈষী। মাহেকীয়া কাকত। আমাৰ দেশ-হিতৈষী, "বিকৰ্ম্মৰ" দাৰ্শনিক, "চিন্তানল"ৰ প্ৰসিদ্ধ কবি শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য ডাঙৰীয়া সম্পাদিত। লগতে আমাৰ শ্ৰদ্ধাস্পদ এম্ এল্ ছি শ্ৰীযুত মহাদেৱ শৰ্ম্মা। মণি-কাঞ্চন যোগ। দুইকো আমাৰ শ্ৰদ্ধা আৰু ওলগ। মাতৃভাষা আৰু মাতৃভূমিৰ উন্নতিত চাৰিউফালে সকলোৰে ভালকৈ কান্ধ পতা দেখিলে মনত বৰ হৰ্ষ হয়।

আমি আৰু অনেক কিতাপ সমালোচনাৰ বাবে পাইছো। সমালোচনা যি কি নহওক, পঢ়ি প্ৰাপ্তি স্বীকাৰ কৰি থাকিম বুলি ভাবিছো। আহৰিৰ অভাৱত ক্ৰটি ঘটি আছে। কিতাপ পঠিওঁতাসকলে দায় ধৰিলে ধৰিব পাৰে, খং কৰিলে কৰিব পাৰে, আৰু গালি পাৰিলেও আমাৰ একো মাতিবলৈ নাই।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

# নাটঘৰ

## বাণ থিয়েটাৰ—দুৰ্গাপূজা উপলক্ষৰ অভিনয়

তেজপুৰৰ বাণ-থিয়েটাৰ মন্দিৰত যোৱা দুৰ্গাপূজা উপলক্ষে সপ্তমীৰ দিনাৰ পৰা দশমীৰ দিনালৈকে চাৰি দিন অভিনয় হয়। বাণ-থিয়েটাৰৰ নাম অন্ততঃ আজি কিছুমান দিন অসমীয়া নাট্যকলাৰ বুজৰাককৰা ডেকা-সকলৰ প্ৰায় মুখে মুখে। দেখি বৰ ভাল লাগিল যে তেজপুৰত তখন বঙালী থিয়েটাৰৰ অভিনয় চলি থকা স্বত্বেও অনেক জনা-বুজা বঙালী ভদ্ৰলোকে আগ্ৰহ কৰি এই অসমীয়া অভিনয়কেই চাবলৈ গৈছিল। বাণ-থিয়েটাৰৰ কৃতিত্বৰ বোধকৰো এয়ে এটি অপক্ষপাত সমালোচনা।

শেষৰ দিনত বাজে আন কেউদিন বাণ-থিয়েটাৰৰ কৰ্তাসকলে মূল অসমীয়া নাটকহে অভিনয়ৰ যো-যা কৰিছিল, আৰু দেখাত, এই কেউদিনা প্ৰথমতেই দৰ্শকেৰে ঘৰ উপচি পৰাত পিছত অনেক দৰ্শক বিমুখ হৈ ঘূৰি যাব লগা হৈছিল। বোধকৰো আনবিলাক আয়োজন চাই থিয়েটাৰ ঘৰটিত ঠাই বহলোৱাৰ বিশেষ প্ৰয়োজন হৈ পৰিছে। অসমীয়া দৰ্শকশ্ৰেণীৰ মানুহবোৰে অসমীয়া মৌলিক নাটকৰ অভিনয়ৰ আদৰ নকৰে বুলিয়েই অসমীয়া থিয়েটাৰৰ কৰ্তাসকলে বঙালী নাটকৰ আধাকেচেলুৱা অনুবাদৰ ভাৱনা পাতে বুলি আমি কেতিয়াবা কেতিয়াবা শুনি আহিছো; পিছে সেই কথা এইকেদিনতে অপ্ৰমাণ হোৱাৰ চিন হৈছে বুলি আমি ভাবিছো। ইয়াৰ বিপক্ষেহে এতিয়া বিজ্ঞানি কৰ পাৰিব যে অসমীয়া মৌলিক নাটকৰ অভিনয়ে অসমীয়া দৰ্শকৰ যে মন যোগাবলৈ বাধাই, বিদেশী দৰ্শককো আকৰ্ষণ কৰি টানি-আজুৰি আনিবৰ ইয়াৰ ক্ষমতা আছে; বোধকৰো অসমীয়া নাটশালত বঙালী নাটকৰ গঠিত অভিনয় চাবলৈ বুলি ইমানখিনি জনা-বুজা অসমীয়া-বঙালী দৰ্শক সাধাৰণতে নাহিব।

তথাপি শেষৰ দিনা বঙালী 'ভীষ্ম' নাটকৰ ভাৱনাৰে বাণ থিয়েটাৰৰ পূজাৰ উপলক্ষৰ অভিনয়ৰ সামৰণি কেলেই মৰা হল আমি ভালকৈ বুজিব পৰা নাই; যদি সেইদিনা দশমীৰ দিন বুলি উন্নত ধৰণৰ অসমীয়া বাণ-থিয়েটাৰে বঙালী নাটকৰ অনুবাদৰ 'আদৰ্শ-প্ৰতিমা' বুলি ভুল কৰা ধানপেৰৰ জুমুৰিটো এতিয়াৰ পৰা একেবাৰে বিসৰ্জ্জন দিবলৈ বুলিয়ে তেনে কৰিছিল, তেন্তে আমি "স্বস্তি"ৰ নিশ্বাস পেলাই তেওঁলোকক আন্তৰিক ধন্যবাদ জনোৱাত বাজে একো কৰবলৈ নাই।

প্ৰথম দিনা সপ্তমীত শ্ৰীযুত জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰকাশিত শোণিত কুঁৱৰী নাটকৰ অভিনয়।

গ্ৰন্থকাৰে নিজে নাটকৰ এটি প্ৰধান ভাও লৈছিল—চিত্ৰলেখাৰ। প্ৰথম অঙ্কত থকা চিত্ৰলেখাৰ "পদুম কলি" বোলা নাচটিয়েই নাটকখনিৰ এটি অতি অনুপম বস্তু; মুখেৰে গান নোগোৱাকৈ শৰীৰৰ অঙ্গ-ভঙ্গিৰ লয়লাস গতিৰে গানটিৰ ভাবপ্ৰকাশ কৰা এই নাচটি অন্ততঃ অসমীয়া নাট্যসমাজত এটি আপুকগীয়া বস্তু। এই নাচটি ভাৱৰীয়াই যথেষ্ট দক্ষতাৰেই সম্পন্ন কৰিছে; আমাৰ দৰ্শক-সকল যে এনে সূক্ষ্ম ভাবৰ নাচটি প্ৰকৃতভাৱে গ্ৰহণ কৰিবলৈ সাজু আছিল আমি ভবা নাই, কিন্তু এনে ভাবৰ নৃত্যকলা আদিলৈ যে আমি সাজু হবলৈ ধৰিব লাগে সেইটো হলে বুজিছে যেন লাগে। দ্বিতীয় আৰু বাকী অঙ্কবোৰত চিত্ৰলেখাৰ গান, বচন-ভঙ্গিমা আৰু সজ্জা ( make-up ) আদি সাধাৰণভাৱে ভাল হৈছিল যদিও সাহিত্যৰ সেই চিত্ৰলেখাৰ বিচিত্ৰতা তেনে বিশেষভাৱে ফুটি উঠা যেন নেলাগিল।

এই দিনাৰ আন ভাৱৰীয়াসকলৰ ভিতৰত বাণ, অনিৰুদ্ধ, উষা, শ্ৰীকৃষ্ণ আদিৰ ভাও উল্লেখযোগ্য। বাণৰ ভাও আৰু বচন আদি সাধাৰণতে শলাগিব পৰাৰ নিচিনা হৈছিল যদিও, "ৰশ্মি", "শ্মশান" আৰু "ভস্ম" নিচিনা আওবঙুৱা উচ্চাৰণ আমি অসমীয়া অভিনয়ত শুনিবলৈ হলে দুঃখ পাওঁ; বচন-কথনত ( delivery ) সুৰীয়াকৈ মতা আৰু বচন কওঁতে ভঙ্গিমাৰ (motions) অতিচাৰ, আৰু 'গতানুগত'-তাৰ (common place) নিচিনা দোষৰ পৰা আৰু অলপ মুক্ত হলে এনে অভিনয় চাই আৰু তৃপ্তি পোৱা যাব।

(আগলৈ)